# মিলা প্ৰসাদ চলিহ

# মহাবিদ্যালয়

২
1978-79

আ
লো
চ
নী

২য় বছৰ ।।। ২য় সংখ্যা ।।।

বধায়ক :—
্যাপক এম. হবিব উল্লাহ

:— সম্পাদক
ৰুহুল আমিন

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়
# আলোচনী

বছৰেকীয়া প্ৰকাশ

২য় সংখ্যা

১৯৭৮-৭৯ চন।

তত্ত্বাৱধায়ক--

অধ্যাপক – এম্, হবিব উল্লাহ

সম্পাদক—ৰুহুল আমিন।

# বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয় আলোচনী

নগৰবেৰা ॥ কামৰূপ ॥ অসম ॥

॥ ২য় বছৰ ॥ ২য় সংখ্যা ॥

ইং ১৯৭৮—৭৯ চন।

## সম্পাদনা সমিতি

সভাপতি :

অধ্যক্ষ দেবপ্ৰসাদ শইকীয়া।

সম্পাদক :

ৰুহুল আমিন।

তত্ত্বাৱধায়ক :

অধ্যাপক এম, হবিব উল্লাহ।

উপদেষ্টাদ্বয় :

অধ্যাপক ৰঞ্জিত কুমাৰ বৰা।

অধ্যাপিকা কল্যাণী দাস।

সদস্যাবৃন্দ :

অধ্যাপক আব্দুচ ছামাদ আলি।

আলফাজউদ্দিন আহমেদ।

মহানন্দ মেধি।

মীৰ্জা মান্নাফ।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ হৈ আলোচনী সম্পাদক ৰুহুল আমিনৰ দ্বাৰা প্ৰকাশিত আৰু শ্ৰীতীৰ্থ ভূষণ অধিকাৰীদেৱৰ দ্বাৰা শ্ৰীকৃষ্ণ প্ৰিণ্টিং প্ৰেছ, বকো— ৭৮১১২৩, কামৰূপত মুদ্ৰিত।

SRI RAMANI BARMAN
Minister Of State

Education, Sports & Youth Welfare,
ASSAM.

No .. — — .... —

Dated. 14/8/79

# শুভেচ্ছা বাণী

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনীখনৰ দ্বিতীয় প্ৰকাশ ওলোৱাৰ কথা জানিব পাৰি সুখী হলোঁ। প্ৰতিখন শিক্ষানুষ্ঠানৰ ছাত্ৰ–ছাত্ৰীৰ উৎকৰ্ষ সাধনৰ বাবে একোখন আলোচনী থকাটো একান্ত বাঞ্ছনীয়। ইয়াৰ জৰিয়তে শিক্ষাব্ৰতীয়ে নিজৰ পাৰদৰ্শিতা জুখিব পাৰে।

উক্ত মহাবিদ্যালয়ৰ আলোচনীখনে অনুষ্ঠানটোৰ লগতে সেই অঞ্চলৰ সম্যক চিত্ৰ এখন ৰাইজৰ আগত দাঙি ধৰিবলৈ সমৰ্থ হব বুলি আশা ৰাখিলোঁ।

শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু উদ্যোক্তাসকলক আন্তৰিক শুভেচ্ছা জনোৱাৰ লগতে মহাবিদ্যালয় আৰু আলোচনীখনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলোঁ।

স্বা :— শ্ৰীৰমণী বৰ্ম্মণ।

সম্পাদক,
আলোচনী বিভাগ
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।
নগৰবেৰা।

# MESSAGE

## Shri Ashraf Ali.

*Director Of Public Instruction,*
*Assam, Kahilipara, Gauhati–19*

**Dated, Gauhati, the 14 th Aug/79.**

I am glad to learn that B. P. Chaliha College, Nagarbera is going to publish the 2nd Issue of its College Magazine. College Magazine should welcome articles of academic interest from the young intelligentsia, besides containing short-stories, and poems which should bear present day problems of the society.

I hope the editorial board will try their best to bring out a standard magazine befitting the dignity of the College.

Sd/Ashraf Ali.
14/8

The Editor,
B. P. Chaliha College Magazine,
NAGARBERA.

# চকুলোৰে সুঁৱৰিছোঁ...

- লোকনায়ক জয়প্ৰকাশ নাৰায়ণ
- স্বাধীন ভাৰতৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল লৰ্ড মাউণ্ট বেটেন
- সংগ্ৰামী জননেতা হীৰালাল পাটোৱাৰী
- জনপ্ৰিয় কংগ্ৰেছ কৰ্মী ছত্ৰগোপাল কৰ্মকাৰ
- অসম কৃষিবিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডাঃ প্ৰশান্ত কুমাৰ মজুমদাৰ
- অসম সাহিত্য সভাৰ ধিং অধিবেশনৰ সভাপতি অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰু
- অসম সাহিত্য সভাৰ ধিং অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি, সু-সাহিত্যিক চন্দ্ৰকান্ত বৰকাকতী
- হিন্দী সাহিত্যৰ প্ৰসিদ্ধ সাহিত্যিক জাহ্নৱী প্ৰসাদ দ্বিবেদী
- গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি-বিজ্ঞান বিভাগৰ মূৰব্বী ডাঃ পদ্মেশ্বৰ গগৈ
- গুৱাহাটী বিশ্ববিদ্যালয়ৰ পদাৰ্থবিদ্যা বিভাগৰ মূৰব্বী ডাঃ কন্দৰ্প কুমাৰ কাকতী
- খ্যাতনামা শিক্ষাবিদ, কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ডাঃ তাৰিণীকান্ত ভট্টাচাৰ্য
- 'বোলছবি-সংগীত' পৰিচালক দ্বিজেন্দ্ৰ নাৰায়ণ দেৱ
- আকাশবাণীৰ সুৰশিল্পী শৰৎ বৰঠাকুৰ
- ১৯৭৯ চনৰ নতুন বছৰৰ দোক-মোকালিতে অসম-নাগাল্যাণ্ড সীমান্তত সংঘটিত নৰমেধ যজ্ঞৰ বলি শত-সহস্ৰ নিৰপৰাধী জন-গণ—
- লগতে শাশ্বত সত্যক প্ৰতিষ্ঠা কৰিবৰ বাবে যুগে যুগে যিসকল বলি হ'ব লগা হৈছে—আন এক জীয়া যজ্ঞৰ বাবে—সেইসকল

  আৰু—
- যিসকল খ্যাত-অখ্যাত মহান ব্যক্তিয়ে বিগত বছৰটোত আমাক এৰি থৈ গুছি গ'ল—তেখেতসকলক।

—সম্পাদক।

# ॥ অশ্রু অঞ্জলি ॥

**ৰেবা পাঠক**

জন্ম—১ জুলাই, ১৯৫৫ চন।
মৃত্যু—৮ আগষ্ট, ১৯৭৯ চন।
বুধবাৰ।

**ময়বাহাৰ আলি**

জন্ম—২৯ জুলাই, ১৯৬০ চন।
মৃত্যু—৬ চেপ্তেম্বৰ, ১৯৭৯ চন।
বৃহস্পতিবাৰ।

সময় মহাকাল। সময়ৰ পৰিধিবিহীন বহল বক্ষত সৃষ্টি আৰু প্ৰলয়ৰ অভিনয় চিৰদিন চলি আহিছে। এই বিতোপন পৃথিৱীত বাস কৰা মানুহবোৰৰ বাবে এই সময় কেতিয়াবা নিষ্ঠুৰ হৈ উঠে, তেতিয়া টোপাকলিতে ফুল বৃন্তচ্যুত হৈ মাটিত সৰি পৰে, পিতৃ-মাতৃৰ মৰমৰ দৃঢ় বান্ধোন মোকলাই অকালতে বুকুৰ সন্তানে মেলানি মাগে; মানৱ সমাজ মাথোঁ নিৰ্বিকাৰ দৰ্শক হৈ ৰয়। সময়ে তেনেকৈয়ে আমাৰ বুকুৰ মাজৰ পৰা এই বছৰত অকালতে কাঢ়ি লৈ গ'ল দ্বিতীয় বাৰ্ষিক স্নাতক

মহলাৰ ছাত্ৰী—ৰেবা পাঠক

আৰু

প্ৰথম বাৰ্ষিক স্নাতক মহলাৰ 'অৰ্থনীতিৰ অনাৰ্চ'ৰ ছাত্ৰ—

ময়বাহাৰ আলিক।

———বহুত সম্ভাৱনা, অলেখ প্ৰতিশ্ৰুতি আৰু আশা আকাঙ্ক্ষাৰ অপমৃত্যু ঘটিল! ময়বাহাৰে প্ৰাচীৰ-পত্ৰিকা 'ফল্গু'ৰ পাতত লিখিছিল গল্প আৰু কবিতা। সাহিত্যিক মূল্যৰ ফালৰ পৰা গুৰুত্বপূৰ্ণ নহ'লেও তাৰ মাজতেই হয়তো নিহিত আছিল প্ৰচুৰ সম্ভাৱনাৰ বীজ। কবি ময়বাহাৰে এই পৃথিৱীত উপলব্ধি কৰিছিল———

'যদি নকৰোঁ মানুহৰ কাম
মানুহ আৰু পশুৰ পাৰ্থক্য কিমান?''

আনহাতে বিভিন্ন ক্ৰীড়া আৰু সাংস্কৃতিক কাম-কাজৰ প্ৰতি অতি উদ্যোগী আৰু অনুৰাগী হিচাবে পৰিচিত ৰেবা পাঠকে ইং ১৯৭৭-৭৮ চনত মহাবিদ্যালয়ৰ শ্ৰেষ্ঠা মহিলা খেলুৱৈৰ সন্মান অৰ্জন কৰিছিল।

বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ আমি সমূহ ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকাই ৰেবা পাঠক আৰু ময়বাহাৰ আলিৰ অকাল মৃত্যুত অশ্ৰু-অঞ্জলি যাচিলোঁ।

—সম্পাদক।

# সম্পাদকীয়

সম্পাদকীয় লিখাৰ প্ৰয়াসেৰে হাতত কাপ তুলি লোৱাৰ পিছ মুহূৰ্ততেই এটা প্ৰশ্নই আহি মোক আৱৰি ধৰিলেহি—কিহৰ বিষয়ে লিখিলে সহৃদয় পাঠক-পাঠিকাসকলৰ সুখপাঠ্য হ'ব? আজিৰ অসমীয়া সাহিত্য তথা সমাজত কেনে ধৰণৰ বিষয়বস্তুৰ চিন্তা-চৰ্চা হোৱা উচিত? কেৱল পুৰাণ ধ্যান-ধাৰণাই নে কেৱল নতুন? আচলতে পুৰণিৰ ওপৰত ভিত্তি কৰি নতুনৰ দিক্‌দৰ্শন কৰিব লাগিব। তেনে এক দৃষ্টিভঙ্গিৰেই সম্পাদকীয় লিখিবলৈ আগবাঢ়িলোঁ।

॥ চিন্তা প্ৰবাহ ॥

এটা জাতিয়ে হাজাৰ অভাৱ-অভিযোগ, দুখ-দৈন্য আৰু অগণিত সংকটৰ সন্মুখীন হৈয়ো নিজৰ অস্তিত্ব বজাই ৰাখি প্ৰগতিৰ বাটত আগুৱাই যাব পাৰে; যদি সেই জাতিটোৰ নৈতিক মেৰুদণ্ড ঠিক থাকে। এই নৈতিকতাৰ সৰ্বোৎকৃষ্ট প্ৰকাশ ঘটে, দেশৰ ছাত্ৰ-যুৱ সম্প্ৰদায়ৰ চিন্তা-চেতনা, আচাৰ-আচৰণ আৰু শিল্প-সাংস্কৃতিক কাৰ্যাৱলীৰ মাজত। বৰ্তমান আমাৰ দেশৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী তথা সৰ্বস্তৰৰ জনসাধাৰণৰ চৰিত্ৰত যি সাংস্কৃতিক মান প্ৰতিফলিত হৈছে, সি নিঃসন্দেহে সমাজ-সচেতন, সু-সংস্কৃতিবান নাগৰিকৰ ওচৰত এক দুশ্চিন্তাৰ কাৰণ হৈ পৰিছে। প্ৰাক্-স্বাধীনতা যুগত সাম্ৰাজ্যবাদ বিৰোধী জাতীয় স্বাধীনতা আন্দোলনত দেশৰ ছাত্ৰ-যুৱ সম্প্ৰদায়ে এক সমাজমুখী সুস্থ আৰু বলিষ্ঠ সাংস্কৃতিক আন্দোলনৰ ধাৰা দেশত গঢ়ি তুলিবলৈ চেষ্টা চলাইছিল যদিও স্বাধীন ভাৰতত এক ব্যক্তিকেন্দ্ৰিক অৱক্ষয়মান পূতিগন্ধময় অপসংস্কৃতিৰ এন্ধাৰে গোটেই দেশৰ সাংস্কৃতিক বাতাৱৰণ লাহে লাহে আৱৰি পেলাইছে। দেশৰ শিল্প-সাহিত্যত সমাজ জীৱনৰ বাস্তৱ চিত্ৰ ফুটি উঠি জনসাধাৰণৰ ব্যথা-বেদনা, আশা-আকাঙ্ক্ষা ৰূপায়িত হোৱাৰ পৰিবৰ্তে সমাজবিৰোধী, ব্যক্তিমুখী ধ্যান-ধাৰণাহে বেছিকৈ ফুটি উঠিছে আৰু সামাজিক দায়িত্ববোধ বৰ্জিত কুৰুচিপূৰ্ণ অশ্লীল শিল্প-সাহিত্যৰ প্ৰচাৰকসকলে এই ক্ষেত্ৰত নানাভাৱে উদগনি দিছে। সমাজ জীৱনৰ পৰা যুক্তিবাদী মানসিক দৃষ্টিভঙ্গি আৰু সুস্থ মতামত বিনিময়ৰ পৰিবেশ আঁতৰাই তাৰ ঠাইত এক অন্ধ-আনুগত্যবোধ আৰু যুক্তিহীন উগ্ৰতাকহে আশ্ৰয় দিয়া হৈছে। আনহাতে দেশৰ অধিকাংশ বুদ্ধিজীৱী আৰু সাংস্কৃতিক কৰ্মীৰ জীৱন আৰু কৰ্মপ্ৰয়াসত গভীৰ

সমাজ চিন্তা প্ৰতিফলিত হোৱাৰ পৰিবৰ্তে পৰিলক্ষিত হৈছে—সমাজ সম্পৰ্কে এক ধৰণৰ উদাসীন ব্যক্তিকেন্দ্ৰিক মনোভাৱ। তেওঁলোকে প্ৰচাৰ কৰিছে—"Art for art's sake" অৰ্থাৎ শিল্পকলা কেৱল মাত্ৰ শিল্পসমূহৰ, কলাৰ সৌন্দৰ্য বৃদ্ধিৰ বাবেহে চৰ্চা কৰিব লাগে। কিন্তু আমি ভাবোঁ শিল্পকলা চৰ্চা কৰাৰ এটি বিশেষ প্ৰয়োজনীয়তা আছে। আচলতে "Art for man's sake" হে হ'ব লাগে। অৰ্থাৎ শিল্প-সংস্কৃতি মানুহৰ ৰুচি, সংস্কৃতি সমূহৰ উন্নতি হোৱাৰ বাবেহে চৰ্চা কৰিব লাগে। দেশৰ এনে এটা সাংস্কৃতিক সংকটৰ পৰিবেশত অধিক আৰু বিজ্ঞানসন্মত এক সুস্থ প্ৰগতিশীল সাংস্কৃতিক বাতাবৰণ গঢ়ি তুলিবলৈ এদল দৃঢ়প্ৰতিজ্ঞ সাহিত্য-সংস্কৃতিসেৱী আগবাঢ়ি অহা উচিত। এই ক্ষেত্ৰত এটা কথা মনকৰিবলগীয়া যে কেৱল দৃঢ়প্ৰতিজ্ঞ হলেই তুলিকাৰ পৰা ভোজবাজীৰ দৰে প্ৰগতিশীল সাহিত্য সংস্কৃতি সৃষ্টি হবনে? নিশ্চয় নহয়। এই কৰ্তব্য পালন কৰিবলৈ হলে আমি বিদেশলৈকো যাবৰ প্ৰয়োজন নাই। আমাৰ দেশত গঢ়ি উঠা প্ৰগতিশীল শিল্প-সাহিত্যৰ ঐতিহাসিক ধাৰাবাহিকতাৰ ওপৰত নিৰ্ভৰ কৰিলেই যথেষ্ট। ॥

॥ আমাৰ শিক্ষাজগতত এভূমুকি ॥

পৃথিবীৰ শিক্ষাৰ ক্ষেত্ৰত পিছপৰা দেশসমূহৰ ভিতৰত ভাৰতবৰ্ষও অন্যতম। আধুনিক যুগৰ শিক্ষাজগতত আমাৰ শিক্ষাপদ্ধতিটো কিমান উন্নত তাক বৈজ্ঞানিক দৃষ্টিভঙ্গিৰে বিশ্লেষণ কৰাটো নিতান্ত প্ৰয়োজন। দেশত যি শিক্ষা প্ৰচলন কৰিলে আজি আমি সৰ্বতোপ্ৰকাৰে উন্নত হ'ব পাৰোঁ; সেই শিক্ষাৰ প্ৰয়োজন। কিন্তু তেনে শিক্ষা আমি পাইছো জানো? নিশ্চয় পোৱা নাই। ভাৰতীয় শিক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰিলে দেখা যায় আজিৰ শিক্ষা পদ্ধতিটোৱে ভাৰতৰ ছাত্ৰ সমাজক কোন পথে ঠেলি পঠিয়াইছে। আজিৰ শিক্ষা পদ্ধতিয়ে জ্ঞানৰ পবিত্ৰ জ্যোতিৰ পৰিবৰ্তে আমাৰ এন্ধাৰকলীয়া মনবোৰ আৰু ডাঠ এন্ধাৰলৈ লৈ গৈছে। পুঁজিপতি শ্ৰেণীৰ স্বাৰ্থৰ অনুকূলত সৃষ্ট শিক্ষা ব্যৱস্থাই আজিৰ গভীৰ সংকট মাতি আনিছে। শিক্ষাৰ ক্ষেত্ৰত চূড়ান্ত আমোলাতান্ত্ৰিক নিয়ন্ত্ৰণ, শিক্ষাকাল আৰু শিক্ষাৰ ব্যয়ভাৰ বৃদ্ধি, শিক্ষা প্ৰতিষ্ঠানসমূহত আসন সংখ্যা নিয়ন্ত্ৰণ, নতুন শিক্ষা প্ৰতিষ্ঠান গঢ়ি তোলাত চৰকাৰী প্ৰতিবন্ধকতা আৰোপ, শিক্ষাৰ মানদণ্ড উন্নয়নৰ নামত সঘনাই শিক্ষা-ব্যৱস্থা আৰু পাঠ্যক্ৰম পৰিবৰ্তন আদিৰ মাজেদি চৰকাৰৰ জনস্বাৰ্থ বিৰোধী শিক্ষা-সংকোচন নীতিৰ প্ৰতিফলন ঘটিছে। কিন্তু বৰ্তমান বৈজ্ঞানিক যুগত আমাৰ শিক্ষা-ব্যৱস্থা বিজ্ঞান ভিত্তিক হৈ উঠা নাই। ফলত এই শিক্ষাই মানুহক জীৱন বিমুখ কৰি তুলিছে। এই শিক্ষাই মানুহক এমুঠি অন্ন আৰু এখনি বস্ত্ৰৰ যোগাৰ কৰি লবলৈয়ো যোগ্য কৰা হলে এটা কথা হলহেঁতেন। আমি ভাবোঁ এই শিক্ষা ব্যৱস্থাটো বিজ্ঞান ভিত্তিক, গণতান্ত্ৰিক,

সাৰ্বজনীন আৰু ধৰ্ম-নিৰপেক্ষ হিচাবে গঢ়ি তুলিব পাৰিলে পৃথিবীৰ আন আন উন্নত দেশৰ খোজতে খোজ মিলাই গৈ ভাৰতেও সভ্যতাৰ উচ্চ শিখৰত ভৰি দিব পাৰিব।

॥ বিদ্যালয়-মহাবিদ্যালয়ৰ মুখপত্ৰৰ বিষয়ে দুআষাৰ ॥

আজি আমাৰ সাহিত্য সমালোচনাত, কবিতাত, চিত্ৰ-ভাস্কৰ্যত শিল্পী-সাহিত্যিক বা সমালোচকসকলৰ বাহিৰে আনে বুজিব নোৱাৰা বহুত কিছু সৃষ্টি হোৱা দেখা যায়। অস্তিত্ববাদ, প্ৰতীকবাদ, অতি বাস্তবতাবাদ, বিমূৰ্তবাদ, চেতনাস্ৰোতবাদ—আদিৰ আমদানি হৈছে। সেয়া আধুনিক মননশীলতাৰ লগত পৰিচয়ৰ নিদৰ্শন। কিন্তু এই 'বাদ'বোৰৰ প্ৰবৰ্তন-প্ৰচলন কৰোঁতে সৰ্বসাধাৰণ পাঠক শ্ৰেণী বাদ পৰি গৈছে নেকি বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আছে। এনেকুৱাবোৰ কথাতে আমাৰ সাহিত্য আলোচনীবোৰৰ অকাল মৃত্যুৰ কাৰণটোও সোমাই আছে। বিদ্যালয়-মহাবিদ্যালয় সমূহৰ পৰা প্ৰকাশিত আলোচনীসমূহে যে ভাষা সাহিত্যৰ বিকাশত যথেষ্ট পৰিমাণে বৰঙণি যোগাই আহিছে তাক কোনেও নুই কৰিব নোৱাৰে। এই আলোচনী সমূহতে নতুন লেখক-লেখিকাৰ সাহিত্য সাধনাৰ প্ৰথম অঙ্কুৰ মেলে আৰু ভৱিষ্যতে বিকশিত হোৱাৰ সুযোগ লাভ কৰে।

আমাৰ বৰ্ত্তমান সংখ্যা আলোচনীৰ বিষয়ে ক'বই লাগে যেতিয়া ঃ—বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ আলোচনীৰ দ্বিতীয় সংখ্যাটি অতি জাকজমক, সুন্দৰ আৰু ৰমকজমককৈ প্ৰকাশ কৰাৰ এটা আশা ৰাখিছিলোঁ। কিন্তু নোৱাৰিলোঁ। তাৰবাবে নিজেই লজ্জিত। কিয় নোৱাৰিলোঁ! অপ্ৰাসঙ্গিক হলেও ব্যক্ত কৰি কৈফিয়ৎ দিবলৈ ওলালোঁ। আচলতে মোৰ বাবেই নহয়; প্ৰায় সকলো সম্পাদকৰ বাবেই এখন কলেজৰ মুখপত্ৰ সম্পাদনা কৰাটো সহজ কথা নহয়। ছাত্ৰ-ছাত্ৰীসকলৰ সুন্দৰতম আগ্ৰহ আৰু সাহিত্য সাধনাৰ মনোভাৱ সজাগ-সচেতন হৈ নেথাকিলে এখন মহাবিদ্যালয়ৰ মুখপত্ৰ সম্পাদনা কৰি উলিওৱাত যথেষ্ট বাধাৰ সন্মুখীন হবলগীয়া হয়। ময়ো ইয়াৰ ব্যতিক্ৰম হোৱা নাই। যদিও উপৰ্যুপৰি জাননী দি আৰু সম্পাদনা সমিতিৰ সদস্যসকলে ব্যক্তিগতভাবে লগ ধৰি কিছু সংখ্যক প্ৰবন্ধ-পাতি গোটাইছিল তথাপি সেই প্ৰবন্ধ-পাতিবোৰ মহাবিদ্যালয়ৰ মানদণ্ডৰ বুলি কবলৈ শঙ্কাবোধ হয়। আলোচনীখন প্ৰকাশৰ খাতিৰত আমি এইখিনিকে লৈ প্ৰকাশৰ বাটলৈ আহিলোঁ। অৱশ্যে এই ক্ষেত্ৰত আমাৰ প্ৰাচীৰ পত্ৰিকা 'ফল্গুৰ' পাতত ইতিমধ্যে প্ৰকাশিত কিছু সংখ্যক প্ৰবন্ধ-পাতিও সংযোজন কৰিবলগীয়া হৈছে। এইখিনিতে মই এষাৰ কথা উনুকিয়াই থওঁ যে আমাৰ আলোচনী পুঁজিটো নিচেই তাকৰীয়া। সেয়ে পূজনীয় শিক্ষাগুৰু, ছাত্ৰ ছাত্ৰী আৰু কৰ্তৃপক্ষৰ ওচৰত মোৰ এটি

এটি নিবেদন—সকলোৱে যেন ইয়াৰ পুঁজি টনকিয়াল কৰাৰ ক্ষেত্ৰত যত্নৰ ত্ৰুটি নকৰে। পৰৱৰ্তী সংখ্যাটো যাতে অতি জাকজমককৈ প্ৰকাশ পায়—তাৰবাবে আশা কৰিলোঁ।

॥ প্ৰাচীৰ পত্ৰিকা 'ফল্গু'ৰ বিষয়ে ॥

বিগত বছৰ সমূহৰ দৰে ১৯৭৮-৭৯ চনৰ বাবে অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱক সভাপতি, অধ্যাপক এম, হবিব উল্লাহ ছাৰক তত্ত্বাৱধায়ক, অধ্যাপক ৰঞ্জিত কুমাৰ বৰা, অধ্যাপক মানবেন্দ্ৰ কলিতা আৰু অধ্যাপক বসন্ত কুমাৰ মিশ্ৰ ছাৰক উপদেষ্টা, এই অভাজনকে সম্পাদক হিচাবে আৰু কেইজনমান ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীক সদস্যৰূপে লৈ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ প্ৰাচীৰ-পত্ৰিকা 'ফল্গু'ৰ পৰিচালনা তথা সম্পাদনা সমিতি গঠন কৰা হয়। 'ফল্গু'ৰ সম্পাদক হিচাবে মই বিভিন্ন ধৰণৰ অভিজ্ঞতা লভিছোঁ। সেইবোৰ কথা ইয়াত উল্লেখ নকৰি পাৰ হৈ যোৱা বছৰটোৰ এটি খতিয়ান মই থূল-মূলকৈ ইয়াত দাঙি ধৰিলোঁ। প্ৰথমেই শুভাকাংক্ষী ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকল, উপদেষ্টাত্ৰয়, তত্ত্বাৱধায়ক আৰু সভাপতি মাননীয় অধ্যক্ষ মহোদয়ৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। নানান ধৰণৰ বেমেজালিৰ মাজেদি পৰিচালনা কৰিবলগা হোৱা হেতুকে এই পত্ৰিকাখনৰ যি ধৰণৰ উন্নতি হ'ব লাগিছিল তদ্ৰুপ উন্নতি সম্ভৱ হৈ উঠা নাই। ছাত্ৰ-ছাত্ৰীসকলৰ আগ্ৰহ, উৎকৃষ্ট লিখনীৰ অভাৱেই হয়তো ইয়াৰে এটা মুখ্য কাৰণ। আনহাতে পৰ্যাপ্ত পৰিমাণৰ পুঁজিৰ অভাৱৰ বাবেও এই পত্ৰিকাৰ যথোচিত মানদণ্ড বজাই ৰাখিব নোৱাৰাটো স্বীকাৰ নকৰি নোৱাৰিলোঁ। যিকিয়েই নহওক, এই পত্ৰিকাই আংশিকভাৱে হ'লেও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যচৰ্চাৰ অনুশীলনৰ পথাৰ হিচাবে বহু সংখ্যক ছাত্ৰ-ছাত্ৰীক সাহিত্যানুৰাগী কৰি গঢ়ি তোলাত যথেষ্ট ইন্ধন যোগাইছে। ভৱিষ্যতলৈ আমাৰ ছাত্ৰ-ছাত্ৰীসকল এই বিষয়ত অধিক আগ্ৰহশীল হলে অতি সুখৰ কথা হ'ব। সেয়ে মই আশা ৰাখিছোঁ যে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ গভীৰ অধ্যয়নৰ যোগেদি এই ক্ষেত্ৰত দ্ৰুতকৃতকাৰ্যতা লাভ কৰিব পৰা যাব। তেতিয়াহে আমাৰ প্ৰাচীৰ পত্ৰিকা 'ফল্গু'ৰ প্ৰবাহিত সোঁতো ৰুদ্ধ হোৱাৰ কোনো আশংকা নেথাকিব।

॥ মহাবিদ্যালয়-চৌহদ ॥

কেইবাগৰাকী বিশেষ ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টা আৰু স্থানীয় ৰাইজৰ অশেষ ত্যাগৰ বিনিময়ত ১৯৭২ চনত এই মহাবিদ্যালয়খনি গঢ়ি উঠিল। প্ৰতিষ্ঠা হোৱাৰে পৰাই অনুষ্ঠানটোত

অহৰহ সমস্যাই দেখা দি আহিছে। এই সমস্যাবোৰ সমাধানৰ ক্ষেত্ৰত ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাবৃন্দৰ যদি সমূহীয়া প্ৰচেষ্টা থাকে তেন্তে অদূৰ ভৱিষ্যতত আমাৰ মহা-বিদালয়খনিয়ে এখন আদৰ্শনীয় শিক্ষানুষ্ঠানৰূপে গঢ় লৈ উঠিব তাত অকণো সন্দেহ নাই।

॥ স্নেহাবৃত ॥

আমাৰ মহাদ্যিালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ভাতৃত্বৰ মধুভাব চিৰবিদ্যমান। একতা, জ্ঞান-অন্বেষণ আৰু শিক্ষাগুৰুসকলৰ প্ৰতি শ্ৰদ্ধা-ভক্তিয়েই ইয়াৰ ছাত্ৰ-ছাত্ৰীৰ মূল লক্ষ্য। শিক্ষা-সংস্কৃতি, নীতি-নৈতিকতা আৰু চিন্তা-চেতনাৰ বিকাশৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল সদাব্ৰতী।

॥ কৃতজ্ঞতাৰ শৰাই ॥

সাহিত্য সেৱাৰ এই মহান দায়িত্বৰ বাবে আগবঢ়াই দিয়া ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক মৰম থাকিল আৰু বন্ধুভাৱেৰে তেওঁলোকক চিৰদিন সুঁৱৰিম। মোৰ প্ৰতি থকা তেওঁলোকৰ মৰম-স্নেহৰ বাবে তেওঁলোকলৈ কৃতজ্ঞতা সহকাৰে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ মুখপত্ৰখনিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৰ্মৰ পাতনিৰে পৰা সকলো দিশতে দিহা-পৰামৰ্শ দি মোক কৰ্মক্ষেত্ৰত আগবঢ়াই লৈ যোৱাৰ বাবে আমাৰ পূজনীয় অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱক মোৰ আন্তৰিক শ্ৰদ্ধা-ভক্তি যাচিলোঁ।

আলোচনীখন ছপাৰূপত পঢ়ুৱৈৰ হাতত তুলি দিব পৰাকৈ মোক উৎসাহ-উদ্দীপনা আৰু সু-পৰামৰ্শ যোগোৱাৰ যথোচিত কষ্ট স্বীকাৰ কৰাৰ বাবে বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক এম, হবিব উল্লাহ ছাৰ, উপদেষ্টাদ্বয় ক্ৰমে অধ্যাপক ৰঞ্জিত কুমাৰ বৰা ছাৰ আৰু অধ্যাপিকা কল্যাণী দাস বাইদেউৰ লগতে অধ্যাপক সদস্য আব্দুচ ছামাদ আলি ছাৰলৈ মোৰ ভক্তিপূৰ্ণ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ। তদুপৰি অধ্যাপক বীৰেন্দ্ৰ কুমাৰ দাস ছাৰ আৰু অধ্যাপিকা নূৰণ নাহাৰ বেগম বাইদেউকে প্ৰমুখ্য কৰি আন আন শিক্ষাগুৰুৰ পৰা সততে লাভ কৰা দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতাৰ কথাও এইখিনিতে শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

মোৰ সৈতে সমানে কষ্ট স্বীকাৰ কৰি সম্পাদনা টেবুলৰ যাৱতীয় কাম-কাজসমূহ নিয়াৰিকৈ চলাই নিয়াত সহায় কৰা বন্ধুবৰ আব্দুচ ছামাদৰ প্ৰতি অকল কৃতজ্ঞতা স্বীকাৰেৰে নিজকে ঋণী কৰিব খোজা নাই। লগতে পাণ্ডুলিপি লিখা কামত সহায় কৰা বন্ধুবৰ সৰ্বশ্ৰী মীৰ্জা মান্নাফ, আকমল হুচেইন আৰু নিভাবা'ক (নিভা চৌধুৰীক) এই ছেগতে আন্তৰিক ধন্যবাদ

জ্ঞাপন কৰিলোঁ। পাণ্ডুলিপিৰ মুখ্য লিখিকাৰ ভূমিকাৰে নিজকে আলোচনীৰ বিভিন্ন দিশত জড়িত কৰা—আমাৰ প্ৰাচীৰ পত্ৰিকা ফল্গুৰ প্ৰাক্তন সম্পাদিকা দীপ্তিবা'ক (দীপ্তিৰেখা পাঠকক) মৰম মিহলি কৃতজ্ঞতা যচাৰ বাহিৰে দিমেই বা কি।

মোৰ অনুৰোধক্ৰমে তেতিয়াৰ অসম চৰকাৰৰ ৰাজ্যিক পৰ্যায়ৰ শিক্ষামন্ত্ৰী শ্ৰীৰমণী বৰ্মন আৰু অসমৰ বৰ্তমান শিক্ষাধিকাৰ আশ্ৰফ আলি মহোদয়দ্বয়ে নিজৰ কৰ্মব্যস্ততাৰ মাজতো আমাৰ আলোচনীলৈ দুটি শুভেচ্ছা বাণী প্ৰেৰণ কৰি আমাক অনুপ্ৰাণিত কৰাৰ বাবে দুয়োজন ব্যক্তিলৈকে মই কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ।

পৰিশেষত আমাৰ আলোচনীখন যথেষ্ট তৎপৰতাৰে কম সময়ৰ ভিতৰত সুন্দৰকৈ ছপা কৰি উলিয়াই দিয়াৰ বাবে শ্ৰীকৃষ্ণ প্ৰিন্টিং প্ৰেছৰ (বকো) স্বত্বাধিকাৰী শ্ৰীযুত অচ্যুতকান্ত অধিকাৰীদেৱ তথা প্ৰেছৰ সমূহ কৰ্মীবৃন্দলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

সদৌশেষত মোৰ জ্ঞাতে-অজ্ঞাতে হৈ যোৱা সমূহ ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি আৰু বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতিৰ লগতে মহাবিদ্যালয়ৰ মুখপত্ৰখনিৰ শ্ৰীবৃদ্ধি কামনা কৰি সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ইতি—

ধন্যবাদেৰে—

**ৰুহুল আমিন**

**আলোচনী সম্পাদক,**

**বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়।**

*প্ৰবন্ধ*

# অসমীয়া বিভাগ

"সাহিত্যৰ ক্ষেত্ৰত সমালোচনা শব্দই কোনো মৌলিক ৰচনাৰ ব্যাখ্যা আৰু সেই ৰচনাৰ ওপৰত দিয়া সমালোচকৰ মন্তব্য এই দুয়োটা কথাকেই বুজায়। এই দুটা কথাৰ ভিতৰত এটা পাৰস্পৰিক সম্বন্ধও আছে। কোনো মৌলিক ৰচনাৰ ওপৰত ৰায় দিব লাগিলে প্ৰথমতে সেই ৰচনাৰ সকলো কথা ব্যাখ্যাৰ সহায়ত বুজিব লাগে। ৰচনাৰ সকলো অংশ পুঙ্খানুপুঙ্খৰূপে আলোচনা কৰি বুজি লব নোৱাৰিলে তাৰ ওপৰত মন্তব্য দিয়া অসম্ভব।"

— ত্ৰৈলোক্য গোস্বামী।

# সূচীপত্ৰ


গোৱালপৰীয়া লোক-গীত ॥ ১ ॥

ৰঘুনাথ চৌধাৰীৰ কাব্য প্ৰতিভা ॥ ৫ ॥

ছাত্ৰৰ দৃষ্টিত-আদৰ্শ শিক্ষক ॥ ১০ ।


মহানন্দ মেধি।

দীপ্তিৰেখা পাঠক।

মীৰ্জা মান্নাফ্।

# গোৱালপৰীয়া লোক-গীত

মহানন্দ মেধি,
স্নাতক মহলা।

ডঃ বাণীকান্ত কাকতিয়ে অসমীয়া কথিত ভাষাক উজনি অসমৰ ভাষা আৰু নামনি অসমৰ ভাষা—এই দুটা ভাগত ভগাইছে। তেওঁৰ মতে ধুবুৰীৰ পৰা গুৱাহাটিলৈ থকা কথিত ভাষাটোৰ নাম কামৰূপী উপভাষা। কিন্তু প্ৰকৃততে গোৱাল-পাৰাৰ কথিত ভাষাৰ, কামৰূপী ভাষাৰ লগত যথেষ্ট পাৰ্থক্য আছে। গোৱালপৰীয়া ভাষাৰ নিজস্ব বৈশিষ্ট্য আছে। কামৰূপী উপভাষা আৰু ৰাজবংশী ভাষাৰ সমিল মিলত গঢ়ি উঠা গোৱাল-পৰীয়া ভাষা এটি সুকীয়া উপভাষা। এই ভাষাত ৰাভা, বড়ো, গাৰো, লালুং, হাজং আদি জনজাতীয় ভাষা আৰু কিছু পৰিমাণে বঙলা ভাষাৰো প্ৰভাৱ পৰিছে। তথাপিতো গোৱালপৰীয়া উপভাষা, অসমীয়া ভাষাৰেই অন্তৰ্গত।

অতীজৰে পৰাই গোৱালপাৰা জিলাই অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰত আগভাগ লৈ আহিছে। ইয়াত প্ৰচলিত লোক-গীতবোৰে তাকেই সূচায়। অসমৰ লোক-গীতসমূহক সাংগীতিক দিশৰ পৰা কোমল গান্ধাৰ আৰু শুদ্ধ গান্ধাৰ---এই দুটা মুখ্য ভাগত ভগাব পাৰি। শুদ্ধ গান্ধৰৰ শ্ৰেণীত পৰে গোৱাল-পৰীয়া লোকগীত, কামৰূপী লোক-গীত, নাওখেলৰ গীত, বিহু-গীত কামৰূপী ওজাপালি, কামৰূপৰ বামবুন পিটা-গীত, বড়ো-গীত, দেহবিচাৰৰ গীত আদি। তাৰ ভিতৰত সবাতোকৈ শুদ্ধ গান্ধাৰৰ অসমীয়া লোক-গীত হ'ল গোৱালপৰীয়া লোক-গীত। তদুপৰি অসমীয়া লোক-গীতবোৰৰ ভিতৰত গোৱালপৰীয়া লোক-গীতেই সবাতোকৈ বেছি জনপ্ৰিয় আৰু পুৰণি। এই লোক-গীতবোৰত গোৱালপাৰাৰ জন-জীৱনৰ এটি সুন্দৰ ছবি প্ৰতিফলিত হয়। এই লোক-গীতবোৰত গোৱালপাৰাৰ বেপাৰী, খৰিকটীয়া, মাছমৰীয়া, গাড়ীয়াল, মৈষাল (ম'হ-ৰখীয়া) মাহুত ( মাউত ) আদি সাধাৰণ মানুহৰ জীৱনৰ কথাই ভৰি আছে। এই লোক-গীতবোৰ গৌৰীপুৰৰ কথিত ভাষাত ৰচিত যদিও, গোৱালপাৰা

জিলাৰ সকলো অঞ্চলতে এইবোৰৰ প্ৰচলন আছে।

গোৱালপৰীয়া লোকগীতবোৰক প্ৰধানকৈ চাৰিভাগত ভগাব পাৰি—(১) দেহতত্ব বা বৈৰাগ ধৰ্মী, (২) নৱন্যাস-গীতি, (৩) ভাৱায়া আৰু (৪) চট্কা।

দেহতত্বৰ গীতবোৰত আধ্যাত্মিকতা আৰু আন তেনে তত্ব কিছুমানৰ অপূৰ্ব সমন্বয় দেখা যায়। এইবোৰ গীত সাধাৰণতে টোকাৰী বজাই বজাই গাৰ্ব্বে-ভুক্তে বৈৰাগী ভকতসকলে গাই গাই জনসমাজত আধ্যাত্মিক জ্ঞান প্ৰচাৰ কৰে। এইবোৰ গীতৰ মাজেৰে এই ভব-সংসাৰৰ প্ৰতি বিৰূপ-ভাৱ প্ৰকাশিত হয়। যেনে :—

একবাৰ হৰিবলো মন ৰসনা।
মানব দেহেৰ গৈৰব কৈৰোনা ॥
মানব দেহা মাটিৰ ভাণ্ড, ভাঙিলে হৈব খণ্ডৰো খণ্ড,
ভাঙিলে দেহা জোৰা নিব না ॥

প্ৰকৃতি লোকগীতৰ বিচিত্ৰ উপাদান। সেয়েহে বোধকৰোঁ নিৰক্ষৰ গাঁৱলীয়া ভাই-বন্ধুসকলে ৰচি যোৱা এইবোৰ গীতক কোনো কোনোৱে প্ৰকৃতিৰ প্ৰতি সজাগী বুলিও বৰ্ণনা কৰিছে। গছ-গছনি, ফল-ফুল, চৰাই-চিৰিকতি আদিৰ লগত নিবিড়তম্ সম্বন্ধ থকা এই লোকগীতবোৰকে নৱন্যাস-গীতি বোলে। যেনেঃ—

গাছেৰ বসন্ত কালেৰে ভৰিয়া উঠে পাতা।
নাৰীৰ বসন্ত কালে হাঁসিয়া কয় কথা॥

ভাৱায়া গীতৰ দীঘলীয়া সুৰ উদাস আৰু করুণ ; প্ৰধানতঃ প্ৰণয়মূলক। এই গীতবোৰত পোৱাৰ বাসনা আৰু নোপোৱাৰ বেদনা ফুটি উঠিছে। বিশেষতঃ নাৰী মনৰ গোপন হতাশা ভাৱ এই গীতবোৰত প্ৰকাশ পায়। যৌৱনৰ উদ্দাম বাসনা, মিলনৰ তীব্ৰ আকাংক্ষা, বিৰহৰ উত্তাপ, প্ৰেমৰ আকুতি আৰু কমোৱা তুলাৰ দৰে উৰি ফুৰা মনৰ সম্যক প্ৰকাশ—এইবোৰ ভাৱায়া গীতত পৰিলক্ষিত হয়। এইবোৰ গীতৰ নায়ক সাধাৰণ ম'হৰখীয়া ( মৈষাল ), গাড়ীচালক ( গাড়ীয়াল ), নাৱৰীয়া (নায়া ), মাউত (মাহুত) আদি আৰু নায়িকা কোনোবা দুৰ্ভগীয়া নাৰী। যেনে :—

(১) মৈষ চাৰান মোৰ মৈষাল বন্ধু
রৌদ্ৰেৰ তাপে ফুৰে।
তোৰ দুখ দেখিয়া আমাৰ বন্ধু
মন তোৰ দিকে ঘূৰে ॥
(২) অৰে ছাৰিয়া নাযাইস অৰে কন্যা
মোৰ বুকে শেল দিয়া।
পাগল গাভে ছাৰিয়া গেইলে
মৰিম বুকে শেল দিয়া ॥
(৩) হস্তী নৰান হস্তী হৰান
হস্তীৰ গলাই দৰি।
অৰে সত্য কৰিয়া কইল্লাম কন্যা
বিয়া নাহি কৰি ॥
(৪) আমাৰ বাৰীতে যাইস মাহুতৰে।
খাইতে দিম চিকণ চিৰা
মাহুতৰে বস্তে দিব পীৰা।
আৰো দিব গোৱালপাৰাৰ টেঙা দৈ
গৌৰীপুৰেৰ মালভোগ কলাৰে ॥

(৫) লামদিনি পাসাচু ৰাস্নাৰি প্রোংয়া ।
নাঙি খুৰাং নাদংবে দেহা গলি বেংয়া
(ৰাভাগীত)

চট্‌কা গীতৰ ভাব আৰু বিষয়বস্তু যেনেকৈ লঘু, তাৰ ছন্দ আৰু সুৰতো পৰম্পৰতা দেখা যায়। এই গীতৰ ভিতৰত একশ্রেণীৰ খুহতীয়া গীত প্রভূতভাবে জনপ্রিয়। মাইকী মানুহৰ মাজত, বিশেষকৈ ইছলাম সমাজৰ বিবাহ উৎসৱত নৃত্যৰ সহযোগত গোৱা এবিধ সৰু সৰু গীতো চট্‌কা গীতৰ ভিতৰত পৰে।

যেনে :—

অ' কন্যা ছাদীত নাই যদি তোৰ বসিবাৰ মন
তবে আমি কি কৰি।
বাইগন গাছে উঠিয়া কন্যা
গলায় নাগান দৰি॥

অসমৰ অন্যান্য ঠাইৰ দৰে গোৱালপাৰাতো বিহুগীত আৰু বনগীতৰ প্রচলন আছে। ৰঙালী বিহুত গোৱালপৰীয়াসকলে গৰুক গা ধুৱাওতে নিজা সুৰত "দীঘলতি দীঘল পাত····" গায়। বিভিন্ন অঞ্চলত আজিকালি বিহুগীতৰ পূর্ণ প্রচলন দেখা যায়। দক্ষিণ গোৱালপাৰাৰ দুধনৈ অঞ্চলত ৰাভা আৰু বড়োসকলে তেওঁলোকৰ নিজা ভাষাৰ উপৰিও অসমীয়াতো গোৱা বিহু-গীতবোৰ অতি জনপ্রিয়। ডুবাপাৰা, অভয়াপুৰী শিমলীতলা আদি অঞ্চল বিহুগীতত বিখ্যাত।

কামৰূপ আৰু দৰঙৰ দৰেই গোৱালপাৰাতো মহোহো বা মহ খেদোৱা উৎসৱ আঘোন মাহত অনুষ্ঠিত হয়। হিন্দুসকলে আঘোনৰ পূর্ণিমাত আৰু মুছলমানসকলে কৃষ্ণপক্ষত বিভিন্ন গীত গাই ঘৰে ঘৰে মহ খেদি ফুৰে। মহোহো গীতৰ উদাহৰণ :——

(১) অ'ৰে গিৰিঘৰীয়া,
আমি আহিছো শিমলীতলীয়া,
শিমলীতলীয়া তেলে,
মমবাতি জ্বলে ——

(২) কাণ কাণ কাণ কুকুৰৰ কাণ,
ছাগল বান্ধা দৰি আন,
ছাগল নিল শিয়ালে,
বুৰি কান্দে বিহানে ——

(৩) কুশল হওক,
আয়ুঃশ্রী হওক,
গোহালীত গৰু হওক,
ভাখৰিত ধান হওক। (আশীর্বাদ)

গোৱালপাৰা জিলাত কমলা কুঁৱৰী, মণিকোঁৱৰ, ফুলকোঁৱৰ আদিৰ গীতো প্রচলিত। উদাহৰণ স্বৰূপে কমলা কুঁৱৰীৰ—

কমলা কুঁৱৰী মোৰ প্রাণেশ্বৰী এ,
পানী কিমানে হ'ল।
মোৰ প্রাণেশ্বৰ ৰাজা এ
পানী খাবে গোঠী হ'ল।

(১) নাওখেলৰ গীত—
ও সাধেৰ কানাই কানাইৰে
পাৰ কৰি দে মথুৰাতে যাই— ।

(২) সনাই যাত্রাৰ গীত :—
মাও বৰ ধনৰে সনাই মাও বৰ ধন।
যাৰ ঘৰে মাও নাই তাৰ জীৱন নিস্ফল ॥

(৩) সোণবায় গীত ( বড়ো ):—

মাঁছা বাজা অকুণায় নঙা

ছৈনা হাগ্রা আৰু অকুণায় নঙা

ডাঙণ তিমন্দা হবখলা।

(৪) নয়নামতীৰ গীত :—

আনেৰ মাও বইন বোলে বেটা ভালে থাওক

তোমাৰ ঘৰেৰে নিৰমি বুড়ি কয় সদায় বৈৰাগ হওক।

(৫) কুশান গীত :—

হৰিশ্চন্দ্ৰ ছাৰি দিলা কন্যা পাঞ্চজন।

হৰিশ্চন্দ্ৰ নিকট মুণি কৰিলা গমণ॥

(৬) ভাসনা যাত্ৰা'ৰ গীত :—

চান্দ বোলে শুন নেংগা আমাৰ উত্তৰ।

সব ভাসাইয়া সেও গুঞ্জৰী সাগৰ॥

(৭) নয়ন শাড়ি গীত :—

যমুনাত নৌকা যায় বলাই মোহন।

বৈঠাত গুঞ্জনি বাজে জুৰায় শ্ৰবন॥

(৮) বিয়া নাম :—

(অসমীয়া) হৰিহে চালবে কোমোৰা, বৰ:টা ধুমুৰা,
কইনাটো আকাশৰ তৰা বাপু ৰামেশ্বৰ,
কথা ল কানকৰ —।

( বঙলা ) কন্যাৰ মাওৰে ভাল নাচন নাচেৰে।
ভৰা সমাজে দিলুং বল্লা ছাড়িয়াৰে॥

(৯) আইনাম :—

নাম ধৰে নামতী

নামত কোন হেলা।

উঠিয়া উঠিয়া কোমৰ বান্ধে

প্ৰসাদ খাবাৰ বেলা॥

(১০) হাউখেলৰ গীত :—

ঔ তলে নাযাবি ঔ সৰিব,

ছাৱাছলিক নোজোকাবি
জেঙা লাগিব —।

গোৱালপৰীয়া লোকগীতৰ বিষয়ে ইমান ক্ষুদ্ৰ পৰিসৰৰ প্ৰবন্ধ এটাতে বিস্তৃত আলোচনা সম্ভৱ নহয়। ইয়াৰ বাবে বহল আলোচনা আৰু গৱেষণাৰ প্ৰয়োজন। এই বিষয়ত ডঃ বীৰেন্দ্ৰ নাথ দত্তৰ গোৱালপৰীয়া ভাষা-সংস্কৃতিক পোহৰলৈ অনাৰ প্ৰচেষ্টা শলাগিবলগীয়া। উজনিৰ বহুত মানুহৰ আজিও ধাৰণা, গোৱালপৰীয়া লোকগীত অসমীয়া নহয়, অসমৰ বাহিৰৰ বিশেষকৈ বংগদেশৰ কথা যেনিবা নকলোঁৱেই।

আশা ৰাখিছোঁ, অদূৰ ভৱিষ্যতে স্থানীয় গোৱালপৰীয়া তথা অসমৰ অন্যান্য ঠাইৰ বিদ্বান পণ্ডিতসকলে গোৱালপৰীয়া লোকগীতৰ বিষয়ে অধ্যয়ন তথা গবেষণা কৰিবলৈ আগবাঢ়ি আহিব, গোৱালপৰীয়া লোকগীতে চিৰদিনেই অসমীয়া সংস্কৃতিৰ বেদীলৈ পুষ্পাঞ্জলি দি থকাৰ সুবিধা পাব। *

* ১৯৭৮-৭৯ চনৰ "মহাবিদ্যালয় সপ্তাহ"ৰ সাহিত্য প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত প্ৰবন্ধ।

# ৰঘুনাথ চৌধাৰীৰ
## কাব্য-প্ৰতিভা

দীপ্তিৰেখা পাঠক
স্নাতক মহলা

বৰ্তমান শতিকাৰ ঘাইকৈ দ্বিতীয় আৰু তৃতীয় দশকত নিজ প্ৰতিভাৰ জৰিয়তে যি কেইজন প্ৰথিতযশা কবিয়ে অসমীয়া সাহিত্য কানন সমৃদ্ধ কৰিছিল, সেই সকলৰ ভিতৰত কবি ৰঘুনাথ চৌধাৰী নিঃসন্দেহে অন্যতম। তেখেত আমাৰ মাজত বিহগী কবি বুলিয়েই পৰিচিত। এতিয়াৰ পৰা এশ বছৰ আগতে কামৰূপ জিলাৰ উত্তৰ পাৰে হাজোৰ পৰা ১২ মাইল আঁতৰৰ বৰলীয়া নৈ আৰু ব্ৰহ্মপুত্ৰৰ সংগম স্থলত অৱস্থিত নাওপাৰা গাৱঁত তেখেতৰ জন্ম হয়। (১৮০০ শকঁৰ ৬ মাঘ বৃহস্পতিবাৰ)।

আধুনিক শিক্ষাৰ বদকাঁচলিত শিক্ষা লাভ কৰিব নোৱাৰিলেও নিজ প্ৰতিভাৰ জৰিয়তে তেওঁ যি সাহিত্যৰ সৃষ্টি কৰিলে সেই সাহিত্যৰ আদৰ চিৰদিন অসমীয়া সমাজত থাকিব। প্ৰকৃতিৰ অভূতপূৰ্ব বিচিত্ৰতা প্ৰকাশৰ মাজেৰে বিকশিত হৈছে তেওঁৰ কাব্যিক প্ৰতিভা। সৃষ্টিৰ পাতনিৰে পৰা কল্পনাপ্ৰিয় সৌন্দৰ্যপিপাসু কবিসকলক প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যই মুগ্ধ কৰিছে। কবি চৌধাৰীৰ কবিতাতো প্ৰকৃতিৰ যশগান কৰা হৈছে। তেখেতক ইংৰাজ কবি 'ৱৰ্ডচ্ৱৰ্থ'ৰ লগত তুলনা কৰিব পাৰি। অৱশ্যে এই ক্ষেত্ৰত এটা কথা সত্য যে তেখেতৰ কবিতাত ৱৰ্ডচ্ৱৰ্থৰ' প্ৰভাৱ প্ৰত্যক্ষভাৱে পৰা নাই। মহাকবি কালিদাসৰ হাতত প্ৰকৃতি বৰ্ণনাই যি শ্ৰেষ্ঠ স্থান লাভ কৰিছিল তাৰ প্ৰভাৱহে তেখেতৰ কবিতাত সুস্পষ্টভাৱে দেখা যায়। তেখেতে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰ বুকুত যি আনন্দৰ সম্ভাৰ বিচাৰি উলিয়ালে তাৰ প্ৰেৰণা চাগে' এটি তীব্ৰ বেদনাবোধ। 'দৰিদ্ৰৰ লাওলোটা ভিক্ষাৰ সঁজুলি' কৰি লোৱা কবিৰ জীৱনৰ ব্যৰ্থতা অন্তৰ প্ৰৰশাকৈ ফুটি ওলাইছে 'ফুলশয্যা' কবিতাত। অকল বৰ্ণনাৰ ওপৰতে তেওঁৰ কৰিতা নিৰ্ভৰ নকৰে, তেওঁ যে এজন শ্ৰেষ্ঠ গীতিকবি তাৰ প্ৰমাণ এই কবিতাটোত পোৱা যায়।

"কোন কাহানিয়ে তুমি হৰি নিছা মোৰ
প্ৰীতিভৰা প্ৰণয়ৰ লাৰু
অন্তৰ্দাহী ৰাৱণৰ চিতা জুইকুৰা
কোনদিনা নুমাবনো বাৰু ?
('ফুলশয্যা')

মানৱ সমাজ আৰু প্ৰকৃতি জগতৰ মাজত যি বৈষম্য আছে সেই বৈষম্যও তেখেতৰ কবিতাত সুন্দৰভাৱে প্ৰকটিত হৈছে। তেখেতে কেতিয়াবা তুলনা কৰিছে প্ৰকৃতিৰ সনাতন ৰূপক মানৱ সমাজৰ ক্ষণভঙ্গুৰ ৰূপৰ লগত, কেতিয়াবা দেখুৱাইছে প্ৰকৃতিৰ কোনো এটা ঘটনাৰ তুলনাত মানৱ জীৱনৰ কোনো এটা ঘটনাৰ মূল্য কিমান কম!

'কত যুগ মাৰ গ'ল কালৰ সোঁতত
আজিও বশিষ্ঠাশ্ৰম আছে একেভাৱে।'
('বশিষ্ঠাশ্ৰম')

চৰাইক কেন্দ্ৰ কৰি তেখেতে কেবাটও কবিতা লিখিছে। অসমীয়া সাহিত্যত ঘাইকৈ চৰাইক কেন্দ্ৰ কৰি কবিতা তেওঁৱেই লিখিছিল। তেওঁৰ লিখনিৰ পৰশত সৰ্বসাধাৰণৰ মাজত অপৰিচিত চৰাই "দহিকতৰা"ই অপৰূপ ৰূপ পাইছে। ইয়াৰ মাজতেই তেখেতৰ সূক্ষ্ম শক্তিৰ পৰিচয় পোৱা যায়। মানুহৰ দৃষ্টিৰ আঁৰত থকা এই চৰাইটোৰ মাতত প্ৰকৃতি ৰাজ্যত কি কি পৰিবৰ্তন হ'ল তাৰেই বাঙ্ময় প্ৰকাশ-কবিতাটোৰ মাজত দেখা যায়। এই কবিতাটোত প্ৰেমৰ উচ্ছ্বাস আছে যদিও তাত সংযমৰ অভাৱ হোৱা নাই। "কেতেকী" তেখেতৰ আন এটা উল্লেখযোগ্য চৰাই কবিতা। এই কবিতাটোত যৌৱনৰ মাদকতা আৰু উজ্জ্বল ৰঙৰ বৰ্ণনাই প্ৰাধান্য লাভ কৰিছে। কেতেকীৰ আগমনত যি স্বৰ্গীয় তৰংগই বিশ্ব জগত তৰংগিত কৰিছে তাৰ পুলক কবিয়েও অনুভৱ কৰিছে। যদিও তেখেতৰ "দহিকতৰা" আৰু "কেতেকী" দুটা বেলেগ চৰাই কবিতা তথাপিও এই দুয়োটাৰ মাজত দাৰ্শনিক তত্বৰ বিশেষ পাৰ্থক্য নাই। "মৰমৰ পখী", "কেতেকী", "দহিকতৰা" আদি কবিতাত চৰাই গীতৰ তত্বৰ আভাস পালেও ইয়াৰ স্পষ্ট ৰূপ পোৱা যায় "গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী' কবিতাত। "কেতেকী" কবিতাত বিহগী তত্বৰ যি কাহিনী কাহিনী পোহৰ দেখিবলৈ পোৱা যায় প্ৰিয় 'বিহঙ্গিনী কবিতাত দি ৰাতিপুৱাৰ ৰক্তিম আভাৰে ৰূপায়িত হৈছে।

"ফুল"ৰ বৰ্ণনাতো তেখেতৰ অপূৰ্ব কবিত্ব শক্তি প্ৰকাশ পাইছে। তেওঁৰ বৰ্ণনাত ফুলে অকল সৌন্দৰ্যৰ আলোড়নেই তোলা নাই ই মানৱ হৃদয়ত কামনাৰ জুয়ো জ্বলায়। বিলৰ বুকুত শোভা কৰি ফুলি থকা "ভেঁটকলি" ফুলপাহে যিদৰে তেওঁৰ মানস পটত সৌন্দৰ্যৰ পোহাৰ মেলিছিল ঠিক তেনেদৰে "গিৰিমল্লিকা"য়ো প্ৰকৃতিৰ বুকুত সৃষ্টি কৰিছিল অপূৰ্ব সৌন্দৰ্য। কবিৰ যৌৱন কালত মণিকৰ্ণেশ্বৰ পাহাৰৰ দৃশ্যাৱলীয়ে তেওঁক যি তৃপ্তি দিছিল তাৰ ওপৰত ভেটি কৰি এই কবিতাটো লিখা হৈছে। "গিৰিমল্লিকাৰ অনুপম বৰ্ণনা কল্পনা কৰি সকলোৱে তৃপ্তি পাওঁ -

"যেতিয়া জোনালী নিশা মধু পুণিমাৰ
হয় সুধা ধৱলিত নীলিম আকাশ
সপ্তস্বৰে সমকণ্ঠে কেতেকী অপ্সৰী
চালি দিয়ে ক্ষীৰ ধাৰা। ৰস ভঙ্গিমাত
ভৰি উঠে যেন তৱ পল্লৱিত বুকু ।"
('গিৰিমল্লিকা')

"গোলাপ" ফুলৰ বিষয়ে লিখা কবিতা সমূহৰ ভিতৰত এটা শ্ৰেষ্ঠ কবিতা। সৰ্বসাধাৰণৰ মনত আনন্দৰ পৰশ দিয়া 'গোলাপ' ফুলপাহেই কবিৰ কল্পনা আৰু বৰ্ণনাৰ প্ৰভাৱত এক মনোমোহা ৰূপ ধাৰণ কৰিছে। শ্যামলী পাতৰ ওৰণি গুচাই ভুবন ভুলোৱা হাঁহি মৰা গোলাপক তেখেতে এগৰাকী সুন্দৰী ছোৱালীৰ লগত তুলনা কৰিছে। "গিৰিমল্লিকা"ৰ দৰে "গোলাপ" কবিতাটো তেখেতৰ কল্পনা আৰু বৰ্ণনাই সুদূৰ অতীতলৈ উৰা মাৰিছে—

"তোৰ ই ৰূপত জগত বিভোল
ঢালিলি প্ৰেমৰ বিমল ধাৰা
দিল্লীৰ বেগম নুৰজাহানৰ
আছিলিনে তয়ে দিলবাহাৰা ?"
('গোলাপ')

পৃথিবীৰ সকলো বোৰ শ্ৰেষ্ঠ সাহিত্যিকৰ ৰচনাত তেওঁৰ দেশৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক, ধাৰ্মিক—এই আদৰ্শবোৰৰ চিত্ৰ ফুটি উঠা দেখা যায়। ৰঘুনাথ চৌধাৰীও ইয়াৰ ব্যতিক্ৰম নহয়। "বহাগীৰ বিয়া" নামৰ কবিতাটোত তেওঁ যিদৰে বসন্ত কালৰ বৰ্ণনা অতি মনোমহা ৰূপত দিছে ঠিক তেনেদৰে এই কবিতাটিত অসমীয়া সমাজত প্ৰচলিত বিয়া এখনেও পূৰ্ণাংগ ৰূপ পাইছে। 'বহাগী' যেন এগৰাগী অসমীয়া গাভৰু। বিয়া এখনত মানুহৰ যিদৰে আনন্দ হয় ঠিক তেনেদৰে 'বহাগীৰ বিয়া'তো জড় জগত, জীৱজগত সকলো ঠাইতেই আনন্দই নধৰা হৈছে। বহাগীৰ বিয়াৰ বতৰা পাই শিমলু পলাশ, অশোক, মদাৰ, কামিনীকাঞ্চন, চম্পা, নাহৰ আদি ফুলে পুনৰ সাজ-পাৰ আঁতৰাই নতুন সাজেৰে সাজিকাচি ওলাই আহিছে। বসন্ত কালক দৰা ৰূপত অংকন কৰিছে। দৰা অহাৰ পিছত কইনাঘৰত যি উৰুলি গীত গোৱা হয় আৰু মংগল বাদ্য বজোৱা হয় তাৰ বৰ্ণনা দিবলৈও তেখেতে পাহৰি যোৱা নাই।

'মাৰিলেহি মেঘে ঢোলত চাপৰ
জিলিয়ে বজায় কালি
টুনী বুলবুলি নাচে ছেৱে ছেৱে
হেটুলুকা ওজাপালি।"
['বহাগীৰ বিয়া']

মুঠৰ ওপৰত বিয়াখনৰ বৰ্ণনাৰ পৰা যদি চৰাই-চিৰিকটি আৰু গছ-লতাবোৰৰ নাম পৰিহাৰ কৰা হয় তেন্তে আমি দেখিবলৈ পাম এইখন এখন সম্পূৰ্ণৰূপে অসমীয়া সমাজৰ প্ৰচলিত বিয়া। তেখেতৰ সাহিত্যিক প্ৰতিষ্ঠা "সাদৰী" "কেতেকী" আৰু "দহিকতৰা"- এই তিনিওখন পুথিতেই অসমীয়া জীৱনৰ চিত্ৰ প্ৰতিফলিত হৈছে। তেখেতৰ গদ্যপুথি "নৱমল্লিকা"ৰ কেইবাখনো ৰচনাত অসমীয়া গাঁৱলীয়া জীৱনৰ চিত্ৰ ফুটি উঠিছে। তেখেতৰ "ছায়াচিত্ৰ" কবিতাটি ভাবৰ ফালৰ

পৰা ইংৰাজী কবিতা "The Sands of the Dee"ৰ লগত বহুত পৰিমাণে সাদৃশ্য থাকিলেও কাষত কলহ লৈ নৈৰ পানী তুলিবলৈ যোৱা ৰূপহী, গাভৰু গৰাকীৰ চিত্ৰখন নিখুঁট অসমীয়া কৰি আঁকিছে।

চৌধাৰীদেৱৰ কবিতাত বৈৰাগ্য ভাবো ফুটি উঠিছে। এই ভাব "ফুলশয্যা", "প্ৰতিধ্বনি" "পুঁৰতি তৰা" আদি কবিতাত প্ৰকাশ পাইছে। চন্দ্ৰকুমাৰ আগৰৱালাৰ "বীণ বৰাগী"ত মানৱ হৃদয়ৰ যি বৰাগী-বেশ, অংকন কৰা হৈছে সেয়া চৌধাৰীৰ "সাদৰী"তো প্ৰতিবিম্বিত হৈছে। তেখেতৰ কবিতাত অসমীয়া নৈসৰ্গিক জীৱনৰ পূৰ্ণপয়োভৰ দেখা যায়।

"কাৰবালা" কবি চৌধাৰীদেৱৰ অইন এখন উল্লেখযোগ্য কবিতা পুথি। 'কাৰবালা' পাঁচে টা সৰ্গত বিভক্ত এখন অমিত্ৰাক্ষৰ ছন্দত ৰচনা কৰা কবিতা পুথি। এই পাঁচটা সৰ্গ হৈছে (১) প্ৰাকৃতিক সৌন্দৰ্য (২) হাচান বধ (৩) যুদ্ধ ক্ষেত্ৰ (৪) কাছেম ছখিনা আৰু (৫) হুচেন বধ। মহৰমৰ, করুণ কাহিনী এটিক লৈ কবিতাটি ৰচনা কৰা হৈছে। বিষয় বস্তুৰ ক্ষেত্ৰত কোনো নতুনত্ব নহলেও এই কাহিনীটোকে সজাই পৰাই তেখেতে যি ৰূপ দান কৰিছে সেয়া সচাঁকৈয়ে প্ৰশংসনীয়। অনুভূতিৰ গভীৰতাৰ প্ৰভাৱ এই কাব্যত দেখা যায়।

বিহগী কবি ৰঘুনাথ চৌধাৰীৰ একমাত্ৰ গদ্য পুথিৰ সংকলন হ'ল "নৱমল্লিকা"। "নৱমল্লিকা" অসমীয়া সাহিত্যলৈ তেখেতৰ এক অভূতপূৰ্ব অৱদান কিছুমান প্ৰতীকৰ জৰিয়তে ইয়াত এটা একোটি চিত্ৰ অংকন কৰি অইন এক ইংগিত দিয়া হৈছে। ৰুছিয়াৰ বিখ্যাত সাহিত্যিক "আই-ভান টুৰ্গেনিভ"ৰ কাপৰ পৰশত যি কথা-কবিতাৰ সৃষ্টি হৈছিল সেই কথা কবিতাক পোন প্ৰথমে অসমীয়া সাহিত্য কাননলৈ আদৰি আনে বনফুলৰ চিৰসেউজীয়া ৰোমাণ্টিক কবি যতীন্দ্ৰ নাথ দুৱৰা দেৱে। এই কথা-কবিতাই পূৰ্ণ বিকাশ লাভ কৰে বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱৰ হাতত। "নৱমল্লিকা" তেখেতৰ এক উৎকৃষ্ট কথা-কবিতাৰ সংকলন। ইয়াত নটা (৯ টা) কথা-কবিতা সন্নিৱিষ্ট কৰা হৈছে। এই কথা কবিতা কেইটাত হাস্য ৰস আৰু করুণ ৰস উভয়ৰে চিটিকনি পৰিছে। "গছা আৰু চাকি" আৰু "খদা আৰু জাপি"য়েই এই কিতাপখনিৰ সৰ্বোৎকৃষ্ট ৰচনা।

ৰচনা ৰীতিৰ ফালৰ পৰা চাবলৈ গলে তেখেতৰ ৰচনাত সাধাৰণ বস্তু এটাও অসাধাৰণ হৈ উঠে। তেখেতৰ লিপিকাৰ বুলনিত জন্তুৱেও মানুহৰ দৰে কথা কয়, নিষ্প্ৰাণ বস্তুবোৰো প্ৰাণৱন্ত হৈ পৰে। সহজ সৰল ভাষা আৰু সাৱলীল প্ৰকাশভংগীয়ে এহাতে যিদৰে তেখেতৰ কাব্যক প্ৰাঞ্জলতা দান কৰিছে ঠিক তেনেদৰে পাঠকৰো মনোযোগ আকৰ্ষণ কৰিব পাৰিছে। অসমীয়া ফকৰা-যোজনা বা জতুৱা ঠাঁচৰ বহল প্ৰয়োগ তেখেতৰ ৰচনাত পোৱা যায়। উদাহৰণ স্বৰূপে তেখেতৰ "নৱমল্লিকা"ৰ অন্তৰ্গত "খদা আৰু জাপি"ত উগ্ৰ স্বভাৱৰ জাপিয়ে খদাক তাইৰ গাৰ গোন্ধৰ বাবে থাকিব নোৱাৰা বুলি হাহি

তাইক আঁতৰি যাবলৈ কওঁতে, খদাই ধীৰে ধীৰে উত্তৰ দিয়ে—'ভনীটী! তুমিতো মোক উধাই মুধাই যিহকে পোৱা তিহকে বলকি বলিয়ালি কৰিলা — — আমি দুয়ো একে বংশৰ। এটা বাঁহৰ এফালৰ তুমি এফালৰ মই। মহন্ত বাপুৰে ঘৰুৱা কামৰ ব্যৱহাৰৰ কাৰণে দুয়োকে বেলেগ বেলগ সাজি লৈছে। — — ওবাক নিন্দে কোৱাই, পুঠিখলিহনাক নিন্দে ভেৰপেটী মোৱাই।"

অসমীয়া সাহিত্যত নতুন সম্ভাৱনাৰে ন-ন সাহিত্য উপচাৰ লৈ অহা "জোনাকী যুগ" ত তেখেতৰ কাব্যিক প্ৰতিভা বিকশিত হয়। এই সময়ছোৱা অসমীয়া সাহিত্যৰ বাবে এক আপুৰুগীয়া সময়। এই সময়তে "নৱন্যাস" বা "ৰমন্যাসবাদ" অসমীয়া সাহিত্যলৈ পোন প্ৰথমবাৰৰ বাবে আহিছিল। অৱশ্যে এইখিনিতে এটা কথা উল্লেখযোগ্য যে পাশ্চাত্য সাহিত্যত অষ্টাদশ শতিকাৰ কবিতা আৰু উনবিংশ শতিকাৰ 'নৱন্যাস'ৰ প্ৰভাৱত পৰি ৰচিত হোৱা কবিতাবোৰৰ মাজত যি মৌলিক পাৰ্থক্য দেখা পোৱা যায় সেই মৌলিক পাৰ্থক্য অসমীয়া সাহিত্য জগতত দেখা পোৱা নেযায়। তেওঁলোকৰ কবিতাবোৰৰ মাজতো বৈষ্ণৱ আদৰ্শ বিদ্যমান। প্ৰাচীন ঐতিহ্য বা পৰম্পৰাৰ গণ্ডীৰ পৰা তেওঁলোক আঁতৰি যোৱা নাই। বৰঞ্চ সেইবোৰকে তেওঁলোকে ন-ন ৰূপত সজাই পৰাই নতুন ৰূপ দিছে। ইয়াৰ মাজতে তেওঁলোকৰ কৃতিত্ব আৰু নিপুণতাৰ প্ৰমাণ পোৱা যায়।

"কুছো" আৰু "ৱৰ্ডছৱৰ্থৰ" প্ৰকৃতি প্ৰীতি যিদৰে ৰোমান্তিক কবিতাৰ এক বিশিষ্ট অংগ স্বৰূপে পৰিগণিত ঠিক তেনেদৰে চৌধাৰীদেৱৰ কবিতাতো কবিৰ প্ৰকৃতিৰ প্ৰতি গভীৰ আৰু নিবিড় আত্মীয়তাৰ ভাব পৰিস্ফুট হৈ উঠিছে। চিৰকুমাৰ কবিয়ে প্ৰকৃতিৰ ৰেহৰূপ বৰ্ণনাৰ মাজতে 'কায়াসুখ' অনুভৱ কৰিছে। প্ৰকৃতিকেই তেখেতে নিজৰ প্ৰেমিকা কৰি লৈছে। চিৰকুমাৰ কবিয়ে লোক সমাজৰ মাজত থাকি প্ৰকৃতি জগতৰ যি চিত্ৰ দাঙি ধৰিছে সেয়া সঁচাকৈয়ে অবিস্মৰণীয়। তেখেতৰ কবিতাত প্ৰকৃতি জগতৰ শান্ত ৰূপটোহে বৰ্ণনা কৰা হৈছে। প্ৰকৃতিৰ ৰুদ্ৰ আৰু ধ্বংসকাৰী ৰূপটোৰ প্ৰতি তেওঁ আকৃষ্ট নহয়, সেয়ে এই ৰূপৰ বৰ্ণনা তেওঁৰ কবিতাত দেখা পোৱা নেযায়। বাস্তৱৰ কঠোৰ নিষ্পেষণ আৰু সংঘাতে তেখেতৰ জীৱন বেদনাপ্লুত কৰি তুলিছে আৰু ইয়েই তেওঁৰ জীৱনৰ সততে অনিৰ্ব্বাপিত "অন্তৰ্দাহী ৰাৱণৰ চিতাজুই" জ্বলাই তুলিছে।

ৰচনা প্ৰকাশভংগী আদিৰ বাবে বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱে এতিয়ালৈকে একক আৰু উচ্চ স্থান অধিকাৰ কৰি আছে। অসমীয়া কাব্য জগতলৈ তেওঁ যি দান বৰঙণি দি গৈছে তাৰ মূল্যাংকণ কৰা সহজ নহয়। জীৱনত নোপোৱাখিনি কবিতাত পূৰণ কৰিবৰ বাবেই তেখেতে এখন নতুন কল্পনা ৰাজ্যৰ সৃষ্টি কৰিছিল। অৱশ্যে কল্পনাৰে তেখেতে যিমান দূৰলৈকে নেযাওক কিয় সেই কল্পনা কিন্তু বাস্তৱ বিবৰ্জ্জিত নহয়। তেখেতে তৎসম শব্দৰ লগত অসমীয়া ঘৰুৱা শব্দৰ সংমিশ্ৰণ ঘটাই তাত এক নতুন মাধুৰ্য দান কৰিছিল।

শেষত কব পাৰি যে উনবিংশ শতিকাৰ শেষ ভাগত আৰু বিংশ শতিকাৰ প্ৰথম ভাগত অসমীয়া কাব্য জগতত যি এক নৱজাগৰণৰ সৃষ্টি হৈছিল তাত তেওঁৰ ৰচনাশৈলীৰ নিসন্দেহে এক বিশিষ্ট অৱদান আছে। তেওঁৰ অমৰ সাহিত্যৰাজিয়ে অসমীয়া সাহিত্যত চিৰদিন উজ্জ্বল নক্ষত্ৰৰ দৰে জিলিকি থাকিব।

—●—

# ছাত্ৰৰ দৃষ্টিত — আদৰ্শ শিক্ষক

মীৰ্জা মালাক
প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী।

শিক্ষকে নিজৰ জ্ঞান আৰু পঞ্জীভূত অভিজ্ঞতা ৰাজিৰ দ্বাৰা শিকাৰুৰ শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক বৃত্তিবোৰৰ পূৰ্ণ বিকাশৰ কাৰণে কৰা প্ৰচেষ্টাকে শিক্ষাদান ক'ব পাৰি। এই শিক্ষাদান কাৰ্য সম্পন্ন কৰিবৰ কাৰণে শিক্ষকে কি কি ব্যৱস্থা হাতত ল'ব এই সকলোবোৰৰ জ্ঞান অৰ্জন কৰি অধ্যয়ন পুষ্ট বিষয় জ্ঞান আৰু অভিজ্ঞতাৰে শিক্ষকে শিক্ষাৰ্থীসকলক পূৰ্ণ বিকাশৰ পথত আগুৱাই নিবলৈ যত্ন কৰিব লাগে। শিক্ষাৰ উদ্দেশ্য সাধন কৰি শিক্ষাৰ লক্ষ্যত উপনীত হবলৈ শিকাৰুসকলৰ মাজত কৰা কাৰ্যৱলীয়ে হৈছে শিক্ষাদান। এই শিক্ষাদান কাৰ্যৰ লগত ছাত্ৰ, শিক্ষক আৰু বিষয় নিবিড়ভাৱে জড়িত হৈ আছে।

শিক্ষাদান এটা জটিল কাম। স্কুল-কলেজত পঢ়ি জ্ঞান অৰ্জন কৰিলেই শিক্ষকতা কৰিব পৰা নাযায়। কাৰণ এই শিক্ষাদান কাৰ্যৰ কিছুমান বিধিবদ্ধ প্ৰণালী আছে। এইবোৰ প্ৰণালীত শিক্ষকে দক্ষতা অৰ্জন কৰিব লাগিব। তাকে নকৰি শিক্ষাদান কাৰ্যত আগবাঢ়িলে তেওঁৰ আয়ত্তাধীন শিক্ষা ছাত্ৰৰ মনত সঞ্চাৰিত কৰিব নোৱাৰিব। ডাক্তৰে ডাক্তৰী শাস্ত্ৰ, প্ৰকৌশলীয়ে প্ৰকৌশল শাস্ত্ৰ নিখুঁতকৈ জানিলেই ভাল ডাক্তৰ বা প্ৰকৌশলী হব পাৰে। সেই হিচাবে একমাত্ৰ নিৰ্দিষ্ট মানৰ শিক্ষা লাভ কৰিয়েই মানুহে শিক্ষাদানৰ বাবে উপযুক্ত নহ'বও পাৰে। কিয়নো ইয়াৰ উপৰিও তেওঁ শিক্ষাদান বিষয়ক জ্ঞান লাভ কৰিব লাগিব আৰু তেতিয়াহে সুশিক্ষক হ'বলৈ উপযুক্ত হব। আদৰ্শ শিক্ষক হোৱাটো আৰু ডাঙৰ কথা। কাৰণ আদৰ্শ শিক্ষক হবলৈ শিক্ষাদানৰ বাবে উপযুক্ত হোৱাৰ পাছতো কিছুমান বিশেষ বিশেষ গুণৰ অধিকাৰী হব লাগিব। তলত এই গুণাৱলীৰ সৈতে শিক্ষকৰ কৰ্তব্য বা অকৰ্তব্য সম্পৰ্কে চমু আলোচনা কৰা হ'ল।

শিক্ষকতাৰ প্ৰতি অনুৰাগ :—যাৰ যি কামত ৰাপ নাই তাত তেওঁ পাৰ্গতালি দেখুৱাব নোৱাৰে। যি কামৰ প্ৰতি মানুহৰ অনুৰাগ জন্মে, স্পৃহা হয় সেই কামতহে তেওঁৰ নিপুণতা ফুটি উঠে। শিক্ষকতা এটা টান কাম। কাজেই এই কামত উৎসাহ-উদ্দীপনা আৰু আন্তৰিকতা থাকিব লাগিব। জীৱিকা উপাৰ্জনৰ লগতে যিজন শিক্ষকে শিক্ষকতা-কেই নিজৰ ব্ৰত বুলি ভাবিব তেওঁহে আদৰ্শ শিক্ষকৰূপে পৰিচিত হব পাৰিব। শিক্ষকে ভুল শিক্ষা দিলে বা পালমৰা বিধৰ কাম কৰি দিন পাৰ কৰিলে তাৰ কুফলে সমস্ত জাতিটোক ক্ষতিগ্ৰস্ত কৰিব পাৰে। এজন ডাক্তৰে ভুল কৰিলে এজন ৰোগীৰহে জীৱন বিপন্ন হয়। কিন্তু এজন শিক্ষকে ভুল কৰিলে শ-শ ছাত্ৰৰ জীৱন বিপন্ন হ'ব পাৰে। গতিকে দেশৰ আৰু নিজৰ মংগলৰ কাৰণে কৰ্তব্যলৈ আগ্ৰহ আৰু অনুৰাগ থকা শিক্ষক মাত্ৰৰে কৰ্তব্য।

জ্ঞানৰ প্ৰতি স্পৃহা :-'শিক্ষাৰ ধাৰা নদীৰ সোঁতৰ দৰে' - ইউৰোপৰ এই প্ৰবাদটোৰ দৰে ক'ব পাৰি যে বোৱতী নদীৰ নিৰ্মল পানীৰ দৰে জ্ঞান সন্ধানী হৈ বিদ্যা চৰ্চাত লাগি থকা শিক্ষকৰ শিক্ষাও নিৰ্মল আৰু কাৰ্যকৰী হৈ থাকে। যেতিয়া শিক্ষকে নিজৰ শিক্ষা-চৰ্চা এৰি দিয়ে, তেতিয়াই বন্ধ পানী বিকৃত হোৱাৰ দৰে তেওঁৰ শিক্ষাও নিজীৱ আৰু দূষিত হৈ পৰে।

জ্ঞানৰ দৃঢ়তা ঃ—শিক্ষণীয় বিষয় নিভুলভাৱে আয়ত্ত কৰি নল'লে শিক্ষকে দৃঢ়তাৰে শিক্ষদান কৰিব নোৱাৰে। সন্দেহযুক্ত শিক্ষাই ছাত্ৰৰ মনত সাঁচ বহুৱাবলৈ অসমৰ্থ হয় ; আনকি তাৰ ফলত শিক্ষণীয় বিষয়ৰ প্ৰতি ছাত্ৰৰ শ্ৰদ্ধাও কমি আহে। সেয়ে শিক্ষকৰ লব্ধজ্ঞান শুদ্ধ আৰু সুদৃঢ় হব লাগে।

শাৰীৰিক আৰু মানসিক আৱশ্যকতা :—বিকলাঙ্গ লোক শিক্ষকতাৰ কাৰণে যথোপযুক্ত নহয় ; কিয়নো শিক্ষকৰ বিকৃত অংগ-গঠনে ছাত্ৰ-ছাত্ৰীৰ মন কেতিয়াবা কেতিয়াবা পাঠৰ পৰা

আঁতৰাই নৈ যায়। স্বাস্থ্যবান আৰু প্ৰফুল্লচিত্তৰ শিক্ষক সদায় ছাত্ৰ-ছাত্ৰীৰ প্ৰিয়। গতিকে শিক্ষকে সু-স্বাস্থ্য ৰক্ষা কৰি ৰংমনেৰে শিক্ষা দিয়া দৰকাৰ। পোছাক-পৰিচ্ছদতো ধৰিপাটি অথচ মাৰ্জিত অভিৰুচি, আচাৰ ব্যৱহাৰ মধুৰ আৰু নৈতিক চৰিত্ৰৰে বলীয়ান হোৱা আৱশ্যক। মুঠ কথা শিক্ষকে শাৰীৰিক আৰু মানসিক এনেবোৰ অৱলম্বনৰ অধিকাৰী হৈ শিক্ষাদান কৰিলে সহজে ছাত্ৰৰ মনোৰাজ্যত প্ৰৱেশ কৰিব পাৰে।

ৰসিকতা : ৰসিকতা শিক্ষকৰ এটা মহৎ গুণ। ৰসিক মানুহৰ কথা মানুহে স্বভাৱতেই ভাল পায় আৰু তেওঁৰ কথাবোৰ ৰংমনেৰে গ্ৰহণ কৰে। শিক্ষকজন ৰসিক হ'লে তেওঁৰ কথাবোৰ ৰসাল হয় আৰু ছাত্ৰ-ছাত্ৰীয়ে তেওঁৰ কথাবোৰ মনপুতি শুনিবলৈ ভাল পায়। ছাত্ৰই ৰংমনেৰে কৰা শিক্ষা অধিক স্থায়ী আৰু ফলৱতী হয়। গতিকে যি শিক্ষকে ৰসিকতাৰ আশ্ৰয় লৈ ৰসালভাৱে শিক্ষাদান কৰে; তেওঁ অধিক কৃতকাৰ্য হয়।

কৌতুহল :— কোমলমতীয়া ছাত্ৰ-ছাত্ৰী স্বভাৱতে কৌতুহল প্ৰিয়। অভিনৱ প্ৰণালীৰে ছাত্ৰৰ কৌতুহল জগাই শিক্ষাদান কৰিব পৰা শিক্ষকে শিক্ষকতাৰ কৃতিত্ব অৰ্জন কৰিব পাৰে।

ভাষা জ্ঞান— শিক্ষকে যি ভাষাৰ মাধ্যমত শিক্ষাদান কৰিব সেই ভাষা তেওঁ নিখুঁতকৈ জনা উচিত। তাৰোপৰি শিক্ষা দিওঁতে শিক্ষকে সদায় সহজ সৰল ভাষা ব্যৱহাৰ কৰিব লাগে। বয়সতকৈ কঠিন ভাষা ব্যৱহাৰ কৰাৰ ফলত পাঠ ছাত্ৰৰ বোধগম্য নহয়, আনকি এইৰূপে শিক্ষা দিলে পাঠৰ প্ৰতি সিহঁতৰ বিৰাগ জন্মাও স্বাভাৱিক।

মনোবিজ্ঞান :— মনোবিজ্ঞান শিক্ষকৰ এটি সাৰথি বুলি ক'ব পাৰি। শিক্ষকে মনোবিজ্ঞানৰ জ্ঞান আৰু অভিজ্ঞতা অৰ্জন কৰি ছাত্ৰ-ছাত্ৰীৰ মন বুজি লৈ তেওঁলোকৰ পুৰণি অভিজ্ঞতাৰ লগত নতুন জ্ঞানৰ সমন্বয় সাধন কৰিবলৈ প্ৰয়াস কৰাটোৱে হৈছে উৎকৃষ্ট শিক্ষাদান। বাঢ়ৈয়ে কাঠ বুজি কাম কৰা, কুমাৰে মাটিৰ গুণাগুণ বুজি সাজ বাচন তৈয়াৰ কৰাৰ নিচিনাকৈ শিক্ষকে ছাত্ৰক বুজিলৈহে শিক্ষাদান কাৰ্যত অগ্ৰসৰ হ'ব লাগে। শিক্ষকে সুচিন্তিত আৰু সুপৰিকল্পিত ভাবে আগ নাবাঢ়িলে শিক্ষাদানত কৃতকাৰ্যতা লাভ কৰিব নোৱাৰে। গতিকে ছাত্ৰক কৃতকাৰ্যতাৰে শিক্ষাদান কৰিবৰ উদ্দেশ্যে শিক্ষকে নিখুঁতভাবে মনোবিজ্ঞান জনা দৰকাৰ। ই শিক্ষাদান আৰু শিক্ষাগ্ৰহণ দুয়োবিধ কাৰ্যকে সহজ, আনন্দদায়ক আৰু কাৰ্যকৰী কৰি তোলে।

ধৈৰ্য আৰু সহনশীলতা :— কম বয়সৰ ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ এই সময়ছোৱা চঞ্চলতা, উগ্ৰতা, উশৃঙ্খলতা আৰু 'মই' ভাব আদি প্ৰবৃত্তিৰে ভৰপুৰ। ছাত্ৰ জীৱনৰ এই সন্ধি ক্ষণত শিক্ষকে তেওঁলোকক সুপ্ৰতিষ্ঠিত কৰিবৰ বাবে দায়িত্ব গ্ৰহণ কৰিবলগীয়া হয়। এই সময়ছোৱাত ছাত্ৰ-ছাত্ৰীয়ে আমনি কৰা স্বাভাৱিক। ছাত্ৰৰ সামান্য দোষতে খং কৰা শিক্ষক কৃতী শিক্ষক হ'ব নোৱাৰে। শিক্ষকে ধৈৰ্য আৰু সহনশীলতাৰ আশ্ৰয় লৈ মৃদু ব্যৱহাৰ, মিঠা কথা, স্নেহ আৰু

সুস্পষ্ট বুজনিৰে ছাত্ৰৰ মন জয় কৰিব লাগিব। সেয়ে হলেহে সিহঁতে অনায়াসে তেওঁৰ পৰা সুশিক্ষা লাভ কৰিব পাৰিব।

নিৰপেক্ষতা :—নিৰপেক্ষতা ভাল শিক্ষকৰ এটি উল্লেখযোগ্য গুণ। বিদ্যালয়ত শিক্ষাদান আৰু বিদ্যালয়গত আন আন কাম-কাজৰ ভিতৰত কিবা কাৰণত শিক্ষকৰ নিৰপেক্ষ নীতিৰ অভাৱ ঘটিব পাৰে। শিক্ষকৰ এই মানসিক অস্বাভাৱিকতা শিক্ষকধৰ্মী নহয়। ইয়াৰ প্ৰভাৱ যিমানে বৃদ্ধি পাব সিমানেই শিক্ষক আৰু ছাত্ৰৰ সম্পৰ্কও বিচ্ছিন্ন হৈ যাব। তাৰ ফলত শিক্ষাদান আৰু শিক্ষাগ্ৰহণত অন্তৰায়ৰ সৃষ্টি হব পাৰে।

গতিকে আদৰ্শ শিক্ষকে সকলো সময়তে সকলো অৱস্থাতে সমদৃষ্টিৰে সৈতে শিক্ষকৰ ভূমিকা পালন কৰা কৰ্তব্য।

হাঁহিমুখ : হাঁহিমুখ সকলোৰে প্ৰিয় আৰু আকৰ্ষণীয়। ছাত্ৰ-ছাত্ৰীয়ে হাঁহিমুখীয়া শিক্ষকৰ কাষ চাপে আৰু তেওঁ দিয়া শিক্ষা প্ৰাণভৰি শুনে। এই শিক্ষাই ছাত্ৰৰ অন্তৰত স্থায়ীভাৱে ৰেখাপাত কৰে। মনমৰীয়া আৰু খঙালমুখীয়া শিক্ষকৰ শিক্ষা সোণকাপেৰে পমোভৰা হ'লেও ছাত্ৰ-ছাত্ৰীয়ে তেওঁৰ কথাবোৰ কাউৰীৰ মাতৰ দৰে বিবেচনা কৰে। তেনেকুৱা অৱস্থাত তেওঁ দিয়া শিক্ষাৰ কোনো বাস্তৱ সাৰ্থকতা প্ৰকাশ নাপায়। শিক্ষকে কেতিয়াও ছাত্ৰক শিকাব নোৱাৰে যদিহে ছাত্ৰই নিশিকে। গতিকে হাঁহিমুখেৰে মধুৰ পৰিবেশ সৃষ্টি কৰি শিক্ষকসকলে ছাত্ৰৰ মনোৰাজ্যত অধিকাৰ বিস্তাৰ কৰি শিক্ষাদান দিয়া কৰ্তব্য।

বহুতৰে মতে এইদৰে সমাজৰ লগত পৰিচয়, শিল্পত নিপুণতা, বাৎসল্য, ধৰ্মভাৱ আদিকে বত্ৰিশটা গুণসম্পন্ন শিক্ষক এজন শ্ৰেষ্ঠ শিক্ষক। সি যি নহওক, মুঠ কথা তেৱেঁই শ্ৰেষ্ঠ শিক্ষক যিজনে কেৱল কিতাপ নপঢ়ায়, পঢ়াৰ মাজৰ পৰা কাম আৱিস্কাৰ কৰি ছাত্ৰ-ছাত্ৰীক কামত উদ্বুদ্ধ কৰে। পাঠতকৈ প্ৰয়োগৰ মূল্য বেছি। ছাত্ৰ-ছাত্ৰীৰ স্বতঃস্ফুৰ্ত সহযোগিতা লাভ কৰা সহজ নহয়, আৰু তাকে নেপালে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা কাৰ্যকৰী হ'ব নোৱাৰে। শিক্ষকৰ খুব বেছি জনাৰো প্ৰয়োজন নাই, থিয়ৰি জনাৰো দৰকাৰ নাই, বি-টি, পাছ নহ'লেও চলিব পাৰে। এজন শিক্ষকে দেশ-বিদেশৰ বিচিত্ৰ জ্ঞানৰ অধিকাৰী নহ'বও পাৰে। কিন্তু তেওঁৰ আটাইতকৈ বেছি থাকিব লাগিব— মনৰ সৰলতা, প্ৰসন্নতা, ছাত্ৰ-ছাত্ৰীৰ প্ৰতি অবিচলিত দৰদ আৰু বাৎসল্য, ধৈৰ্য্য ও নিষ্ঠা। ছাত্ৰৰ হেজাৰ অন্যায় আবদাৰ, ভুল-ত্ৰুটী পৰম ধৈৰ্যৰে সৈতে ক্ষমা কৰি গভীৰ নিষ্ঠাৰে প্ৰতিদিনে ছাত্ৰ-ছাত্ৰীক লৈ কামত, খেলত আৰু পাঠত আত্মভোলা হৈ থকা দৰকাৰ।

শিক্ষকে সদায় মনত ৰখা উচিত যে, তেওঁ সদায় ছাত্ৰ-ছাত্ৰীৰ বন্ধু, শিক্ষক নহয়। 'শিক্ষকৰ' অভিনয় কৰি স্বতন্ত্ৰ ব্যক্তি হিচাপে চলিলে ছাত্ৰ-ছাত্ৰীয়ে আঁতৰলৈ গুচি যাব, কাষলৈ চাপি নাহিব। যি বিদ্যালয়ৰ শিক্ষকৰ ভূমিকা গাম্ভীৰ্যতা আৰু ভীতি প্ৰদৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত নহৈ আদৰ্শ আৰু সংস্কৃতিৰ যোগেদি গঢ়ি উঠে সেই বিদ্যালয়হে আদৰ্শ বিদ্যালয় আৰু সেই বিদ্যালয়ৰ শিক্ষকসমূহ তাতকৈও বেছি আদৰ্শবান।

[প্ৰবন্ধটি অসম চৰকাৰৰ শিক্ষাধিকাৰৰ জৰিয়তে প্ৰকাশিত "শিক্ষা" নামৰ আলোচনীৰ 'বিশেষ শিক্ষক দিৱস সংখ্যা'ত প্ৰকাশ পোৱা শ্ৰীতীল চন্দ্ৰ শইকীয়াদেৱৰ "শিক্ষকৰ গুণাৱলী" নামৰ প্ৰবন্ধৰ আলম লৈ লিখা হৈছে। —লিখক]

# কবিতা কুঞ্জ

“কবিতাৰ সৃষ্টি হয় কল্পনাৰ ওপৰত ভিত্তি কৰি। এই কল্পনাৰ ভাবে খেলি-মেলি কৰে কবিৰ অন্তৰত। সেই কাৰণে কবিতাত অনুভৱৰ প্ৰাধান্য বেছি। প্ৰতি পদে পদে বুজিবলৈ চেষ্টা কৰিলে কবিতাৰ অনুভূতিত আঘাত লাগে।”

—বীৰেণ বৰকটকী।

# সূচীপত্ৰ


ঐক্যতান ॥ ১ ॥ — সান্ত্বনা দাস।

শান্তিলৈ বাটচাই : ২ : — শ্বাহ নেত্তৰাজ ৰহমাতুল্লাহ।

সৰাপাত ॥ ৩ ॥ — অধ্যাপিকা নুৰণ নাহাৰ বেগম।

তুমি : ৩ : — মাজিদা খাতুন।

দুটি কবিতা ॥ ৪ ॥ — এম. এইচ. আৰি।


**প্ৰাচীৰ-পত্ৰিকা 'ফল্গু'ৰ পাতৰ পৰা : :**


জীৱনৰ অঙ্ক : ৫ : — শেৱালী পাঠক।

এমুঠি মিনি কবিতা ॥ ৬ ॥ — এম. হাচান আহমেদ ( জেমচ্ )।

ত্ৰি-মিনিৰ সমাহাৰ : ৮ : — ট্যাভেলাৰ।

নৰকংকাল ॥ ৯ ॥ — ম: আব্দুচ ছামাদ।

আঘাত : ৯ : — অধ্যাপিকা কল্যাণী দাস।

গীত ॥ ১০ ॥ — আল্ আজহাৰ দেৱান।


**গীতৰ শৰাই :**


| | | |
|---|---|---|
| আজি তোমাক আদৰোঁ আহাঁ – | ১ | অধ্যাপক ৰঞ্জিত কুমাৰ বৰা। |
| জীৱনত বাট হেৰুওৱা .... .... | ১ | |
| দুৰ্যোগ লগ্ন সমাগত — — – | ২ | অধ্যাপক মানবেন্দ্ৰ কলিতা। |
| সংগ্ৰামী মনৰ অগ্নিগ্নিখাৰে — | ২ | |

# ঐক্যতান

সান্ত্বনা দাস।
স্নাতক বিশ্ববিদ্যালয় শ্ৰেণী।

বন্ধু !

দোকমোকালিতে এটি
সপোন দেখিছিলোঁ
মোৰ এখন ভৰিত কেইটামান
কেঁকোৰাই সিহঁতৰ মুখৰ চেপেনাৰে
চেপি ধৰিছিল,
আনখন ভৰিত কেইডালমান সাপে
মেৰিয়াই ধৰিছিল,
সিহঁতে কৈছিল—'তুমি কাৰ বাবে বিপ্লৱ কৰিছা'।
মই কৈছিলোঁ- 'মানুহৰ বাবে'।
কেঁকোৰা কেইটাই কৈছিল 'তুমি পাগল,—
তুমি হিন্দু বুলি কোৱা !'
সাপকেইডালে কৈছিল - 'তুমি মূৰ্খ —
তুমি মুছলমান বুলি কোৱা !'
এনেতে সাৰ পালোঁ ;
ৰাতিপুৱা পথাৰলৈ গৈ
একেখন পথাৰতে
ৰংমন আৰু হামিদহঁতক
একেলগে হালবাই থকা দেখিলোঁ।

# শান্তিলৈ বাটচাই

দুঃখ-দৈন্যৰে ভৰা
এয়েতো আমাৰ দুৰ্ভগীয়া জীৱন
জীয়াই থকাৰ বাবে
সেয়ে
কৰোঁ সংগ্ৰাম প্ৰতি ক্ষণে ক্ষণে।
মাত্ৰ এখনি আশ্ৰয় স্থল
তথা এমুঠি অন্নৰ বাবে
হাবাথুৰি খাই চিঞৰি ফুৰোঁ আমি
মানুহৰ দুৱাৰে দুৱাৰে।
কিন্তু হায়!
নুশুছে পেটৰ জ্বালা-পোৰণি
নুবুজে অন্তৰৰ ব্যথা
দুচকুত জ্বলে অগনি।
কিমান দিননো চাম আৰু
পঙ্গু দলৰ খাম খেয়ালি
অন্যায়-অত্যাচাৰ
সীমাহীন কৰ্কশ আচাৰ।
ক'ত পাম এখনি
দৰদি প্ৰাণৰ
সঙ্গী হ'ব যিয়ে আমাৰ —
আমাৰ দুঃখ বেদনাৰ।
যাৰ কৰুণাত
অন্তৰে লভিব শান্তিৰ পৰশ
তেতিয়াহে আমাৰ নিৰ্বাপিত হ'ব—
পেটৰ পোৰণি, শুচিব অন্তৰৰ জ্বালা।

মহঃ নেওৱাজ ৰাহমাতুল্লাহ।
প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী।

১৯৭৮-৭৯ চনৰ "মহাবিদ্যালয় সপ্তাহ"ৰ সাহিত্য প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত কবিতা।

# সৰাপাত

— অধ্যাপিকা নুৰণ নাহাৰ বেগম।

আঁউদীৰ নিশাবোৰৰ পিছত
মোৰ পদূলিৰ
দুৱাৰ মুখেদি
বৈ যায়
পোহৰৰ এজানি মিচিগা সোঁত।
তেতিয়া,
নিয়ৰৰ কণিকাবোৰে
মনতো ৰং পায়।
কোনোবা এজনৰ নিকুন্তৰত
মোৰ মন,
মনতে হেৰাই যায়
মাথোঁ স্মৃতিবোৰেহে
মোক সাৱটি ধৰে
জোৰেৰে আৰু জোৰেৰে ……।
তেতিয়া
মই মাথোঁ শুনোঁ
মোৰ মন বননিত
এজাক ধুমুহা বলিছে
নীৰৱে আৰু নীৰৱে…… ।

# তুমি

মাজিদা খাতুন।
প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী।

বিশ্বৰ আদিম তুমি
জগতৰ মূল ;
সৃষ্টিৰ কাৰণ তুমি
নাই তাত ভুল।
দুখীৰ দৰদী তুমি
প্ৰেমৰ সাগৰ ;
মায়াৰে আগুৰা তুমি
বিশ্ব মলিকৰ।
ৰূপৰ অপৰূপ তুমি
অনন্ত অসীম ;
ন্যায়ৰ আমনা তুমি
বহ্মাসুৰ ৰাহিম।
কৃপাৰ সাগৰ তুমি
জ্ঞানৰ প্ৰদীপ ;
ত্ৰিকালৰ প্ৰভু তুমি
তুমি বিশ্বদীপ।
সৰ্বশ্ৰেষ্ঠ — সৰ্বজ্ঞাতা
তুমি দয়াবান ;
তোমাৰ কৃপাত আমি
হওঁ আগুৱান।

# দুটি কবিতা

## স্বাগতম

তুষাৰে মানৱে
হাত বাউল দি
মাতে মোক নিতে'
সিহঁতৰ স'তে
দুৰ্গম পৰ্বত বগাবলৈ'
সিহতে নাজানে মই যে পঙ্গু।
নাৱিকে জনায়
নিতে স্বাগতম
সিহঁতৰ স'তে
সহযাত্ৰী হই
সাগৰ উৰ্ম্মিক জিনিবলৈ'
সিহঁতে নেজানে মই যে নিঃস্ব ॥
সপোন নামিছে
মোৰ দুচকুত
আন্মনা সাজিব
নতুন দিনৰ
মন কাৰেঙৰ ন-সপোন
সপোন নবীন মই প্ৰবীন ॥।
মোৰ দুচকুত
ন-পুৰণিৰ
উত্থান-পতন
মন পদূলিত
শূণ্যতাৰ নিতে' ৰোমন্থন ॥॥

জয়, এইচ, আলি।
স্নাতক মহলা।

## মনন

মোৰ দুৱাৰত —
বতাহৰ শব্দ,
যন্ত্ৰণাৰ গম্ভীৰ অৰণ্যত
মই মোক পৰ্যবেক্ষণ কৰি
বিচাৰি পালোঁ—
মোৰ শতাধিক সংগী অথচ
একক নিঃসংগ
মোৰ পদূলিত ...
অৰাতিৰ শব্দ,
সন্ত্ৰাসত মনৰ লগত
অবিৰত সংগ্ৰাম কৰি কৰি
অনুভৱ কৰিলোঁ –
মোৰ শতাধিক অস্ত্ৰ অথচ
একক ৰিক্ত-নিঃস্ব ॥
মোৰ ধমনিত—
কিহবাৰ শব্দ,
হৃদপিণ্ডৰ তীব্ৰ কঁপনিত
বোবা আৰ্তনাদ আৰু জড়তাত
জঠৰ হৈ ৰলোঁ,
মোৰ গাত অজস্ৰ শক্তি
অথচ একক পংগু ॥॥

# জীৱনৰ অঙ্ক

শেৱালী পাঠক
প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী

মনৰ ভাষাৰ লগত
অনুভূতি যোগ দিলে
জীৱনৰ বগা কাগজত
উত্তৰটো জানো মিলে ?

০ ০ ০

দুখখিনি থওঁ বিয়োগত
চাওঁ ভাবি এটি ক্ষণ,
কি থাকে হৃদয় কোণত
মাথোঁ এটি উকা মন — ?

০ ০ ০

উচ্ছ্বাসবোৰ বাক
পূৰণ কৰি চাওঁ,
ফলাফল প্ৰতিবাৰে
শূন্য এটাহে পাওঁ !

০ ০ ০

সময়ৰ ৰাফ্ কাগজত
ভালৰ লগত বেয়া
ভাগ কৰি গৈ থাকোঁ
হিচাপ-নিকাচৰ সময় যে এয়া।

০ ০ ০

চিৰিভগা সৰলখিনি
কৰি যাওঁ ৰাতি-দিন,
উত্তৰ বিচাৰি পাওঁ
এটি প্ৰশ্নবোধক চিন।

০ ০ ০

নিমিলা অঙ্কখিনিৰে
হিচাপৰ পাতবোৰ
ভৰি আছে কিয় নেজানো
জীৱন বহীটি মোৰ।

০ ০ ০

এমুঠি

মিনি

কবিতা

# সোপান

নিস্তব্ধ সন্ধিয়াৰ নিষ্ঠুৰ নিৰবতাখিনিয়ে
কাণে কাণে কৈ গ'ল
বেলি লহিয়ালে—
তেন্তে কিয়—
জীৱনৰ ভৰদুপৰত কামধেনু দেখিছিলোঁ
সাত বৰণীয়া
নিৰ্লজ্জ সন্ধিয়াৰ কান্দোন এজনী বেশ্যাৰ দৰে
সন্ধিয়া তই হতশ্ৰী যা
ফাগুনৰ উলংগ পৃথিৱীত
নগ্ন গাভৰু যিমান ধুনীয়া
প্ৰভাত—তুমি তাতোকৈ ধুনীয়া।

০ ০ ০

# চাকনৈয়া

বিনিদ্ৰিতা গৰ্ভৱতীৰ গৰ্ভত
গেলিত সন্তানৰ যন্ত্ৰণা যিমান বেছি
তাতোকৈ বেছি মোৰ মানসিক যন্ত্ৰণা
তোমাক বগা কাগজত ক'লা চিয়াহীৰ কবিতা সজাই
আৱদ্ধ কৰাৰ অধিকাৰ মোৰ ক'ত ?
তথাপি—
মই তা'কে কৰিছোঁ –
কাৰণ—
মই তোমাৰ জীৱনত মীৰাটৰ বালি।

০ ০ ০

( সিপিঠিত চাওক )

এম. হাচান আহমেদ ( জেমচ )
প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী।

## স্পন্দন

মোৰ স্থিতি মোৰ অস্তিত্ব
লোপ পোৱা আজি বহু যুগ হ'ল
এইখন পৃথিবীত
নতুনকৈ জীয়াই থকাৰ অধিকাৰ মোৰ ক'ত ?
মই মোক হেৰুওৱাৰ আজি বহু শতাব্দীৰ পিছত
মই উপলব্ধি কৰিছোঁ —
মই জীয়াই আছোঁ —
মাথোঁ জীয়াই থাকিবলৈ —

০ ০ ০

## কবিতাৰ জন্ম

দুদিনৰ পৃথিবীত
দুদিনীয়া জীৱনত
একো নোপোৱাৰ মাজতো
অলপ কিবা পাই
হঠাতে হেৰাই যোৱাৰ বেদনাত
মোৰ অন্তৰ পৰশি ওলোৱা
প্ৰতিটো হুমুনিয়াহেই
মোৰ এটা এটা কবিতা।

০ ০ ০

# ত্ৰি-মিনিৰ সমাহাৰ

ট্ৰ্যাভেলাৰ

## [১] যৌৱনৰ প্ৰেম

ফুলৰ সৌৰভ থকালৈকে—
তোমোৰাৰ গুণগুণনি কিমান শুনিবা!
তলসৰা ফুলৰ কাষত কিন্তু,—
তোমোৰাক কাহানিও দেখা নোপোৱা!!

## [২] অপৰাধ

তিনিমুলিত বৈ থকা ডেকাজাকে
আমালৈ চাই থকা দেখিলেই—
মোৰ যে বুকুখন কঁপি উঠে!
আমি হালৰেই গুপুত কথাকেই—
সিহঁতে আলোচনা কৰি থকা নাইতো!!

## [৩] বিচাৰ

'তেওঁক' যে তোমাৰেই বুলি ধৰি ল'লা,
কিন্তু তাৰ আগতে—
'তোমাৰ' আৰু 'তেওঁৰ' দৃষ্টিৰ ব্যৱধানখিনি
জুখি চোৱাৰ প্ৰয়োজনবোধ নকৰিলা?+

★

# গীতৰ শৰাই

অধ্যাপক ৰঞ্জিত কুমাৰ বৰা

## আজি তোমাক আদৰোঁ আহঁা...

নতুনৰ পদধ্বনি শুনিছোঁ
এয়া কোন সমাগত দেখিছোঁ
আজি তোমাক আদৰোঁ আহঁা
মৰম চেনেহেৰে।
তুমিতো নোহোৱা পৰ
আমাৰ আপোন বৰ
তুমিযে নিচেই কাষৰে।
তোমাৰ কণ্ঠত আজি ধ্বনিত হওক
সমাজৰ নতুন আশা
জয়গীতি আশাভৰা।
তোমাৰ কাৰ্যত আজি প্ৰতিভাত হওক
সমাজৰ বুকুৰ ভাষা
জয়গীতি প্ৰীতিভৰা।
আজি মৰম বিলাই
আজি মৰম গোটাই
প্ৰীতিৰ থাপনা পাতিছোঁ।

ৰৈ আছোঁ সাজিকাচি
তোমাৰ বাবেই যে আজি
দিবলৈ মৰম আঁজলি
লোৱা যেন তুমি আদৰি ॥ ১

## জীৱনত বাট হেৰুওৱা...

জীৱনত বাট হেৰুওৱা
মই যেন এটি সৰু পখুৱা।
কক্ষচ্যুত দিশহাৰা
লক্ষ্যবিহীন মই বাটৰুৱা ॥
বিচাৰি বিচাৰি জীৱন-জ্যোতি
থালোঁ মাথোঁ হাবাথুৰি—
টিমিকি টিমিকি জ্বলা চাকিটি
আন্ধাৰতে ৰ'ল যে পৰি
ক'ত সেই নতুন পুৱা ?
জীৱন-মৰুত মই বিহঙ্গ
উৰি উৰি হলোঁ আজি নিসঙ্গ
পথভ্ৰষ্ট মই অচিন নাবিক
কেনি হেৰুৱালোঁ দিক্-বিদিক্।
পুৱাব কেতিয়া এই অমানিশা ?
জীৱনত বাট হেৰুওৱা — ॥ ২

[১ নং গীতটি ১৯৭৮-৭৯ চনৰ নবাগত আদৰণি সভাত আৰু ২ নং গীতটি "মহাবিদ্যালয়-সপ্তাহ মুকলি অধিবেশনত ইং ২৬-১২-৭৯ তাৰিখে পৰিবেশন কৰা হৈছিল।]

## ঃদুৰ্যোগ লগ্ন সমাগতঃ সংগ্ৰামী মনৰ অগ্নিশিখাৰে...

অধ্যাপক মানবেন্দ্ৰ কলিতা।

দুৰ্যোগ লগ্ন সমাগত
দেখিও, নীৰৱ কিয়
লুইতপৰীয়া অসমীয়া,
যায় দেখোঁ আজি
সকলো যায়
চিৰ-চেনেহৰ তোৰ
ভাষা-কৃষ্টি যুগমীয়া।
বৰষবৰষ মজিয়াত
বৰপীৰা পাৰি
বিদেশীক বহুৱালি,
আপোন মাটিতেই
থকাৰ অধিকাৰ
নিজেই দেখোঁ হেৰুৱালি।
তথাপিও তোৰ
চেতনা নাই
অসম দেশখন
বিদেশীক এৰি দি
কৰিলি যে সিহঁতৰ চৰণীয়া।
(আজি) অসমীৰ চোতালত
বিদেশীৰ নৃত্য
অসমীয়া হলি দেখোঁ
সিহঁতৰ ভৃত্য;
অতীত গৌৰৱ
সকলোঁ পাহৰি
হেৰুৱালি আজি তই
স্বাধীনতা যুগমীয়া॥

মোৰ অসমৰ
জন-জীৱনৰ
সংগ্ৰামী মনৰ
অগ্নিশিখাৰে
নৃশংসতা
বিলুপ্ত কৰি
মানৱতাৰ সমাজ গঢ়িম!
ভুৱা পৰিকল্পনাৰ
প্ৰাচীৰ ভাঙি
কৰ্মকে জীৱনৰ
ধৰ্ম কৰি—
লুইতৰ পাৰৰ
উৰ্বৰ ভূমিত
নিৰাপত্তাৰ ভেঁটি সাজিম।

জনতা তন্ত্ৰৰ
মহামন্ত্ৰৰে
দীক্ষিত হই
লুইতৰ দুইপাৰ
উজ্বল কৰিম।
মোৰ অসমৰ
জন-জীৱনৰ
সঁচা সংগ্ৰামেৰে
বিভেদকামী শক্তিবোৰৰ
সমাধি ৰচিম।

# ❋ গল্প ❋

# গুচ্ছ

"গল্প সুসংগঠিত আৰ্ট। ইয়াৰ যোগেদি কোনো এটা কেন্দ্ৰীভূত ভাব প্ৰকাশ কৰা হয়। বিক্ষিপ্ত ভাবধাৰাৰ সমাবেশৰ ঠাই গল্পত নাই। কোনো এটি বিশেষ মুহূৰ্তৰ ওপৰত আলোকপাত কৰি জীৱনৰ কোনো এটি দিশ পোহৰাই তোলাই গল্পৰ উদ্দেশ্য।"

—ত্ৰৈলোক্য গোস্বামী।

# সূচীপত্ৰ

উপপথ : ১ :
ডায়েৰী : ৩ :
অভিনেত্ৰী : ৮ :

মঞ্জুলা দাস।
মঃ হাছেন আলি।
হিমানী মেধি।

প্ৰাচীৰ-পত্ৰিকা 'যন্ত্ৰ'ৰ পাতৰ পৰা :

পতাকা উৰিছে : ১১ :
অসাৰ্থক : ১৪ :

অধ্যাপক বীৰেন্দ্ৰ কুমাৰ দাস।
অধ্যাপক দেবেশ চন্দ্ৰ দাস।

ৰম্য ৰচনা :

মোৰ জীৱনৰ এক পৃষ্ঠা : ১৮ :

ৰোহিনী কুমাৰ দাস।

(১) মুখামুখি — .... .... ।
প্ৰশ্নোত্তৰ প্ৰসংগ।
(১১) ছাত্ৰ একতা সভাৰ প্ৰতিবেদন চ'ৰা।

# উপপথ

মঞ্জুলা দাস
প্রাক্-বিশ্ববিদ্যালয় শ্রেণী।

শেষ বাৰৰ বাবে মনালী ওৰফে মনালীচা বৰুৱাই ওঁঠৰ ওপৰত গাঢ় ৰঙা লিপষ্টিক বোলাই দিলে। ডাৰ্ক অৰেঞ্জ কালাৰৰ পাটৰ কাপোৰেৰে কুমলীয়া কলপুলি যেন দেহাটি সজাই তাই কোঠালিৰ পৰা ওলাই আহিল। তাই জানে বাহিৰত তেতিয়া অচিনাকি দীপল্ চৌধুৰী উদ্‌গ্ৰীৱ হৈ আছে কেতিয়া তেওঁৰ অদেখা মনালীচাক প্ৰথম বাৰৰ বাবে একেবাৰে কাষতে দেখিব। মনালীৰ বুকুখন দুৰু দুৰু কঁপিছিল। কপালত বিন্দু বিন্দু ঘামৰ কণিকা। তথাপিও তাই নিজকে প্ৰস্তুত কৰি ল'লে। আন দহজনী ছোৱালীতকৈ তাইৰ আজিৰ এই প্ৰস্তুতিৰ পাৰ্থক্য হ'ল—তাই মাক-দেউতাকক সন্তুষ্ট কৰিবলৈকে নিজকে সম্মুখীন কৰাব ডঃ দীপল্ চৌধুৰীৰ ওচৰত। অইন দহজনে ধুনীয়া বুলি কোৱা দীপলৰ বাবে তাইৰ কোনো আকৰ্ষণ নাই। কোনো তৃষ্ণা নাই। তাই ডঃ দীপল্ চৌধুৰীক কোনোদিনে বিচৰা নাই। অৱশ্যে এতিয়াতো তাই বিচৰা নিবিচৰাৰ পথকে অতিক্ৰম কৰি আহিছে। এসময়ত বহুত কিবাকিবি বিচৰা তাইৰ এটি মন আছিল। কিন্তু এটা অক্টোপাচে তাইৰ দেহ মন সকলো টুকুৰা-টুকুৰি কৰি শেষ কৰি দিছে। সেই অক্টোপাচৰ নাম- বিক্ৰম গোস্বামী। নাই নাই তাই আৰু ভাবিব নোখোজে, নিজৰ অজানিতে অধ্যাপিকা মনালীচা বৰুৱাই পৰ্দাখন জোৰেৰে খামুচি ধৰিলে—ঠিক যেন তাই এটা অৱলম্বনহে বিচাৰিছে। পিছ মুহূৰ্তত পৰ্দাখন আঁতৰাই সোমাই গ'ল। পঞ্জাবী পৰিহিত মিঠা বৰণৰ তীক্ষ্ণ চকুৰে যে সেয়াই দীপল্ চৌধুৰী—তাইৰ চিনিবলৈ আৰু বাকী নাথাকিল। হঠাৎ এক তীব্ৰ লাজৰ ধুমুহাই তাইক বিপৰ্যস্ত কৰি পেলালে। তাই অসহায়ভাৱে দেউতাকৰ মুখলৈ চালে- "অঁ অঁ এয়াই মনা আৰু চা মনা এওঁ দীপল্, ডঃ দীপল্ চৌধুৰী।" তাই সম্পূৰ্ণ

বিনয়েৰে মূৰ দুপিয়ালে। তাইৰ সুগোল হাত দুখনি একত্ৰিত হৈ নমস্কাৰৰ ভঙ্গীত কপাললৈ উঠিল। তাৰ পিছতে তাই মনলৈ এক নতুন দৃঢ়তা আনি দীপলৰ সম্মুখত বহিল। চিৰাচৰিত পদ্ধতিত ভিতৰত কাৰোবাক কিবা কোৱাৰ অজু-হাতত বৃদ্ধ সুখেন্দু বৰুৱা ভিতৰলৈ সোমাই গ'ল।

"আপুনি ইয়ালৈ আহি বৰ ভুল কৰিলে।" তাই সৰু কণ্ঠস্বৰেৰে অথচ দৃঢ়তাৰে দীপলক উপলক্ষ্য কৰি কলে— ।

"কিন্তু মই তেনেদৰে ভবা নাই, শুদ্ধ পথতে খোজকঢ়া বুলিয়েই ভাবি আছোঁ—"

দীপলৰ এনে উত্তৰত তাই নাৰ্ভাচ ফিল্ কৰিলে। তাই ভাবিছিল দীপলে চক্ খাই উঠিব, কেনে ধৰণৰ ভুল তাইক সুধিব।

"মোৰ এটা অতীত আছে আপুনি জানেনে? আৰু বৰ্তমানত থাকিও মই এতিয়াও সেই অতীততে আছোঁ। আপুনি তাকো জানেনে? কেৱল মা-দেউতাক দুখ নিদিবলৈকে মই ওলাইছোঁ। মোৰ অনুৰোধ আপুনি মোক নিজস্ব জগতখনতে জীয়াই থাকিবলৈ দিয়ক।"

"মনা তোমাৰ তিক্ত অতীতক কবৰ দি মই তাত মোৰ মৰমৰ গাঢ় তেজীৰঙা ফুল ফুলাবলৈ বিচাৰোঁ। —তুমি··· তুমি কোৱাচোন সঁচাই জানো তুমি বিক্ৰমৰ স্মৃতিক কবৰ দিব নিবিচাৰা?

"কি!" মনালিচা বৰুৱাই উচপ্ খাই উঠিল। সাংঘাতিক মানুহ দীপল্ চৌধুৰী। তেওঁ তেন্তে, মনালিচাৰ সমগ্ৰ অতীত ঘটনাকে জানে, যিটো অতীতত তাই প্ৰেমৰ নীল সাগৰত ডুবি আছিল আৰু য'ত তাইক বিক্ৰম নামৰ অক্টোপাচ্‌টোৱে মেৰাই ধৰিছিল। নাই, নাই তাই আৰু ভাবিব নোৱাৰে, দুই হাতেৰে মুখ ঢাকি তাই অসহায়ভাৱে ওঁঠ দুটা কামুৰি ধৰিলে।

"আপুনি তেন্তে সকলো জানে?" তিৰ্যক দৃষ্টিৰে চাই মনাৰ প্ৰশ্ন।

"হয় মনা মই জানো কিদৰে বিক্ৰম নামৰ মানুহজনে এসময়ত জাত-পাতৰ অজুহাত দেখুৱাই তোমাক জীৱনৰ তিনিআলিত এৰি থৈ গুছি গ'ল। যি পথেৰে বিক্ৰমে তোমাক লুণ্ঠিত কৰি এৰি গ'ল সেই পথ এৰি তুমি জানো মোৰ জগতত আন এক উপপথেৰে গতি কৰিব নোৱাৰা মনা?"

"না না নাই চৌধুৰী আৰু নক'ব আৰু নক'ব। মই সহ্য কৰিব নোৱাৰোঁ—"

"উঃ মনা, 'অয়া মোলৈ চোৱা, বিক্ৰমে দিব নোৱাৰাখিনি মই তোমাক দিম।" কাতৰভাৱে ডঃ দীপল্ চৌধুৰীয়ে ভাগিপৰা মনালিচাৰ ফালে পঞ্জাবী পৰিহিত দুখন হাত আগবঢ়াই দিলে।

আবেগৰ, দুখৰ, আনন্দৰ এক তীব্ৰ জোঁৱাৰে মনালিচা বৰুৱাক দীপল্ চৌধুৰীৰ দুই বাহুৰ মাজত আলফুলে শুৱাই থৈ গ'ল। ডেউকা ভগা চৰাইৰ দৰে তাই চট্ফটাই আছিল; আজি তাই আকৌ উৰিবলৈ সাহস পাইছে-দুৰ্বল কাপুৰুষ বিক্ৰমৰ সকলো প্ৰবঞ্চনাক গচকি আন এক উপপথেৰে আজি তাই জীৱনৰ চাৰিআলিলৈ খোজ কাঢ়িবলৈ সাজু হ'ল। অকলে নহয় দীপলৰ দুবাহুত ভৰ দি। দীপলৰ কান্ধত তাইৰ তৃপ্তিকোমল মুখখন আনন্দত ওলমি থাকিল। জন্ম হ'ল এক নতুন উপপথৰ ··· ॥

—o—

# ডায়েৰী

মঃ হাছেন আলি
স্নাতক মহলা।

এীয়া বাহিৰত ফট্‌ফটীয়া ফৰিংফুটা জোনাকৰ মহামেলা। কিন্তু মোৰ মন কাৰেঙৰ ভিতৰ চ'ৰাত ঘোৰ অমানিশাৰ সামৰিক কুচ্‌কাৱাজ। মোৰ আকাশ মেঘাচ্ছন্ন। যেন এতিয়াই মাতিব ত'ভৰী ধুমুহাক। তথাপি মই নিৰ্বাক-নিশ্চল। মই দৃঢ়প্ৰতিজ্ঞ তোৰ চিঠিৰ উত্তৰ লিখিবলৈ।'

মৰমৰ বিনয়, তোৰ চিঠিখন পালোঁ। বাৰে বাৰে পঢ়িলো। বুজিবলৈ' আপ্ৰাণ চেষ্টা কৰিলোঁ। আৰু এয়া 'মানুহ পৰিস্থিতিৰ দাস' হোৱাৰ দৰে ময়ো বাধ্য হলোঁ পৰিস্থিতিৰ দাস হবলৈ'। যিহেতু ময়ো এজন মানুহ। অৱশ্যে আকৃতিত মানুহ প্ৰকৃতিত মানুহ হ'ব পৰা নাই। তই হয়তো আচৰিত হ'বি। মই যিটো বিষয়-বস্তুৰ অৱতাৰণা কৰিম, তই জনাৰ পিছত মোত বিশ্বাস হেৰুৱাবি কিজানি!

সম্প্ৰতি তোৰ পৰা মই বহু দূৰত আছোঁ। তই ভাবিব পাৰ 'চকুৰ আঁৰ হলে মনৰো আঁৰ।' সেইটো মই মানি লব খোজা নাই। কিয়নো সশৰীৰে দেখা নেপালেও আমি দুয়ো পৰস্পৰে অতি ওচৰতে থকা বুলি অনুভৱ কৰোঁ চিঠিৰ জৰিয়তে। কিন্তু আজি অতদিন পাৰ হ'ল তোলৈ' লিখা নাই। ইয়াৰো কাৰণ আছে। কাৰণ তাই চিঠিত কৰা প্ৰশ্নৰ ভিতৰত এইটোৱেই প্ৰধান কাৰণ যাৰ বাবে মই তোলৈ' লিখা নাই ইমানদিন।

বিনয়, ভাবিব পাৰনে? যিদিনা তই এম-এ, পঢ়িবলৈ' উচ্চ আশা লৈ নৱ উদ্যমে মুখত ফুটি উঠা হাঁহিৰ চৌৰ ছন্দৰ তালে তালে খোজ মিলাই শিলিগুৰী বিশ্ববিদ্যালয় অভিমুখে যাত্ৰা কৰিছিলি! তোক মই সাদৰে বিদায় সম্ভাষণ জনাইছিলোঁ। সেই সময়ত তই জানো মোৰ হৃদয়ৰ বেদনা বুজিব পাৰিছিলি? পৰা নাই। আজি সেই বেদনাৰ পূৰ্ণ পাত্ৰ শূন্য কৰিব বিচাৰিছোঁ— এই চিঠিৰ জৰিয়তে।

আশাকৰোঁ তই চিঠিখন মনোযোগেৰে পঢ়িবি। প্ৰকৃততে এয়া চিঠি নহয়। মোৰ জীৱন আলেখ্য। অসম্পূৰ্ণ ডায়েৰীৰ কেইটামান সৰা পাত। ইমান দিনে যিটো বিষয় তোৰ পৰা লুকুৱাই ৰাখিছিলোঁ। কিন্তু আজি? আজি সেই বিষয়টোৰ গভীৰ চিন্তানলে মোক দেই পুৰি মাৰিছে। ভাবিছিলোঁ তোক এই বিষয়ে কোনোদিনে নকওঁ। কিন্তু এতিয়া মনৰ এই অব্যক্ত বেদনাৰ গধুৰ বোজা বহন কৰিবলৈ মই অপৰাগ। বিচুৰ্ণিয়াচৰ গলিত লাভাৰ দৰে মনৰ কোণত থুপ খাই থকা এই বেদনাবোৰ বাজলৈ ওলাব খোজে। পথ নেপাই হিয়াতে মাৰ যায়। কিন্তু মই যে তুষ জুইৰ উত্তাপ সহিব নোৱাৰোঁ। সেয়ে তোলৈ লিখিলোঁ। জানোচা জুইকুৰা নুমায় — আংশিকভাৱে!

বিনয়, জগৎখন পৰিবৰ্তনশীল। মানুহ নামৰ জীৱবোৰো এই জগতত বাস কৰে। সেয়ে প্ৰত্যেকজন মানুহৰ প্ৰকৃতি পৰিবৰ্তন হোৱাটো স্বাভাৱিক। ময়ো আকৃতিত এজন মানুহ। গতিকে মোৰ জীৱনলৈ নামি অহা এই অপ্ৰত্যাশিত পৰিবৰ্তনো স্বাভাৱিক। এই পৰিবৰ্তনৰ মূল কাৰণ কি জান? সেয়া এক দুৰ্ঘটনা।

চনটো ১৯৭৫। আমি দুয়ো তেতিয়া স্নাতক মহলা ১ম বাৰ্ষিকৰ (কলা শাখা) ছাত্ৰ। তোৰ চাগে' মনত আছে! আমাৰ একে ক্লাচৰ ছাত্ৰী 'গৰিমা' জনীৰ কথা। শান্ত, মৌন, গহীন-গম্ভীৰ এই 'গৰিমা' জনীৰ ভৰিত মোৰ হাইহীল জোতাৰ গোবোহা লাগিল খৰধৰকৈ ক্লাচত সোমাওঁতে। তাই ভৰিত বৰ আঘাত পাইছিল। অথচ এই আঘাতটো দিয়া মোৰ ইচ্ছাকৃত নাছিল। দুয়ো দুয়োৰে স্থানত বহিলোঁ। মই তাইৰ ফালে চকু ঘূৰাই চক্ খালোঁ। তাইৰ চকুত পানী। তাইৰ সজল চকুজুৰি শান্ত অথচ মৌনভাৱে বৈ গ'ল মোৰ দুচকুত। কেইটামান মুহূৰ্ত। মই দেখা পালোঁ তাই কোনো এটা ক্ষণত তলমূৰ কৰি ৰুমালেৰে চকুপানী মচিলে। ইফালে ছাৰে আমাৰ পাঠ বুজাই আছে। সেইফালে লক্ষ্য নাই মোৰ। মনটো সেমেকি গ'ল। 'গৰিমা' জনীৰ অৱস্থা উপলব্ধি কৰি মনত বৰ দুখ পালোঁ। নিজকে অপৰাধী যেন লাগিল। কি কৰোঁ কি নকৰোঁ চিন্তা কৰিবলৈ ধৰিলোঁ। ভাবিলোঁ ছাৰ যোৱাৰ পিছত তাইৰ ওচৰত ক্ষমা খুজিম। সময়ত সেয়া কাৰ্যত পৰিণত নহ'ল। কিয়নো তাই চকুৰ পলকতে ক্লাচৰ পৰা ওলাই ক'ৰবালৈ গ'ল। কলেজৰ প্ৰতিটো কোঠালিতে তাইক বিচাৰিলোঁ। নাপালোঁ ক'তো। হয়তো তাই ঘৰলৈ গ'ল। মোৰ অন্তৰখন কিবা এক অব্যক্ত বেদনাত তীব্ৰ হাঁহাকাৰ কৰি উঠিল।

পিচদিনা কলেজলৈ ল'ৰা-ছোৱালীৰ অহা-যোৱাৰ সোঁত বৈ আছে। ময়ো সিহঁতৰ ভিৰৰ মাজৰে এজন। সকলোৱে গৈ আছে—গৈ আছে। অনাফালে দৃষ্টি নাই। কিন্তু মোৰ? মোৰ দৃষ্টি চাৰিওফালে। খোজবোৰ লেহেম গতিৰ। মনত কিবা এক নোপোৱাৰ বেদনা। কোনো এটা নোপোৱাৰ মুহূৰ্তত মোৰ চকু বৈ গ'ল আগে আগে গৈ থকা এজনী ছোৱালীৰ ওপৰত। তাই অইন কোনো নহয়। সেই 'গৰিমা' জনী। খোজবোৰ

বিশৃঙ্খল। মই আগতকৈ অলপ বেগ দি তাইৰ সমান্তৰালত যাব ধৰিলোঁ। কিবা কওঁ কওঁ বুলিও মই একো ক'ব পৰা নাই। তাই মোৰ ফালে চকু ঘূৰালে। চাৰি চকুৰ মিলন হ'ল। কিবা ভাবি লাজত চকু আঁতৰাই আনিলোঁ তাইৰ চকুৰ পৰা। তেতিয়া মোৰ মন পথাৰত বা-মাৰলীৰ সংকেত, যাৰ বাবে মই শংকাকুল।

"অ' শুনিছে। আপোনাৰ নামটোনো কি'?" মই চঁক্ খাই উঠিলোঁ। 'গৰিমা'-জনীৰ প্ৰশ্নত মই প্ৰথমে একো ক'ব নোৱাৰিলোঁ। তাই পুনৰ একেটা প্ৰশ্নকে দোহাৰিলে। মই নিজকে সংযত কৰি লৈ তাইৰ প্ৰশ্নৰ উত্তৰ দি গলোঁ। এটাৰ পিছত আন এটাৰ। আমাৰ পৰিচয় বিনিময় হ'ল। অথচ যি ক'ম বুলি ভাবিলোঁ সময়ত একোকে ক'ব নোৱাৰিলোঁ। আনহাতে তাই নিজে আগদিনাৰ দুৰ্ঘটনাটো সহজ কৰি দিলে। মোক কোনো কথা কবলৈ সুবিধাকন নিদিলে। তাইৰ এই ব্যৱহাৰত মই একেবাৰে অবাক হৈ গলোঁ। তাইৰ প্ৰতি নিজে নিজেই কৃতজ্ঞতা প্ৰকাশ কৰিলোঁ—মনে মনে।

দিনৰ পিছত দিন। সপ্তাহৰ পিছত সপ্তাহ সময়ৰ কোবাল সোঁতত ভাহি যাব ধৰিলে। লাহে লাহে গৰিমা আৰু মোৰ মাজত এক নিবিড় সম্পৰ্ক গঢ়ি উঠিল। পৰস্পৰে পৰস্পৰক বুজি পালোঁ। সেয়া এক অপ্ৰত্যাশিত ভাবে। যাৰ বাবে মই প্ৰস্তুত নাছিলোঁ কেতিয়াও। মন খিৰিকীৰ বেচমৰ পাতল পৰ্দাত ৰং-বিৰঙৰ ফুলাম চিত্ৰ অংকন কৰিলোঁ। সতোটা ৰঙৰ কল্পনাৰ তুলি-কাৰে। দুয়ো-দুয়োকে উটুৱাই দিলোঁ ভাব সাগৰৰ বহল বুকুত। মন কাগজৰ চিলা উৰুৱাই এক অজান তৃপ্তিৰে দিনবোৰ পাৰ কৰি দিব ধৰিলোঁ।

মৰমৰ বিনয়, তোৰ নিশ্চয় মনত আছে। আমাৰ অনাৰ্চ ক্লাচত 'অধিকাৰী' ছাৰে দিয়া উক্তিটো—"Past is past; don't mind, my boy, Let it be gone........ love is not simple business. Of course, now a days, this plot of human life is easier than past days." তহঁতে হাঁহি ছলি। কিন্তু মই? মই তেতিয়া লাজত ক'লা পৰি গৈছিলোঁ। মোৰ মূৰ কান অজানিতে গৰম হৈ গৈছিল। আৰু 'গৰিমা' জনী? তায়ো মোৰ অৱস্থাৰ অনুকূল। মোৰ এটা মুদ্ৰাদোষ আছিল। ক্লাচ ল' আহোতে কেতিয়াবা মই ভুলতে কলমডাল এৰি আহিছিলোঁ। ঠিক সেইদিনাও একেটা ভুলকে কৰিলোঁ। 'অধিকাৰী' ছাৰে অনাৰ্চৰ নোট দি আছিল। কলম নথকাত মই মনে মনে লিখাৰ পৰা বিৰত আছিলোঁ। ছাৰে লক্ষ্য কৰা নাছিল কিজানি! কিন্তু এজন ব্যক্তিয়ে কৰিছিল। সেইজনী গৰিমা। আমাৰ দুয়োৰে মাজত দূৰত্ব মাঁথোন দুজনী ছোৱালী আৰু এজন ল'ৰা। একেখন বেঞ্চ। 'গৰিমা' জনীয়ে বেছি হৈ থকা 'উইং ছাং' পেনটো মোৰ ফালে নীৰৱে আগবঢ়াই দিলে। কি হবলৈ কি হ'ল? হাতখন আগবঢ়াই তাইৰ পেনটো লওঁতেই হাতৰ পৰা সৰকি পৰিল। থ্ৰি ষ্টোৰিড বিল্ডিংৰ পকা মজিয়াত পৰি পেনটো আৰু পেন

হৈ নাথাকিল! চিয়াঁহীখিনিয়ে পকা মজিয়াত কিছুমান বুজিব নোৱাৰা চিত্ৰ আঁকিলে। অবাক দৃষ্টিৰে চাই ৰলোঁ। 'অধিকাৰী' ছাৰৰ দৃষ্টিটো সেয়া ধৰা পৰিল। তেখেতে সেই মৰ্মেই উক্ত কথাকেষাৰ ক'লে। ভাবিলোঁ, আৰু কিবা ক'ব। কিন্তু নক'লে একো। বৰঞ্চ তেখেতৰ পেনটো মোৰ ফালে আগবঢ়াই দিলে।

সময়ৰ কোৱাল সোঁতত দিনবোৰ ভাঁহি যোৱাৰ লগে লগে আমি দুয়ো ভাঁহি গলোঁ। মন সাগৰৰ উত্তাল তৰঙ্গৰ ছন্দৰ তালে তালে। কোনো এক অচিন দেশলৈ'। দুয়ো দুয়োৰে মনৰ কোণত থুপ খাই থকা নোপোৱাৰ অব্যক্ত বেদনা উপলব্ধি কৰিলোঁ। পৰষ্পৰে পৰষ্পৰক অতি ওচৰতে বিচাৰি পালোঁ। সেয়ে মৰসাহ কৰি জপিয়াই পৰিলোঁ মন সাগৰৰ মাজ মজিয়াত। ভাবিলোঁ পাৰ হৈয়েই আমি দুয়ো দুয়োৰে শিৰ উজলাম। কল্পনাৰ সাতৰবৰণীয়া ৰামধেনুৰ ৰং সানিম বাস্তৱ তুলিকাৰে। কিন্তু সেইটো হৈ নুঠিল। গৰিমা আৰু মোৰ নিবিড় প্ৰেমৰ প্ৰতিবন্ধকৰূপে থিয় দিলে এখনি সমাজ। যি সমাজখনৰ এলান্ধু ক'লা আঁউসীৰ প্ৰলেপ সনা ধৰ্মান্ধতাত হাজাৰ হাজাৰ ডেকা-গাভৰুৰ জীৱনলৈ নামি আহিছে ঘোৰ অমানিশা। বহুতৰে জীৱন অকালতে মাৰ গৈছে নিয়তিৰ কৰাল গ্ৰাসত। আমাৰো জীৱনৰ প্ৰতি পদে পদে সৃষ্টি হ'ল শত বাধাৰ। ঘাত-প্ৰতিঘাতত মই হলোঁ জুৰুলা জুপুৰা। আমাৰ প্ৰেমৰ প্ৰতিবন্ধকটো আপ্ৰাণ চেষ্টা কৰিও অতিক্ৰম কৰিব নোৱাৰিলোঁ।

ইয়াৰোপৰি গৰিমা আৰু মোৰ মাজত পাৰ্থক্য মাথোঁন এখন প্ৰাচীৰৰ—যি প্ৰাচীৰ শত চেষ্টাৰে অতিক্ৰম কৰিব নোৱাৰিলোঁ। সেয়াই হ'ল— 'গৰিমা' জনী আছিল কায়স্থ। আৰু মই এজন মহাম্মদান।

এসময়ত মই কক্ষচ্যুত এক গ্ৰহৰ দৰে ছিটিকি পৰিলোঁ বহু দূৰলৈ'। এইখন পৃথিৱীক পাহৰিব খুজিও পাহৰিব পৰা নাছিলোঁ। চিৰদিনৰ বাবে জীৱন্ত বন্তি নিৰ্বাপিত কৰিবলৈ' চেষ্টা কৰাতো কোনোবাই যেন মোৰ কানে কানে কৈ গ'ল— 'আত্মহত্যা মহাপাপ'। পিছ মুহূৰ্ত্ততে শুনিবলৈ পালোঁ– 'যি জীৱনলৈ' ঘাত-প্ৰতিঘাত জটিলতা আদি অহা নাই সেই জীৱনে পূৰ্ণতা লাভ কৰিব পৰা নাই। সেয়ে বিনয়, আজিও মই জীয়াই আছোঁ — পিঞ্জৰাবদ্ধ এক অনামী পখীৰ দৰে। মোৰ মানত পৃথিৱীখন যেন এখনি কাৰাগাৰ। মোৰ মনৰ আশা মনতে মাৰ গ'ল। ভাবনাৰ আঁত হেৰাই গ'ল। স্মৃতিৰ মুকুতাবোৰে মানসী পটত ৰেখাপত কৰিলে। বিক্ত মনৰ ৰুদ্ধ কবিতাৰ ৰিণি ৰিণি সুৰবোৰ শুনি পালে দূৰণিৰ দিগন্তত। মন মালঞ্চৰ ফুল কলি অকালতে মৰহি যোৱাৰ লগে লগে মোৰ আকাশ হৃদয় ব'লা মেঘে আৱৰি ধৰিলে। এয়া যেন বৰষুণৰ টোপাল নহয়। অজস্ৰ সৰিসৃপৰ দংশন! যন্ত্ৰণাত অধীৰ হৈ পৰিলোঁ। কান্দি কান্দি ক্লান্ত হৈ পৰিলোঁ। সেই সময়ত মোৰ দুচকুৰেদি পানীৰ নিজৰা বৈ যোৱা নাছিল। তাৰ পৰি-

বর্তে জ্বলি উঠিল একুৰা জুই। অজ্ঞতাৰ গুহাত স্বার্থ আৰু মূঢ়তাৰ ঠেক গণ্ডিৰ মাজত আবদ্ধ হৈ থকা এই মানৱ সমাজ খন পুৰি ছাই কৰি দিবলে'।

বিনয়, তই ক'ব পাৰ নে 'মানুহ কিয় জীয়াই থাকে'? বোধহয় এই প্ৰশ্নৰ উত্তৰ দিবি যে প্ৰেম, কৰুণা আৰু দয়াৰে মানুহ জীয়াই থাকে। মই ইয়াৰ ঘোৰ প্ৰতিবাদ কৰি কওঁ যে, মানুহৰ পাহৰণি শক্তি আছে বাবে মানুহ জীয়াই থাকে। অন্যথা পাৰ হৈ যোৱা জীৱনৰ অসংখ্য স্মৃতিবোৰ মনৰ কোণত জমা হৈ হৈ তাৰ গধুৰ চাপত পৰি মানুহ মাৰ নাইকিয়া হ'লহেঁতেন কাহানিবাই। মই কিন্তু এই দুয়োটাৰে বিপৰীত। কাৰণ মানুহৰ প্ৰকৃত প্ৰেম, কৰুণা, দয়া আদি পোৱা হ'লে গৰিমা আৰু মোৰ বিচ্ছেদ নহ'লহেঁতেন। আনকি জীৱনৰ সকলো স্মৃতি পাহৰিব পৰা নাই। তথাপি মই জীয়াই আছোঁ। কিহৰ বাবে নেজানোঁ। 'গৰিমা' জনীৰ স্মৃতিয়ে মোক ব্যাকুল কৰি তোলে। নোপোৱাৰ পঞ্জীভূত বেদনাই তীব্ৰ হাহাঁকাৰ কৰি যেন ওলাই আহিব খোজে। বিৰহ বেদনাৰ তুঁহজুইৰ দহনত মোৰ সৰ্বশৰীৰ দগ্ধীভূত। কিন্তু বিনয়, যাৰ বাবে আজি মোৰ এই পৰিণতি, সেই গৰিমা জনীয়ে জানো মই ভবাৰ দৰে ভাবিছে? ভাই জানো সম্পূৰ্ণ সহজ হব পাৰিছে?

প্ৰায় তিনিটা বছৰ নিষ্ঠুৰ নিয়তিৰ কবাল গ্ৰাসত লীণ গ'ল। গৰিমা জনীক দেখা নাই। ভগ্ন হিয়া লৈ মই ঘূৰি ফুৰি আছোঁ বাটে বাটে। মন মোৰ উদাস। ভাব মোৰ উদ্‌ভ্ৰান্ত। এটা ক্ষণত মোৰ দৃষ্টি থৰ হৈ গল বিপৰীত ফালৰ পৰা আহিব ধৰা দুজনী ছোৱালীৰ ওপৰত। মই এক অবাক দৃষ্টিৰে চাই আছোঁ। — চাই আছোঁ। ছোৱালী দুজনী অইন কোনো নহয়। গৰিমাজনী আৰু তাইৰ কোনোবা বান্ধবী। অপ্ৰত্যাশিতভাৱে মাৰ মূৰ আচন্দ্ৰাই কৰি গ'ল। চাৰিওফালে ধুঁৱলা-কুঁৱলী যেন দেখিব ধৰিলোঁ। হৃদয়ৰ কোনোবা চুকত তীব্ৰ আঘাত পালোঁ। মোৰ এনে অৱস্থা কিয় হৈছিল জান বিনয়? গৰিমা জনীৰ কপালত সেন্দুৰৰ ডাঙৰ ফোঁত এটা তিৰবিৰকৈ জ্বলি আছিল। তাই মোক দেখা পোৱা নাছিল। মই পাইছিলোঁ। মই নিজকে অকলশৰীয়া অনুভৱ কৰিলোঁ এইখন পৃথিবীত। ভৰিৰ তলৰ পৰা পৃথিবী খন আঁতৰি যোৱা যেন লাগিল। মোৰ মন কাগজৰ নাওবোৰ দৰে সাগৰৰ অতল তলিত বুৰ গ'ল। মই অনুভৱ কৰিলোঁ কোনোবাই যেন মোৰ টেটু চেপি ধৰিব খুজিছে। অজান আশংকাত বুকুখনি কঁপি উঠিল। ইতিমধ্যে চহৰৰ গলি-য় গলিয়ে লাইটবোৰ জ্বলি উঠিলেই। এই পোহৰবোৰ যেন মোৰ শত্ৰু হৈ উঠিল। নিজকে গোপন কৰিবলৈ চহৰৰ বহল বাটেৰে অবিছিন্ন ভাৱে বৈ যোৱা হেজাৰ হেজাৰ জনতাৰ ভিৰৰ মাজত মই মোক বিলাই দিলোঁ।

—::—

# অভিনেত্ৰী

হিমানী মেধী
স্নাতক মহলা

বিয়াৰ কথা। চাৰিওপিনে কেৱল ব্যস্ততা আৰু ব্যস্ততা।

বাইদেউৰ বিয়াত গোটেই দিনটো মেখেলাখন ককালত খুচি লৈ ইফাল সিফাল কৰি থকোঁতে ভাগৰত দেহলৈ অৱসাদ নামি আহিছে। বিয়া ঘৰত আত্মীয়-স্বজন তেনেই ডাকৰ। আকৌ যি কেইজন আছে, গণ্য-মান্য তথাকথিত ভদ্ৰলোক। কোনেও কাম কৰিম বুলি আগবাঢ়ি অহা নাই। সবেই যেন নিজ নিজ উদ্দেশ্যলৈয়েই ব্যস্ত।

কিছুমান চেমনীয়া ডেকাই পানী আনিবলৈ যোৱা নিৰীহ ছোৱালী কেইজনীক জোকাই ৰং চাইছে। আকৌ আন কিছুমে হয়তো গাজাখুৰি গল্পকে কৰিছে। আৰু ঘৰৰ ভিতৰত এজাক তিৰোতাই হয়তো কইনাৰূপী বাইদেউৰ দৰাজন কেনেকুৱা, কি চাকৰি কৰে, ক'ত থাকে, জোৰণত কি কি গহনা দিছে, কেইযোৰ পাট কাপোৰ দিছে ইত্যাদি লাগতিয়াল—অলাগতিয়াল প্ৰশ্ন কৰি বাইদেউক ব্যতিব্যস্ত কৰি তুলিছে। সকলো যেন আপোন কথাতে মগন।

তাৰ মাজতে অলপমান সময় আজৰি উলিয়াই এন্ধাৰ চুক এটাত বহি লৈ বাইদেউৰ কথাকে পাগুলি গলোঁ।

বাইদেউ, মানে আজি যিজনীৰ বিয়া হৈছে মোৰ নিজৰ বাইদেউ নহয়। নাম তেওঁৰ প্ৰণতি গোস্বামী; এজন সম্পৰ্কীয় মোমাইদেউৰ ছোৱালী। বাইদেউতকৈ মই প্ৰায় ৪/৫ বছৰে সৰু যদিও তেওঁৰ আৰু মোৰ মাজত সকলো কথা-বতৰা চলে অবাধ গতিৰে—ঠিক সমনীয়া বান্ধৱীৰ দৰেই।

জোৰণ পিন্ধোৱা দিনটোৰ কথা মোৰ মনত পৰিল। বাইদেৱে খুব কান্দিছিলে সেইদিনা। ৰাতি হোৱা বাবে মোক আহিব নিদিলে। দুয়োজনীয়ে এটুকুৰা নিৰল ঠাইৰ চুক এটাত বহি লৈছিলোঁ। বাইদেৱে অন্তৰ উজাৰি মোক সেইদিনা সকলো কথা কৈছিল— 'বন্দনা' তই কেতিয়াও কোনো ল'ৰাক ভৱিষ্যত জীৱনৰ অৰ্দ্ধাঙ্গিনী হ'ম বুলি প্ৰতিশ্ৰুতি নিদিবি। তই মোৰ কথাকে ভালদৰে গমি চা—। ইপিনে এজন ল'ৰাৰ ভৱিষ্যত জীৱন ধ্বংস কৰি আন এজনৰ সোণৰ সংসাৰ গঢ়িবলৈ গৈ মই গোটেই জীৱনটো কটাব লাগিব কেৱল অভিনয় কৰি। মই সংসাৰ মঞ্চত থিয় হব লাগিব এগৰাকী অভিনেত্ৰী হিচাপেহে। ম—ই—ম…' বাইদেৱে আৰু ক'ব নোৱাৰিলে। মোৰ কোচত মূৰ থৈ সজোৰে উচুপি উঠিল।

এৰা, প্ৰণতি বাইদেৱে গোটেই জীৱন অভিনয় কৰিয়েই কটাব লাগিব। তাই এজন ল'ৰাক মনে প্ৰাণে ভাল পাইছিল। ভৱিষ্যত জীৱন-সঙ্গিনী হ'ব বুলি ল'ৰাজনক প্ৰতিশ্ৰুতি দিছিল - 'মৃগেনদা! গোটেই জীৱন অপেক্ষা কৰিম একমাত্ৰ তোমাৰ বাবেই—।" কিন্তু বাইদেৱে জানো প্ৰতিশ্ৰুতিৰ উচিত মৰ্যদা দিব পাৰিলে !! আৰু তাইৰ নয়নৰ মণি 'মৃগেনদা'ৰ কাৰণে অপেক্ষা কৰিলে জানো !!! নকৰিলে—1 ৰাখিব নোৱাৰিলে বাইদেৱে প্ৰতিশ্ৰুতি। নোৱাৰিলে একমাত্ৰ মাক-দেউতাকৰ ৰক্ষণশীল মনৰ বাবেই। বাইদেৱে Choice কৰা ল'ৰাজনৰ লগত মোমাইদেউহঁতৰ জাত নিমিলে। মোৰ মনটোৱে বিদ্ৰোহ কৰি উঠিল। এজন ল'ৰাই নিম্ন বংশত জন্মলাভ কৰিলেই তেওঁৰ জানো উচ্চ বংশৰ ছোৱালী বিয়া কৰোৱাৰ অধিকাৰ নাই !!! কিয় ??? এই ৰক্ষণশীল সমাজখনৰ সকলো নিয়ম উচ্ছেদ কৰি এখন সুস্থ সবল সমাজ গঢ়ি তুলিব নোৱাৰিনে ?

এনেতে কাৰোবাৰ হাতৰ স্পৰ্শই মোৰ ভাৱনা-ৰাজিত আউল লগালে। ঘূৰি চাই দেখো মোৰ ডাঙৰ বাইদেউ অৰ্থাৎ আৰতি শৰ্মা। তেওঁ আহিয়েই প্ৰণতি বাইদেৱে কান্দি থকা দেখি ক'লে--"উৱা ! এইজনীয়ে আক' কান্দিছে কেলেই। তহঁতে বহুদিন মাৰহঁতৰ ঘৰত সুখতে থাকিলি। মোৰ দৰে ৯ বছৰ বয়সতে উলিয়াই দিলে এইজনীয়ে বা কি কৰিলেহেঁতেন। তোক বহুত পঢ়ালে, ভাল দৰালৈ বিয়া দিব এতিয়া। মোৰ আকৌ সৰুতে বিয়া হৈ এতিয়া এই বয়সতে পেন-পেনীয়া এজাক ল'ৰা-ছোৱালীৰ মাক হ'বলগাত পৰিছোঁ। ইটো আহিব মা গাটো ধুৱাই দিয়া। সিটোৱে আহি আচলত ধৰি চকুলোৰে শেঙুনে একাকাৰ হোৱা মুখখন মোহাৰিব। সিজনীটো আকৌ এখোপ চৰা। স্কুললৈ যাবৰ সময়ত হুলস্থূল লগাব—ক'ত কিতাপ—ফলি—পেন্সিল, মূৰত মৰা ফিটা আদি বিচাৰি। ইহঁতটৈকে আকৌ আমাৰ মহাৰাজ আহিলে গাত তৎ নাইকিয়া কৰে। সকুতকৈ তেখেতৰহে বেছি আব্দাৰ, বেছি হাহাঁকাৰ। আৰতি বাইদেৱে পুনৰ কৈছিল— তোক গহনা-পাতি ইমান দিছে, ভৰিৰ পৰ মূৰলৈ দেখা ড্ৰেচিং আইনা দিছে, মোক কিন্তু দেউতাই কাঠৰ এযোৰ সাধাৰণ চকী-মেজ দি ঠগাইছে " বাইদেৱে আৰু বেছি ক'বলৈ নেপালে।

প্ৰণতি বাইদেৱে ফেকুৰি ফেকুৰি কৈ উঠিল— "তোমালোকে কেৱল ধনহে চিনি পোৱা, মানুহৰ শাৰীৰিক সুখঃকৈ মানসিক শান্তি যে কিমান ডাঙৰ বস্তু ; তোমালোকৰ দৰে ধন চিনা মানুহ তাৰ মোল নুবুজা বুলি কৈ বাইদেৱে দুগুণ জোৰেৰে কান্দি উঠিল। ডাঙৰ বাইদেৱে প্ৰণতি বাইদেউৰ কথা শুনি ক'লে– "এহ, আমি হ'লে মানসিক শান্তি আকৌ কি বুজি নেপাওঁ দেই,"— বুলি কৈ সৰু ছোৱালীজনীয়ে আমনি কৰাত তাৰ পৰা আঁতৰি গ'ল।

এনেতে নওলা মুখৰ পৰা অহা হুলস্থূলে মোক চিন্তাত পেলালে। দৰা আহিল বুলি একে লৰে নওলামুখ পাই দেখোঁ দৰা সঁচাই আহিছে। দেখিলোঁ দৰাজন সুদৰ্শন যুৱক। ভাবিলোঁ–

এই ল'ৰাজনেই প্ৰণতি বাইদেউৰ ভৱিষ্যত জীৱন যাত্ৰাৰ একমাত্ৰ সঙ্গী।

তেনেতে মোৰ নাম ধৰি কোনোবাই মতা যেন পালোঁ। ঘূৰি চাই দেখোঁ—মামীদেৱে মাতিছে। মই হেনো দৈ কমলাবে দৰাৰ ভৰি ধুৱাব লাগে। উপায় নেপাই লাজ লাজকৈ ভৰি ধুৱাই আদৰি আনি চো'তালত বহুৱাইছোঁহি।

বিয়া সুকলমে হৈ গ'ল। যথা সময়ত কইনা ভিতৰলৈ নিলে।

কইনা ভিতৰলৈ নিয়াৰ অলপ পিছতে শুনিবলৈ পালোঁ ভিতৰত কোহ'াল লাগি পৰিছে।

বাইদেউৰ ক্ৰন্দনধ্বনিও শুনিবলৈ পালোঁ। লগে লগে মামীদেৱে 'অ' মোৰ ঘৰ শুৱনি আই, অ' মোৰ অপেশ্বৰী আই,' বুলি ইনাই-বিনাই চিঞৰি কান্দিবলৈ ধৰিলে।

ভিতৰত থকা তিৰোতাবোৰেও এজনী এজনীকৈ কান্দোনত যোগ দিছে। এই তিৰোতাবোৰ যে আৰু—! বৰ আপদীয়া। সিহঁতৰ এজনীয়ে কাঁন্দিলে আটাইকেইজনীয়েই কান্দিব। আজি এই মহেন্দ্ৰক্ষণত হাঁহি-মাতি কইনাক উলিয়াই দিব লাগে। সিহঁতে আকৌ ইনাই-বিনাই কান্দিহে থাকিব।

মই হ'লে কন্দা নাই। কাৰণ বাইদেউ আজি গ'লেও পৰহি আকৌ আহিবই। পিছতো মাজে সময়ে আহি থাকিবই। এনেকুৱা ক্ষেত্ৰত কন্দাৰ যুক্তি-যুক্ততা মই হ'লে দেখা নেপাওঁ।

দুখ অৱশ্যে লাগে। কাৰণ এইখন ঘৰৰ প্ৰতিটো ধূলি-মাকতি, আৰু অতি আপোন পৰিবেশ এৰি অইন এঘৰ অচিনাকি মানুহক আপোন বুলি সাৱটি লোৱা বৰ কষ্টকৰ। কিজানি ছোৱালীবোৰে বিয়া দিলে সেইবাবেই কান্দে। ল'ৰাবোৰৰে ভাল। সিহঁতে নিজে বন্ধু-বান্ধৱৰ লগত আহি আনন্দমনে ছোৱালী নিজৰ ঘৰলৈ নিয়ে। কথাবোৰ ভাবি ক'ব নোৱাৰাকৈয়ে মোৰ দুচকুৰেদি দুধাৰি অশ্ৰুধাৰা বৈ আহিল।

তেনেতে দেখিলোঁ গজ গমনেৰে বাইদেউ মোৰ পিনে আহিছে। যদিও মই কোনেও নেদেখাকৈ বহি আছোঁ। তথাপিও বাইদেৱে মোক কেনেবাকৈ দেখিলে—আৰু আগুৱাই আহি সাৱটি ধৰি কান্দিবলৈ ধৰিলে। ময়ো ক'ব নোৱাৰাকৈ বাইদেউক সাৱটি ধৰি চিঞৰি চিঞৰি কান্দি উঠিলোঁ। কোনোবা এজনে বাইদেউক মোৰ কাষৰ পৰা আঁতৰাই নি টেক্সীত তুলি দিলে।

লগে লগে টেক্সী ষ্টাৰ্ট দিলে। মূৰ তুলি দেখিলোঁ বাইদেউক লৈ টেক্সী ধূলি উৰুৱাই গুচি গ'ল।

বাইদেউ যোৱাৰ পিছতে ময়ো অজানিতে হাত দুখন ওপৰলৈ তুলি ৰহস্যময় ঈশ্বৰৰ ওচৰত সকাতৰে প্ৰাৰ্থনা জনালোঁ — বাইদেউ যাতে সংসাৰ ৰঙ্গমঞ্চত সফল অভিনেত্ৰী হ'ব পাৰে।

# পতাকা উৰিছে

অধ্যাপক বীৰেন্দ্ৰ কুমাৰ দাস।

মানুহ! কেৱল মানুহ। মানুহৰ সোঁত বৈছে। চহৰখনৰ সোঁমাজত অৱস্থিত "জুবিলি ফিল্ড" নামৰ খেল-পথাৰখনেই সকলোৰে লক্ষ্য। বহুত দূৰৈৰ পৰা মানুহ আহিছে। বাছ, ট্ৰাক, ৰেইল গাড়ীৰে মানুহ আহিছে। চহৰ খনত উখল-মাখল লাগিছে। জন সমুদ্ৰৰ মাজে মাজে পানবালা, চানাচুৰ বেচা, খবৰ কাগজ বেচা আইচক্ৰিম বেচা মানুহবোৰে ভমকাফুলীয়া চাৰ্ট-পেন্ট পিন্ধি আনৰ দৃষ্টি আকৰ্ষণ কৰি চেপা মাত উলিয়াই ঘূৰি ফুৰিছে। খেল-পথাৰত থকা গেলেৰী, চকী আদি ভৰি পৰিছে ইতিমধ্যে। পথাৰৰ সোঁমাজত মিলিটাৰী, চি, আৰ, পি, আৰু হাইস্কুল, কলেজৰ এন-চি-চি, বিলাকে শাৰী পাতি থিয় হৈ আছে। হঠাৎ কেইখনমান টেক্সি পথাৰখনৰ দাঁতিত বৈ গ'ল। মানুহবিলাকৰ হুলস্থুল লাগিল। কিছুমানে চিঞৰি উঠিল—"মিনিষ্টাৰ আহিছে!" "মিনিষ্টাৰ আহিছে !!"

এক অস্বস্তিকৰ ভাব মুখত লৈ মন্ত্ৰী ভাৰ্গৱ চৌধুৰী ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা ঠাই ডোখৰলৈ গ'ল। লগে লগে পেৰেডৰ সুৰ বেণ্ডপাৰ্টিৰ বেণ্ডবোৰত বাজি উঠিল। মিলিটাৰী, চি আৰ, পি, এন, চি, চি, বিলাকে 'পজিচন' ল'লে। এটা সময়ত পতাকা উত্তোলন কৰি মন্ত্ৰী চৌধুৰীয়ে লাউদ স্পিকাৰটোত হাতেৰে ধৰি তেজস্বী বক্তৃতা আৰম্ভ কৰি দিলে—"ৰাইজসকল! আজিৰ এই দিনটো বৰ তাৎপৰ্যৰ দিন। আজি আমাৰ দেশ স্বাধীন হোৱাৰ একত্ৰিশ বছৰ হ'ল। জাতিৰ পিতা মহাত্মা গান্ধীয়ে অহিংসা নীতিক সৰোগত কৰি অশেষ কষ্ট স্বীকাৰ কৰি আজিৰ পৰা একত্ৰিশ বছৰৰ পূৰ্ব্বে এনে এটা বিশেষ দিনতে প্ৰায় আঢ়ৈশ বছৰ ধৰি আধিপত্য বিস্তাৰ কৰা বিদেশী জাতি এটাৰ কবলৰ পৰা ভাৰতক উদ্ধাৰ কৰিছিল। স্বাধীনতা পোৱাৰ আগেয়ে সুদীৰ্ঘ দিন ধৰি বাপুজীয়ে অশেষ গ্লানি, অশেষ

কণ্ঠ ---" ইমান সময়ে এমুখ বগা পকা দাড়িৰে, কোটৰগত চকুৰে, মলিয়ন ফটা চুৰিয়া এখনি পিন্ধি— বননিত অঘৰীৰ দৰে এজাক মানুহৰ মাজত বহি থকা জীৱেশ্বৰে মূৰটো অকণমানি দাঙি মন্ত্ৰীলৈ চাই পঠিয়ালে। মন্ত্ৰীৰ মাত গদ্ গদ্ হৈ পৰিছে। বোধহয় তেওঁৰ দুখ লাগিছে পুৰণি ঘটনাবিলাক মনত পৰি। সাধাৰণ দৰ্শকে ইস্ আস্ কৰিছে মন্ত্ৰীৰ দুখত দুখী হৈ। এবাৰ মন্ত্ৰীয়ে পকেটৰ পৰা ৰুমালখন উলিয়াই চকুযোৰ মচি চশমাযোৰ ঠিক কৰি আকৌ বক্তৃতা আৰম্ভ কৰিলে - "বাপুজীৰ কল্পনাৰ ৰামৰাজ্যক আমি বাস্তৱত ৰূপায়িত কৰিবই লাগিব। আমাৰ প্ৰধান সমস্যাসমূহ সমাধানৰ চেষ্টাত আমাৰ নতুন চৰকাৰ সম্প্ৰতি সদা সচেতন। আগৰ চৰকাৰে এই ত্ৰিশ বছৰে যি দিব নোৱাৰিলে সেই চৰকাৰক আপোনালোকেই সমাজচ্যুত কৰি সমুদায় দায়িত্ব ন্যস্ত কৰিছে আমাৰ ওপৰত। আমি আপোনালোকৰ সেৱক। অসমৰ আঞ্চলিক সমস্যা, নিবনুৱা সমস্যা,........" বাকীখিনি জীৱেশ্বৰে শুনিবলৈ নেপালে ৰাইজৰ হাত চাপৰিৰ শব্দত! মূৰটো ঘূৰোৱা যেন লাগিল জীৱেশ্বৰৰ। মূৰটো দুহাতেৰে চেপি ধৰি দীঘলকৈ উশাহ লবলৈ চেষ্টা কৰিলে। মানুহৰ হুলস্থূল --। মন্ত্ৰীৰ বক্তৃতা, ৰাস্তাৰে গৈ থকা মটৰৰ হৰ্ন, পানৱালা, চানাৱালাৰ চিঞৰ --। জীৱেশ্বৰৰ মনত দুখন ছবিয়ে সমান্তৰালভাৱে গতি কৰিবলৈ ধৰিলে।

--"ভোগেশ্বৰী ফুকননীৰ মৃত্যুৰ কেইদিন-মানৰ পিছতে নগাওঁ চহৰৰ পৰা চাৰি মাইল আঁতৰত থকা কুজিদাঁহ গাঁৱৰ পৰা ঘৰৰ মোহ চিৰদিনৰ বাবে ত্যাগ কৰি ওলাই আহিছিল কেইজনমান ডেকা। মুখত, অন্তৰত এটা ভাব "কৰেঙ্গে য়া মৰেঙ্গে।" ইংৰাজ চৰকাৰক বৰ ঘৰৰ পৰা বাহিৰ কৰিব লাগিব। স্বয়ংসেৱক সকলৰ লগত ৰাতিৰ অন্ধকাৰত মিটিং কৰি কুজিদাঁহৰ পৰা অহা জীৱেশ্বৰে সদ্যবিবাহিত বৈণীয়েকৰ মুখখন মনত নেপেলাবলৈ বাৰে বাৰে চেষ্টা কৰি এটা সময়ত সফল হৈছিল। আৰম্ভ হৈছিল এক আচৰিত গোপন জীৱন। মনত হেজাৰ হাতীৰ বল লৈ ৰাতিৰ অন্ধকাৰৰ মাজে মাজে চলিছিল ইংৰাজৰ বিৰুদ্ধে অভিযান। - .... এদিন --- হয়, এদিন ছাগলী মুৰ্গী আদি যোগান ধৰা ধূৰ্ত্ত ঠিকাদাৰ এজনে জীৱেশ্বৰ-হঁতৰ গোপন ঘাটিৰ কথা ইংৰাজ চৰকাৰৰ বিষয়াক মনে মনে কৈ বহুত টকা লাভ কৰিছিল। সুদীৰ্ঘ চাৰি বছৰ কাল জেইলত থাকি এদিন পুলিচৰ অত্যাচাৰত পঙ্গু হৈ পৰা দেহ এটা লৈ জীৱেশ্বৰ ওলাই আহিল। ঠিক তেনেতে ভাৰতে স্বাধীনতা পালে। কি যে অনুভূতিৰ সৃষ্টি হৈছিল সেইদিনা জীৱেশ্বৰৰ মনত! শিৱসাগৰৰ পৰা নগাঁৱলৈ ৰেলেৰে আহি যেতিয়া জীৱেশ্বৰে ঘৰৰ নঙলামুখ পাইছিল তেতিয়া সি ক্ষন্তেক থমকি ৰৈছিল। ঘৈণীয়েকক কি ক'ব, বাপেক-মাকক কেনেকৈ তাৰ অনুভূতিবিলাকৰ কথা ক'ব! ...- কিন্তু -এয়া কি হৈ গ'ল ..?

প্ৰায় উৰলি যাব ধৰা ঘৰটোৰ মুখৰ কোঠাত জুপুকা মাৰি বহি থকা এই মানুহটো তাৰ বাপেকনে ? ....যৈণীয়েক ৰূপহী আৰু মাক ? বেহচ হৈ পৰা জীৱেশ্বৰে জ্ঞান অহাত দেউতাকে কষ্টেৰে কোৱা কথাবোৰ জুকিয়াই লৈছিল—। মাক কলেৰাত মৰিল। ৰূপহীয়ে সন্তান—সম্ভৱা অৱস্থাতেই ঘৰখন ধৰি ৰাখিবলৈ চেষ্টা কৰি পুলিচৰ অত্যাচাৰত জীৱেশ্বৰক এৰি চিৰদিনৰ কাৰণে গুচি গৈছিল সি যোৱাৰ এবছৰৰ পিছতে। --জীৱেশ্বৰক সংবাদখিনি দি অস্থি–চৰ্ম–সাৰ বাপেকে পুৰণি মোনা এখন কাষলতিৰ তলত লৈ ওলাই গৈছিল। —এদিন বাপেকো গুচি গ'ল। একমাত্ৰ ভেটি-মাটি টুকুৰা জাল চহীৰে মাৰোৱাৰীয়ে কাঢ়ি লৈ গ'ল। এইবাৰ পুলিচৰ বুট জোতাৰ গচক আৰু বেতৰ প্ৰহাৰৰ চিনবিলাকে জীৱেশ্বৰৰ দেহত আত্মপ্ৰকাশৰ সুযোগ বিচাৰি গুজৰি গুজৰি উঠিল। স্বাধীন হোৱাৰ পিছত বহুতেই মুক্তি যুজাৰু বুলি পেঞ্চন পালে। জীৱেশ্বৰৰ লাজ লাগিল মুক্তি যুঁজাৰু প্ৰমাণ পত্ৰ সংগ্ৰহ কৰিবলৈ। জীৱেশ্বৰ ওলাই আহিল ৰাজআলিলৈ বাপেকৰ মোনাখন লৈ। বাপুজীয়ে কল্পনা কৰা ৰামৰাজ্যত কিজানি–।”

ইয়েইতো তেতিয়া ঠিকাৰ কাম কৰিছিল, ইংৰাজক ছাগলী-মুৰ্গীৰ যোগান ধৰিছিল। গোপনে ইংৰাজক ইয়েইতো খবৰ দি জীৱেশ্বৰহঁতক ধৰাইছিল। ই দেখোন সৌ সিদিনালৈকে একনায়কত্ববাদৰ খুটি তাল বজাই শাসক শ্ৰেণীত আছিল। সুবিধা বুজি লুটি বাগৰ মাৰি, নতুন মুখা পিন্ধি জনতাক ঠগিবলৈ.........” জীৱেশ্বৰে আৰু ভাবিব নোৱাৰিলে। নিজেই ক'ব নোৱাৰাকৈ লাখুটিডাল লৈ থিয় হ'ল। ওচৰৰ মানুহকেইটাই জীৱেশ্বৰলৈ ঘোপাকৈ চাই পঠিয়ালে। লাঠিডাল ওপৰলৈ দাঙি “বন্ধ কৰ তোৰ বক্তৃতা” বুলি ক'ব খোজা জীৱেশ্বৰ এসময়ত স্বাধীনতা সংগ্ৰামত লিপ্ত হোৱা জীৱেশ্বৰ, জেইলখোৱা জীৱেশ্বৰ, বহুত থাকিও একো নথকা জীৱেশ্বৰে দেহৰ ভাৰসাম্য ৰাখিব নোৱাৰি লুটি খাই পৰিল।

পোন্ধৰ আগষ্টৰ স্বাধীনতা দিবসৰ পতাকা উত্তোলন কৰা হৈ গ'ল। মানুহবোৰ ঘৰাঘৰি গ'ল। মন্ত্ৰী আগেয়ে গৈছে— —। খেল-পথাৰত মৃতপ্ৰায় অৱস্থাত পৰি আছে এটা ভিক্ষাৰী— কাষতে তাৰ মোনাখন আৰু লাঠিডাল। কুকুৰ এটাই আঁতৰত বহি কোঁৱাৰী চেলেকিব লাগিছে।

“কিন্তু এই মন্ত্ৰীটো— ...। ইটো— — এৰা স্বাধীন ভাৰতৰ পতাকা উৰিছে— বিজয় গৌৰৱে ॥

“ৰাজনীতিৰ মঞ্চত সাময়িকভাৱে খলকনি তোলা মানুহৰ মৰণৰ লগে লগে মৃত্যুক আঁকোৱালি লয়। মানুহৰ অন্তৰাত্মাক স্পৰ্শ কৰা, সংস্কৃতিৰ পূজাৰীয়ে মৃত্যুক জয় কৰে। এইসকলৰ নশ্বৰ দেহৰ অন্ত পৰিব পাৰে। সেইবুলি এইসকলে সিঁচি থৈ যোৱা সোহৰৰ কেতিয়াও অন্ত পৰিব নোৱাৰে। ৰাভা আজি আমাৰ মাজত নাই। ৰাভাই সিঁচি থৈ যোৱা সোহৰ চিৰিনহুৰ, অপৰাজেয়। সোহৰৰ মৃত্যু নাই। ৰাভা আজি জ্যোতিৰ দেহত।”

– [ বিষ্ণু ৰাভা : এটি সোঁৱৰণি ]— হেম বৰুৱা।

"আন মানুহে যিবোৰ কথা ওপৰে ওপৰে চাই এৰি যায়, সেইবোৰৰ প্ৰতি লক্ষ্য কৰোতাজনকেই প্ৰতিভাশালী বুলি আখ্যা দিব পাৰি ।"

উইলিয়াম্ জেম্ছ্

"সকলোধৰণৰ চৰম পন্থাই ভ্ৰান্তিজনক । ভ্ৰান্তিৰ ওলোটা দিশ সত্য নহয়, সিও ভ্ৰান্তিহে । দুই চৰমৰ মাজত সত্যই অৱস্থান কৰে ।"

চেচিল্ ।

"যেতিয়া তুমি দেখিবা যে তোমাৰ মনৰ ওপৰত সঙ্কীৰ্ণতাই প্ৰভাৱ বিস্তাৰ কৰিছে আৰু মনটোও ইচ্ছাৰ বসৱৰ্তী হৈছে, মানুহ বিলাকে পৃথিবীক আঁকোৱালি লৈছে, প্ৰত্যেকজন লোকে নিজৰ নিজৰ ৰায়ক পছন্দ কৰিছে আৰু তাৰ ওপৰত গৌৰৱ কৰিছে তেতিয়া তুমি সামাজিক জীৱনৰ পৰা আঁতৰি থাকি নিজৰ জীৱন বচাবা ।"

হজৰত মহম্মদ

"কামে মানুহক তিনি ধৰণৰ অসততাৰ পৰা আঁতৰাই ৰাখে:— একঘেয়েমী, পাপ আৰু অভাৱ ।

ভল্টেয়াৰ

"যশৰ আকাংক্ষাই হ'ল আটাইতকৈ চৰম অহঙ্কাৰৰ চিন ।"

——চাণ্টায়ানা ।

"জীৱন অনন্ত আৰু প্ৰেম অমৰ । মৃত্যু হ'ল আমাৰ দৃষ্টিৰ দ্বাৰা সীমাবদ্ধ দিগন্ত ।'

——ৰজিটাৰ ৰেমণ্ড ।

আমাৰ ,সাহিত্য জগতৰ আটাইতকৈ দুখজনক দৃষ্টান্তটো হল ক্ষুদ্ৰ আলোচনীবোৰৰ মৃত্যুৰ কাহিনী, যিবোৰে কবিতা মুক্ত কৰিবলৈ গৈ নিজে মৃত্যুৰ মুখত পৰে ।"

—কেইথ্ প্ৰেচ্টন্ ।

"আমি কিন্তু
আকাশত ফুৰিছোঁ যদিও আকাশৰ গান শিকা নাই
সাগৰত নামিছোঁ যদিও সাগৰৰ গভীৰতা
আজিলৈকে জোখা নাই ।"

—কবি নলিনীধৰ ভট্টাচাৰ্য ।

# অসাৰ্থক

অধ্যাপক দেবেশ চন্দ্ৰ দাস

পদূলিমুখৰ বাৰন্দাৰ ইজিচেয়াৰখনত মূৰটো পেলাই বহুত সময় তন্ময় হৈ বহি ৰ'ল অৱসৰপ্ৰাপ্ত শিক্ষক বিকাশ বৰুৱা। অলপ আগতে হৈ যোৱা ঘটনাটোৰ কথাই তেওঁ চিন্তা কৰিছিল। বুঢ়া হ'লে মানুহ এইদৰে সকলোৰে অৱজ্ঞাৰ পাত্ৰ হয় নেকি! নহলে বিজয়ে তেওঁক এইদৰে ক'ব কিয়? অলপ আগতে হোৱা ঘটনাটোৰ কথা তেওঁ আকৌ এবাৰ মনত পেলালে।

আনদিনাৰ দৰে আজিও বিজয়ে সাজি-কাচি সান্ধ্যভ্ৰমণৰ বাবে প্ৰস্তুত হৈছিল। এইখিনি সময়ত তাৰ মুখত এটা বেলেগ উৎসাহ দেখা যায়। নতুনকৈ ইস্ত্ৰি কৰা বহল বংপেণ্ট, চিক্-চিকীয়া জোতাযোৰ আৰু ফুলাম চাৰ্টটো পিন্ধি সি এনেকুৱা ব্যস্ততাৰে ঘৰৰ পৰা ওলাই যাব যেন এটা বিশেষ গুৰুত্বপূৰ্ণ কামতহে যেন বাহিৰলৈ ওলাইছে। এইখিনি সময়ত তাক দেখিলে কোনেও ধাৰণাই কৰিব নোৱাৰিব যে আজি তিনি বছৰে পৰীক্ষা দিও সি মেট্ৰিক্ৰ দেওনা-টোকে পাৰ হ'ব পৰা নাই।

আজিও সি আনদিনাৰ দৰে সাজি কাচি বাহিৰলৈ যাবলৈ বুলি বাৰান্দাত খোজ দিছে, এনেতে বৰুৱাই ইজিচেয়াৰত বহি থকাৰ পৰাই মাত দিলে; "বিজয়, বজাৰলৈ যাব নেকি?"

বিজয়ে দেউতাকৰ ফালে ঘূৰি চাই ক'লে "অঁ, কি হ'ল?"

পাৰ যদি বজাৰৰ পৰা আহোঁতে মাছ অকণ লৈ আহিবিচোন, এইকেইদিন মাছ-তাছ খাবলৈ পোৱাই নাই নহয়। মাছ অকণ নহ'লে ভাত কেইটা পেটলৈ নাযায় দেখোন," বৰুৱাই ক'লে।

"নাই নাই মাছ-তাছ আনিব নোৱাৰোঁ। এইখিনি সময়ত মোক এ:কা আনিবলৈ নক'বা। তাতকৈ তুমি:য়েই দেখোন বজাৰলৈ গৈ লৈ আহিব পাৰা, ঘৰত এনেয়ে বহি থকাতকৈ অলপ ফুৰি অহাও হ'ল।" কথাখিনি কৈয়েই বিজয়ে তাত অলপো নৰৈ গপ্‌গপাই গুচি গ'ল।

বিজয় যোৱাৰ বহুত পিছতো বৰুৱা একে ঠাইতে স্তব্ধ হৈ বহি থাকিল। তেওঁ নিজৰ জীৱনৰ কথাকে ভাবিছিল। আজি তেওঁ নিজে কাৰ্যক্ষম অৱস্থাত থকা হ'লে সৰু পুতেকৰ পৰা এইদৰে কথা শুনিব নালাগিলহেঁতেন। নিজৰ অক্ষম অৱস্থাৰ কথা চিন্তা কৰি তেওঁৰ নিজৰ ওপৰতে ধিক্কাৰ উপজিল।

অথচ এই ল'ৰা-ছোৱালীকেইটাক মানুহ কৰিবলৈকে তেওঁ জীৱনত কিমান কষ্টই নকৰিলে। গোটেই দিনটো স্কুলত পৰিশ্ৰম কৰাৰ পিছত আবেলি ঘৰলৈ উভতি আহি অকণ জিৰণি লৈয়ে তেওঁ যেতিয়া আকৌ টিউচনলৈ ওলাই যায় তেতিয়াতো তেওঁ অকণো ভাগৰ বা দুখ অনুভৱ কৰা নাছিল। তেতিয়া তেওঁৰ মনত এবাৰলৈও বিৰক্তি ওপজা নাছিল। সেই সময়ত তেওঁৰ মূৰত কেৱল এটা চিন্তাই বিৰাজ কৰিছিল। সেইটো হ'ল ল'ৰা ছোৱালী কেইটাৰ ভৱিষ্যত। তেতিয়াতো তেওঁৰ মনত এবাৰলৈ খেলোৱা নাছিল যে, যাৰ বাবে তেওঁ এইদৰে কষ্ট কৰিছে সিয়েই তেওঁক এইদৰে ব্যৱহাৰ কৰিব। এৰা, জীৱনত তেওঁৰ এটা দুখেই থাকি গ'ল। সৰু পুতেকক মানুহ কৰিব নোৱাৰিলে। দিনে দিনে তাৰ উদ্ধত স্বভাৱ যেন বাঢ়িহে গৈছে। অৱশ্যে ডাঙৰ দুজন প্ৰবীণ আৰু অজয়ৰ কথা এই ক্ষেত্ৰত সম্পূৰ্ণ বেলেগ। ডাঙৰ ল'ৰা প্ৰবীণে অৰ্থনীতিত এম, এ, পাছ কৰাৰ পিছত স্থানীয় কলেজতে কামত সোমাইছে।

অজয়ে বি,এচ,চি, পাচ কৰাৰ পিছত আৰু নপঢ়িলে। আজি দুবছৰ হ'ল সি কলিকতাত কোম্পানী এটাৰ চাকৰিত সোমাইছে। মাজে মাজে ঘৰলৈ আহে। ডাঙৰ জীয়েক নন্দিতাক মেট্ৰিক পাচ কৰাৰ পিছতে বিয়া দিলে। সৰু জীয়েক পূৰ্ণিমাই পি-ইউ ২য় বাৰ্ষিকত পঢ়ি আছে। তাইৰ কথা ভবাৰ লগে লগে বৰুৱাৰ মনটো প্ৰশান্তিৰে ভৰি পৰিল।

ঘৰখনত তাইয়ে একমাত্ৰ প্ৰাণী যি বৰুৱাৰ সকলো কামৰ তদাৰক কৰে। যোৱাৰীয়েক আছে যদিও বৰুৱাই তেওঁক বৰকৈ নিবিচাৰে। সকলো কামতে কেৱল পূৰ্ণিমাকহে মাতে। পূৰ্ণিমায়ো দেউতাকৰ পৰিচৰ্যা কৰি বৰ ভাল পায়। ঘৈণীয়েক ঢুকোৱাৰ পিছত বৰুৱাই যি নিসঙ্গতা অনুভৱ কৰিছিল তাৰ বহুখিনি দূৰ কৰিবলৈ সক্ষম হৈছিল তেওঁৰ সৰু জীয়েক পূৰ্ণিমাই। তাই দেউতাকৰ মন ঠিক বুজি পাইছিল। সেয়েহে দেউতাকৰ মনটো সজীৱ কৰি ৰাখিবলৈ তাই অনবৰতে তেওঁৰ লগত লাগি থাকে।

"দেউতা"

হঠাৎ কাৰোবাৰ মাতত চক্ খাই বৰুৱাই পিছফালে ঘূৰি চাই দেখে দুৱাৰ মুখত পূৰ্ণিমা থিয় হৈ আছে। তেওঁ প্ৰশ্নসূচক দৃষ্টিৰে তাইৰ মুখলৈ চালে।

"এন্ধাৰ হ'ল, তুমি দেখোন এতিয়াও বাহিৰতে বহি আছা, ভিতৰলৈ ব'লা। চাহ দিছোঁ" পূৰ্ণিমাই ক'লে।

"ব'ল আই" বুলি বৰুৱা থিয় হল আৰু পূৰ্ণিমাৰ পিছে পিছে ভিতৰলৈ আহিল।

তেতিয়া বোধহয় চাৰে আঠমান বাজিছিল। বৰুৱাই এনেয়ে বিছনাত শুই অলপ আৰাম কৰিছিল। হঠাৎ তেওঁ শুনিলে প্ৰবীণে অলপ অলপ উত্তেজিতভাৱে ঘৈণীয়েকক কিবা কৈ আছে। বৰুৱাই কাণ দুখন উৎকৰ্ণ কৰি ব'ল কিন্তু ভালকৈ শুনা নাপালে।

অৱশেষত তেওঁ পূর্ণিমাক মাতিলে। তাই অহাত সুধিলে—

"কি হৈছে ? প্ৰবীণে কাক কি কৈছে" ?

"একো হোৱা নাই" বুলি পূর্ণিমা তলমূৰ কৰি ৰ'ল।

"নিশ্চয় কিবা এটা হৈছে, তই মোক ক'বলৈ ইচ্ছা কৰা নাই। প্ৰবীণক মই মতা বুলি কচোন" বৰুৱাই ক'লে।

"কি হৈছে প্ৰবীণ ? তই কাক কি কৈছিলি" ? বৰুৱাই সুধিলে।

"কি ক'ম আৰু, তোমাৰ নুমলীয়া পুত্ৰৰ কীৰ্তিৰ কথাকে কৈ আছিলোঁ"– প্ৰবীণে বিৰক্তিকৰ ভাৱে উত্তৰ দিলে।

"কিয় বিজয়ে কি কৰিলে" ? বৰুৱাই অলপ উদ্বিগ্নভাৱে সুধিলে।

"সি একেবাৰে জহন্নামে গ'ল। সি যে আজি কালি সন্ধিয়া সময়ত ধুনীয়াকৈ সাজ-পাৰ কৰি ওলাই যায়, আচলতে সি চিনেমা হললৈ গৈ টিকেটৰ চোৰাং ব্যৱসায় কৰে। আজি সিহঁতৰ কেইজনমান পুলিচৰ হাতত ধৰা পৰি মাৰ খাইছে। তাৰ ভিতৰত বিজয়ো এজন"।

প্ৰবীণৰ কথা শুনি বহু সময় বিস্ময়ত হতবাক হৈ ৰ'ল বিকাশ বৰুৱা। শিক্ষক বিকাশ বৰুৱাৰ ল'ৰাই আজি চিনেমা টিকেটৰ ব্যৱসায় কৰে। এয়া কি ভাগ্যৰ পৰিহাস।

এই দুখন হাতেৰেই তেওঁ কিমান ছাত্ৰ গঢ়িলে, কিমানক মানুহ কৰিলে, তেওঁৰ কিমান ছাত্ৰ শিক্ষক, ডাক্তৰ ৰাজনীতিবিদ, সাংবাদিক হ'ল। অথচ! তেওঁ নিজৰ ল'ৰাকে সঠিকভাৱে শিক্ষা দিব নোৱাৰিলে। বিকাশ বৰুৱাৰ এনে লাগিল যেন তেওঁৰ চল্লিশ বছৰীয়া শিক্ষকতাৰ জীৱন সম্পূৰ্ণ অসাৰ্থকভাৱে শেষ হৈ গ'ল।

"বৰ্তমানে মানৱ জাতিৰ মাজত দেখিবলৈ পোৱা বিশৃংখলাৰ কাৰণ বিশ্বাসৰ অভাৱ নহয়, বৰং যুক্তিহীন বিশ্বাসৰ প্ৰাধান্যইহে বিশৃংখলাৰ সৃষ্টি কৰিছে। কেৱল দায়িত্বসম্পন্ন জ্ঞানৰ জৰিয়তেহে এই অৱস্থাৰ পৰিবৰ্তন ঘটাব পৰা যায়।"——জৰ্জ চিম্পচন্।

# মোৰ জীৱনৰ এক অধ্যা

— ৰোহিনী কুমাৰ দাস
স্নাতক মহলা

আজিৰ পৰা প্ৰায় ১৬ বছৰ আগৰ কথা। মই যেতিয়া পাঠশালা স্কুলৰ ৫ম বৰ্গৰ ছাত্ৰ। সেই পাঠশালাটোত যে মই কিমানবাৰ ফেইল কৰিলো তাৰ আৰু হিচাপ ৰাখিব নোৱাৰিলোঁ। পাঠশালা স্কুলতে মোৰ ডাড়ি-গোঁফ গজি গ'ল। তথাপিও মই পঢ়া বাদ দিয়া নাছিলো। অৱশ্যে শিক্ষকৰ বাহিৰে সকলো ল'ৰা-ছোৱালীয়ে মোক বৰ ভয় কৰিছিল। কোনোমতে নেৰা-নেপেৰাকৈ অধ্যয়ন কৰাৰ ফলত পাঠশালাটো পাৰ হলোঁ। পাঠশালাটো পাৰ হৈ হেডপণ্ডিতৰ বেতৰ কোব আৰু আঠুকঢ়া শাস্তিৰ পৰা ৰক্ষা পৰিলো। পাঠশালা পাৰ হৈয়ে মোৰ বৰ ভাল লাগিল। আপুনিয়ে কওকচোন; পৰীক্ষাত পাছ কৰি কাৰ নো বাৰু ভাল নালাগে।

তাৰ পিচত গৈ মই আমাৰ স্থানীয় হাইস্কুলৰ Class IV ত নাম ভৰ্ত্তি কৰিলোঁ। তাত গৈ ফিহে "Foreign Language" পালোঁ, এই বোৰে মোৰ মূৰ খুলি খুলি খাবলৈ ধৰিলে। দেউতাই কিমান টিউচন ধৰি দিয়ে, কিন্তু কোনো কামত নাহে। শিক্ষকৰ বেতৰ কোব দেউতাৰ চৰ আৰু মাৰ খাই মই কোনোমতে ৬ বছৰৰ মূৰত M. E. Section টো পাৰ হলোঁ। M. E. Section টো পাৰ হৈয়ে মই নিজকে বৰ ডাঙৰ কাম কৰা বুলি ভাবিলোঁ আৰু বহুতো পুৰুষালিৰ কামো কৰিলোঁ। পাঠক ডাঙৰীয়া! আপুনিতো নিশ্চয় জানে পুৰুষালিৰ কামবোৰ কি কি? কিন্তু মোৰ পুৰুষালি অলপ বেলেগ ধৰণৰ। কৈছোঁ— শুনক— মেখেলাৰ নিচিনা বহল 'বটম'ৰ 'বেলবুটং' এটা, মূৰত দীঘল দীঘল চুলি, চকুত 'গগ'লছ' এযোৰ, ভৰিত এযোৰ 'হাই হীল' আৰু এটা চিগাৰেট হুপি হুপি চাৰিআলিৰ পিনে নগলে কিবা পুৰুষালি প্ৰকাশ নোপোৱা যেন লাগে।

অ' আপুনি মোৰ High Section ৰ অধ্যয়নৰ কথাটোও নেজানে নহয়? শুনক তেন্তে।

অৱশ্যে Class vii পোৱাৰ লগে লগেই দেউতাই মোৰ উৎপাতত আৰু টকা জমাব নোৱাৰা হ'ল। দেউতাৰ আলমাৰীৰ চাবি মই আগতেই চুৰি কৰি থৈছিলোঁ। নিতৌ স্কুললৈ যোৱাৰ আগতেই আলমাৰীটো মনে মনে খুলি কেইটামান টকা লৈ লৰ দিওঁ। দেউতাই টকা হেৰোৱা বুলি জানি মাক মিছাতে চোৰৰ বদনাম দিয়ে। ফলত দুয়োৰে মাজত কাজিয়া লাগে। বাৰু যাওক সেইবোৰ। এইদৰে মই টকা চুৰি কৰি বন্ধু বান্ধবীৰ লগত " দীপা টিষ্টল'ত"ত চাহ খাওঁ আৰু এইটো মোৰ নিজ কৰ্তব্য হৈ পৰিল। ছোৱালীৰ আগত 'লাইন দিয়া', ভদ্ৰলোকৰ আগত চিগাৰেট খোৱা আৰু গাৱঁলীয়া হোজা মানুহৰ আগত 'yes, no' আদি ইংৰাজী কথা কোৱাটো মোৰ অভ্যাসত পৰিণত হ'ল! বাৰু এতিয়া আহোঁ subject লৈ। Class VII-ত থিহে এটা দেৱভাষা পালোঁ পঢ়াতো বাদেই, দেখিলেই মূৰ ঘূৰায়। কিবা বোলে তং তং থং থং; এই ভাষাবোৰে মোৰ মূৰত যিখিনি মগজু আছিল গোটেই খিনি শেষ কৰি দিলে। কোনোমতে মোৰ মুখস্থ নহয়। দেৱভাষাটো দেৱতাৰ ভাষা বুলি বিশ্বাস কৰি কিমান কিযে নকৰিলোঁ। কিমান যে বেজৰ ওচৰ চাপিলোঁ, কিমান যে তাবিজ ললোঁ, ধুই পানী খালোঁ কিন্তু কোনো কামত নাহিল। পৰীক্ষা ওচৰতে— কি কৰিম, পৰীক্ষা দিলোঁ। এদিন Result দিলে। সকলোৰে পাছ কৰিলে কিন্তু মইহে ৰলোঁ। আগৰ Experience — থকা হেতুকে মই ফেইল কৰা সত্বেও অকণো অনুতাপ কৰা নাছিলোঁ। পিছৰ বছৰ আকৌ পৰীক্ষা দিলোঁ। কিন্তু সেইবাৰো কি হ'ব - সেই একেই। আপুনিয়ে ভাবি চাওকচোন! একেটা class - তে ৩/৪ বাৰ ফেইল কৰি কোন ছাত্ৰই মোৰ নিচিনা ধৈৰ্য ধৰিব পাৰে। তিনি বছৰৰ মূৰত ভগৱানে মোৰ পিনে চকু মেলি চালে। চাৰিটা বিষয়ৰ মাত্ৰ দুটা ল'লেই এতিয়া হয়। সেই হেতুকে সংস্কৃতটো মই একেবাৰে ইস্তফা দিলোঁ। কোনোমতে অলপ ৰক্ষা পৰিলোঁ।

এইদৰে নেৰা-নেপেৰাকৈ অধ্যয়ন কৰি ৬বছৰৰ মূৰত কোনোমতে class x পালোঁ। অৱশ্যে x- ত লিখা-পঢ়াতকৈ 'প্ৰাক্ত- লোকচানৰ' খেলাহে বেছি হৈছিল। এজনী এজনীকৈ চাৰি পাঁচ জনী 'পটাইছিলোঁ'! গতিকে সিহঁতৰ কাৰণে চিঠি লিখাৰ বাবে মোৰ প্ৰায়ে পঢ়াৰ সময় নহৈছিল। আপুনিয়ে ভাবি চাওকচোন! ইমান বোৰ চিঠি লিখি কোন ভদ্ৰলোকে পঢ়িবৰ সময় পাব। কেতিয়াবা ৰাতি এটা দুটালৈকে সিহঁতৰ চিঠি লিখোঁ আৰু মা-দেউতাক কিতাপ পঢ়া বুলি ফাঁকি দিওঁ। টেবুলত আধাভাগ বাহিৰা উপন্যাসে ভৰি থাকে। কেতিয়াবা কামৰ জুলুম দেখিলে তাৰেই এখন হাতত লৈ দিনটো কটাই দিওঁ।

Test পৰীক্ষালৈ মাত্ৰ এমাহ। একো পঢ়া নাই। কি কৰিম! কি পঢ়িম। এমাহ নেৰা-নেপেৰাকৈ পঢ়িলোঁ। কিন্তু সেই পঢ়া, পঢ়া হৈয়ে ৰ'ল। কামত আৰু নাহিল। Test অত ফেইল

কৰি দিলে। হেড-মাষ্টৰক অশেষ কাকুতি মিনতি কৰাত কোনোমতে ফাইনেলটো দিব পৰা হলোঁ। ফাইনেলটো পাৰ হ'ব পাৰিলেই ৰক্ষা । বহুতে কয় ফাইনেলত নকল কৰিলে বোলে পাছ কৰিব পাৰি। কিন্তু মইযে সেই নকল কৰা বিদ্যাটো নেজানো। তথাপি বাধ্যহৈ নকলৰ বাবে 'টেবলেট' কিছুমান যোগাৰ কৰিলোঁ। আপুনি 'টেবলেট' মানে বুজি পাইছে নহয়। 'টেবলেট' বোৰ পৰীক্ষাৰ আগতে ঠিক কৰি লৈছিলোঁ। প্ৰথম দিনাই ইংৰাজী । মায়ে গপত ভাত গৰম গাখীৰ আদি খুৱাই পৰীক্ষা দিবলৈ পঠাই দিলে। পৰীক্ষা 'হলত' বহিলোঁ। প্ৰশ্ন চাই দেখিলোঁ কেইটামান 'পকেট' কমন'।

গাৰ্ড ওচৰ। পৰা নেযায়। কি কৰা যায়! অৱশেষত গাৰ্ডক পানীৰ পিয়াহ লগা বুলি কলোঁ গাৰ্ডে তেতিয়া বাহিৰলৈ গৈ চকীদাৰক মতাৰ লগে লগেই মই পকেটৰ পৰা কোনোমতে টেবলেট কেইটা বাহিৰ কৰিলোঁ । তাৰ পিছত মিছাতে অকমান পানী খাই মনে মনে নকল লিখি আছোঁ । এইদৰে প্ৰায় ২ ঘণ্টা পাৰ হৈ গ'ল, হঠাৎ চুপাৰভাইজাৰে আহি দেখা পাই মোক অফিছলৈ মাতি লৈ গ'ল আৰু মোক কি কৰিলে নিশ্চয় বুজি পাইছে। ২ বছৰৰ কাৰণে মানে — — । বাহিৰলৈ গৈ দোকানত বহি কিবা কিবি ভাবি এটা চিগাৰেট হুপি আছোঁ । পৰীক্ষা শেষহোৱাত লৰাবোৰৰ সৈতে ঘৰলৈ গ'লোঁ । কিন্তু মোৰ ৰক্ষা ক'ত ? যিহে দেউতা ···· ····। গৈ পোৱা মাত্ৰকেই দেউতাই মোৰ পৰীক্ষাৰ খবৰ লোৱাৰ ছলেৰে বেগাই আহি হিপ্পী ষ্টাইলৰ চুলিকোছাত ধৰি এচাৰিৰে যে কোবালে কোনোমতে 'মা'ৰ কাৰণেহে ৰক্ষা পৰিলো ।

এইদৰে ২ বছৰ পিছত আকৌ পৰীক্ষা দিলোঁ এই বাৰো মই নকল কৰিলো; গাৰ্ড ওচৰ চাপিলেই নকলবোৰ লুকুৱাই ADMIT খন থৈ দিওঁ। গাৰ্ড ওচৰলৈ আহি লাজতে গুচি যায় । এইদৰে নকল কৰি মই কোনোমতে কলেজৰ বাৰান্দাত থিয় হ'ব পৰা হ'লোঁ । আৰু পাঠক ডাঙৰীয়া। আপুনি মোৰ নামটো নেজানে নহয় ? শুনক তেন্তে মোৰ অতি জনপ্ৰিয় ছদ্মনামটো —

——'দুষ্মন'—।

---

"জ্ঞানী মানুহ তিনিটা বিষয়ত সদা সতৰ্ক : যৌৱনকালত লালসাৰ প্ৰতি, দেহত শক্তি থকাৰ সময়ত কাজিয়া-পেচালৰ প্ৰতি আৰু বুঢ়াকালত লোভৰ প্ৰতি।"

—— কনফুচিয়াছ ।

# পূৰ্ব্বাঞ্চল বেঙ্ক লিমিটেড্

(উপচিলভূক্ত বেঙ্ক)

আপোনাৰ কঠোৰ পৰিশ্ৰমৰ ধনখিনি অথলে নিনিয়াব। সঞ্চয়ৰ যোগেদি আপুনি আপোনাৰ ভবিষ্যত গঢ়িব পাৰে।

## কেনেকৈ ?

পূৰ্ব্বাঞ্চল বেঙ্কে আপোনাক দিব পাৰে আপোনাৰ টকা-পইচাৰ ভৱিষ্যত সুৰক্ষাৰ প্ৰতিশ্ৰুতি। আমাৰ বিভিন্ন প্ৰকাৰৰ আঁচনি যেনে :— 'ফিক্সড্ ডিপোজিট', 'ডবল বেনিফিট ৰি-ইনভেষ্টমেণ্ট চাৰ্টিফিকেট', 'ৰেকাৰিং ডিপোজিট' আৰু বিভিন্ন 'চেভিংচ বেঙ্ক আঁচনিৰ উপৰিও দৈনিক জমা আঁচনিৰ' যোগেদি আপোনাৰ ক্ষুদ্ৰধন সঞ্চয় কৰি লাভবান হওক।

সবিশেষ জানিবৰ বাবে আপোনাৰ ওচৰৰ নগৰবেৰা শাখাত খবৰ কৰক।

পূৰ্ব্বাঞ্চল বেঙ্ক লিমিটেড্
আপোনাৰ নিজস্ব বেঙ্ক
(উপচিল ভূক্ত বেঙ্ক)

# মুখামুখি

[ বিভিন্ন দিশৰ লগত জৰিত সাম্প্ৰতিক কালৰ কেইজনমান চিন্তানায়কৰ ওচৰলৈ কেইটিমান ভিন্নসুৰী প্ৰশ্নৰ উত্তৰ বিচাৰি গৈছিলোঁ। উদ্দেশ্য আছিল, তেখেতসকলৰ চিন্তাধাৰাক আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অবগত কৰোৱা। কিন্তু আমি কাষ চপা ব্যক্তিসকলৰ বহু কেইজনে আমাৰ একান্ত অনুৰোধ ৰক্ষা নকৰাৰ বাবে আমি নিজেই দুঃখীত। যি কি নহওক, প্ৰখ্যাত বোলছবি পৰিচালক শ্ৰীযুক্ত সমৰেন্দ্ৰ নাৰায়ণদেৱ আৰু আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়া মহোদয়দ্বয়ে যথেষ্ট কৰ্ম-ব্যস্ততাৰ মাজতো তেখেতসকললৈ আগবঢ়োৱা আমাৰ প্ৰশ্ন সমূহৰ উত্তৰ দি আমাক অনুপ্ৰাণিত কৰাৰ বাবে দুয়োলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। — সম্পাদক ]

[১]

প্ৰশ্ন কৰিছে সম্পাদকে
উত্তৰ দিছে — প্ৰখ্যাত বোলছবি পৰিচালক শ্ৰীযুত সমৰেন্দ্ৰ নাৰায়ণদেৱ দেৱে।

প্ৰশ্ন :- সুস্থ-সুন্দৰ বোলছবি বোলোঁতে আপুনি কি বুজে ?

উত্তৰ:- প্ৰথমতে আমি বুজিব লাগিব সুস্থ আৰু সুন্দৰ বুলি ক'লে কি বুজায়। সুস্থ আৰু সুন্দৰৰ অৰ্থই হ'ল মানুহৰ চিন্তাধাৰা আৰু ৰুচিবোধক উন্নত স্তৰলৈ নিয়া। গতিকে যি বোলছবিয়ে মানুহৰ চিন্তাধাৰা আৰু ৰুচিবোধক উন্নত স্তৰলৈ লৈ যাব পাৰে অৰ্থাৎ এক কথাত প্ৰগতিশীল বোলছবিকেই সুস্থ আৰু সুন্দৰ বোলছবি বুজায়।

প্ৰশ্ন :- সুন্দৰ আৰু প্ৰগতিশীল সাংস্কৃতিক আন্দোলনৰ বাতাবৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত বোলছবিৰ কিবা ভূমিকা আছে বুলি আপুনি ভাবে নেকি ? ভাৰতীয় সমাজ জীৱনত আজি বোলছবিয়ে তাৰ সঠিক ভূমিকা পালন কৰিছে বুলি আপুনি ভাবেনে ?

উত্তৰ:- সুন্দৰ আৰু প্ৰগতিশীল সাংস্কৃতিক আন্দোলনৰ বাতাবৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত বোলছবিৰ ভূমিকা নিশ্চয় আছে। বোলছবি আটাইতকৈ জনপ্ৰিয় এটা মাধ্যম। গতিকে সুন্দৰ আৰু প্ৰগতিশীল সাংস্কৃতিক আন্দোলন গঢ়ি তুলিব লাগিলে এই মাধ্যমটোৰ প্ৰয়োজন আটাইতকৈ বেছি। কিয়নো জনসাধাৰণক উন্নততৰ ৰুচি বোধলৈ উত্তৰণ কৰিবলৈ ই গুৰুত্বপূৰ্ণ ভূমিকা

লব পাৰে ।

ভাৰতীয় সমাজ জীৱনত আজি বোলছবিয়ে তাৰ সঠিক ভূমিকা পালন কৰিব পাৰিছে বুলি মই নাভাবোঁ। কিয়নো মুনাফা অৰ্জনৰ ভিত্তিত যি কলাৰ জন্ম হয়, সি কোটি কোটি শোষিত মানুহৰ প্ৰকৃত দুখ দৈন্য দাঙি ধৰিব নোৱাৰে আৰু তাৰ প্ৰকৃত মুক্তিৰ পথ দেখুৱাব নোৱাৰে। অৱশ্যে তাৰে দুই এখনে ব্যতিক্ৰম ঘটাইছে। কিন্তু সেয়াও সংখ্যাত অতি নগণ্য ।

প্ৰশ্ন :- 'বোলছবিৰ মাজেদি ৰাজনৈতিক বক্তব্য দাঙি ধৰিলে বোলছবি শিল্পৰ শিল্পসত্বা নষ্ট হয়'— বহুতেই এই মত পোষণ কৰে । আপুনি কি ভাবে ?

উত্তৰ:- বোলছবিৰ মাজেদি ৰাজনৈতিক বক্তব্য দাঙি ধৰিলে বোলছবি শিল্পৰ শিল্পসত্বা নষ্ট হয় বুলি মই নাভাবোঁ। বোলছবি যদি শিল্পকলা হয়, তেনেহলে সেই শিল্পকলা আকাশত ওলমি থকা বস্তু নহয়। সমাজত তাৰ ভূমিকা আছে । সমাজৰ পৰা সি বিচ্ছিন্ন বস্তু নহয়। সমাজ জীৱনৰ প্ৰতিফলনেইতো শিল্পকলাৰ মাজেদি প্ৰকাশ পায় । তেনেহলে সমাজ জীৱনৰ প্ৰগতিৰ ধাৰা যদি কোনোবা বোলছবিৰ মাজেৰে প্ৰকাশ ঘটে, তেনেহলে ই নষ্ট হ'ব কিয় ? উন্নত চিন্তাইতো উন্নত সত্বাৰেই জন্ম দিব ।

প্ৰশ্ন :- এজন শিল্পীৰ সামাজিক দায়িত্ব কি হোৱা উচিত ?

উত্তৰ:- এজন শিল্পীৰ সকলো চিন্তা-ভাৱনাৰ প্ৰকাশ ঘটে, তেওঁৰ শিল্পকলাৰ মাজেদি । গতিকে মই আগতেই কৈ আহিছোঁ সমাজৰ প্ৰগতিৰ ক্ষেত্ৰত শিল্পকলাৰ কি ভূমিকা হোৱা উচিত। সেয়ে এজন শিল্পীৰো সমাজৰ প্ৰগতিৰ ক্ষেত্ৰত তেনেকুৱা ভূমিকাই হোৱা উচিত । তেওঁৰ বাস্তৱ জীৱনৰ কাৰ্যকলাপে সমাজৰ প্ৰগতিত অৰিহনা যোগোৱা উচিত।

প্ৰশ্ন :- আপুনি বোলছবি পৰিচালনাৰ ক্ষেত্ৰত কৃতকাৰ্য হোৱা বুলি ভাবেনে ?

উত্তৰ:- বোলছবি পৰিচালনাৰ ক্ষেত্ৰত মই কৃতকাৰ্য হব পাৰিছোঁ বুলি নাভাবোঁ । কিয়নো মোৰ নিজস্ব চিন্তা-ভাৱনাৰে মই ছবি কৰিব পৰা নাই । কিয় পৰা নাই তৃতীয় প্ৰশ্নৰ উত্তৰত মই কৈ আহিছোঁ । ×××

## ছাত্ৰ একতা সভাৰ বিষয়-ববীয়াসকলৰ বছৰেকীয়া প্ৰতিবেদন চৰাঃ –

সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ॥ ॥

সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন : :

তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ॥ ॥

সঙ্গীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন : :

গুৰুখেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ॥ ॥

লঘুখেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন : :

সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ॥ ॥

ছাত্ৰজিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন : :

ছাত্ৰীজিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ॥ ॥

আলফাজ্ব উদ্দিন আহমেদ

ৰুহুল আমিন

আকমল হুচেইন

নীলমণি নাথ

আব্দুচ চালেম

মনোৰঞ্জন কলিতা

ৰোহিনী কুমাৰ দাস

ভবেন দাস

বিজুস্মিতা দাস

## —ঃসাধাৰণ সম্পাদকৰ প্ৰতিবেদনঃ—

বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে ১৯৭৮-৭৯ চনৰ বাবে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতি সেৱা আগবঢ়াবলৈ সুযোগ দিয়াত মই সঁচাকৈয়ে ধন্য মানিছোঁ আৰু সেয়ে এই প্ৰতিবেদনৰ প্ৰাৰম্ভণিতেই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

১৯৭৮ চনৰ ৮ ডিচেম্বৰত বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়া দেৱৰ পৰা আনুষ্ঠানিকভাবে কাৰ্যভাৰ গ্ৰহণ কৰি মোৰ দায়িত্ব পালনত আগবাঢ়ি যাবলৈ যত্নপৰ হওঁ।

### সাধাৰণ সম্পাদক হিচাবে মোৰ লক্ষ্যঃ—

সমাজ ব্যক্তিৰ সমষ্টি। ব্যক্তি আৰু সমাজৰ মাজত এৰাব নোৱাৰা সম্বন্ধ। এখন সমাজত বহু জাতি, ধৰ্ম, সম্প্ৰদায় আৰু উচ্চ-নীচ মানোভাৱৰ মানুহে বসবাস কৰে। একে শ্ৰষ্টাৰ সৃষ্ট জীৱ মানুহ। শ্ৰষ্টাৰ ওচৰত সকলো সমান। গতিকে এই উচ্চ-নীচ মনোভাৱৰ শিপা ছাত্ৰ-ছাত্ৰীৰ মাজত সোমাবলৈ নিদিয়াটোৱেই আছিল মোৰ প্ৰথম ও প্ৰধান লক্ষ্য। এই পবিত্ৰ অনুষ্ঠানটিৰ ছাত্ৰ-ছাত্ৰীৰ মাজত যাতে কোনো ধৰণৰ হিংসাত্মক কাৰ্যৰ উৎপত্তি হব নোৱাৰে আৰু সকলোৱে যাতে একতাৰ এনাজৰীৰে বান্ধ খাই মিলা-প্ৰীতিৰে থাকে তাৰ প্ৰতি চকু দি ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগবঢ়াই যোৱাটোৱেই আছিল সাধাৰণ সম্পাদক হিচাবে মোৰ দ্বিতীয় প্ৰধান লক্ষ্য। সেয়ে আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ প্ৰতি মোৰ অনুৰোধ যাতে তেওঁলোকৰ মাজৰ মৰম ও একতাৰ এনাজৰীডাল কেতিয়াও কোনো পৰিস্থিতিতে বিচ্ছিন্ন হবলৈ নিদিয়ে।

### মহাবিদ্যালয়ৰ আভ্যন্তৰীণ দিশৰ প্ৰতিঃ—

আমাৰ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ পৰিবেশ শান্ত বুলিয়েই ক'ব পাৰি। সকলোবোৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ঠাইৰ পৰা আহি এই মহাবিদ্যালয়ত ভাই-ককাই, বাই-ভনীৰ দৰে এটি সুমধুৰ সম্পৰ্কত শিক্ষা আহৰণ কৰি আছে। কিন্তু দেশৰ সাম্প্ৰতিক ৰাজনৈতিক আৰু সামাজিক দিশৰ অশান্ত পৰিস্থিতিৰ বা-বতাহে আমাৰ মহাবিদ্যালয়ৰ শান্ত বাতাবৰণকো যে মাজে সময়ে চুই যায়— এই কথা আমি নুই কৰিব নোৱাৰো। সেয়ে এই দিশত সুদৃষ্টি ৰাখিবৰ বাবে মই আমাৰ অধ্যক্ষ মহোদয়ক টানি অনুৰোধ জনালোঁ।

### মহাবিদ্যালয় চৌহদৰ বাহিৰতঃ—

আমাৰ এই নগৰবেৰা অঞ্চলৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য এয়ে যে ইয়াত বসবাস কৰা বিভিন্ন ধৰ্ম আৰু সম্প্ৰদায়ৰ মানুহৰ মাজত কোনো ধৰণৰ জাতিগত পাৰ্থক্য নাই। যাৰ জলন্ত প্ৰমাণ আমি

এই মহাবিদ্যালয় খন গঢ়ি উঠাৰ ক্ষেত্ৰত দেখিবলৈ পাওঁ। জন্মৰে পৰা আজিলৈ এই অনুষ্ঠানটি আমাৰ মুখীয়া ৰাইজ তথা নগৰবেৰা আঞ্চলিক মৌজা কমিটিৰ দ্বাৰা লালিত-পালিত হৈ আহিছে। সুখৰ বিষয় যে এইবেলি অসম চৰকাৰে ঘাটি মঞ্জুৰী দিয়া মহাবিদ্যালয় সমূহৰ ভিতৰত আমাৰ মহাবিদ্যালয়খনো এখন। এইখিনিতে যাতে আমাৰ ৰাইজে এই অনুষ্ঠানটিৰ প্ৰতি থকা নিজৰ কৰ্ত্তব্য তথা দায়িত্ব শেষ হোৱা বুলি নাভাবে তাৰ বাবে মই আঞ্চলিক ৰাইজ তথা মৌজা কমিটিক টানি অনুৰোধ জনালোঁ।

**মহাবিদ্যালয় সপ্তাহঃ—**

সাধাৰণ সম্পাদক হিচাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই "মহাবিদ্যালয় সপ্তাহ সমাৰোহ" আহি পৰে। চাৰিদিনীয়া কাৰ্যসূচীৰে এই উৎসৱটি উদ্‌যাপিত কৰা হয়। দুখৰ বিষয় যে এইবেলি বছৰেকীয়া খেল-ধেমালিত প্ৰতিযোগীৰ সংখ্যা বেচি দেখা পোৱা নগ'ল। উৎসৱৰ শেষৰ দিনা অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়া দেৱৰ সভাপতিত্বত এখনি মুকলি সভা অনুষ্ঠিত হয়। এই সভাত স্থানীয় নগৰবেৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰীযুত গোবিন্দ চন্দ্ৰ নাথ ডাঙৰীয়াই বিজয়ী ছাত্ৰ-ছাত্ৰী প্ৰতিযোগী সকললৈ যোগ্যতাৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে। দুখৰ বিষয় পুঁজিৰ অভাৱত পুৰস্কাৰ দিব পৰা নহ'ল। সভাত স্থানীয় ছমৰীয়া উন্নয়নখণ্ডৰ ভাৰপ্ৰাপ্ত বিষয়া শ্ৰীযুত ৰেব নাথ ভট্টাচাৰ্য্য দেৱে দু-আষাৰ কৈ প্ৰতিযোগসকলক উৎসাহিত কৰে।

**বাৰ্ষিক উৎসৱঃ—**

সৰস্বতী পূজা, ফাতেহায়ে-দোৱাজ-দাহম আদি উৎসৱ এইবেলিও আগৰ দৰে পালন কৰা হয়।

**মহাবিদ্যালয়ৰ অভাৱ-অভিযোগঃ—**

আমাৰ এই মহাবিদ্যালয়খন বহুত অভাৱ-অভিযোগৰ দ্বাৰা ভাৰাক্ৰান্ত। এই অভাৱ-অভিযোগ বিলাকৰ বিষয়ে মহাবিদ্যালয় কৰ্তৃপক্ষক জনাই অহা বিষয়টো আমাৰ বছৰেকীয়া প্ৰতিবেদন পাঠৰ এটা নিয়মিত বিষয় হৈ পৰিছে। তাৰে নিতান্ত অপৰিহাৰ্য অভাৱ কেইটিমানৰ বিষয়ে তলত উল্লেখ কৰিলোঁ।

[ক] আমাৰ মহাবিদ্যালয়ত ছাত্ৰৰ নিজৰ ববীয়াকৈ এটি স্থায়ী জিৰণি কোঠা নাই। যাৰ বাবে শ্ৰেণী নথকা অৱস্থাত ছাত্ৰসকলক ইফালে সিফালে উদ্দেশ্যহীন ভাবে ঘূৰি থকা দেখা যায়। ছাত্ৰীৰ জিৰণি কোঠা এটি আছে যদিও সিও একেবাৰে সৰু আৰু শ্ৰেণী বহা কোঠাৰ ওচৰতে হোৱা বাবে শ্ৰেণী বহা অৱস্থাত বহু অসুবিধাৰ সৃষ্টি হয়।

[খ] বৰ দুখেৰে কবলৈ বাধ্য হৈছোঁ যে আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বাবে কোনো প্ৰকাৰ শৌচাগাৰ নাই।

[গ] আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যানুপাতে পুথিভঁৰালটো নিচেই সৰু। তাত ছাত্ৰ-ছাত্ৰীৰ বাবে বা-বাতৰি, কিতাপ আদি পঢ়িবৰ বাবে পাঠাগাৰ নাই; যাৰ বাবে অধ্যয়নশীল ছাত্ৰ-ছাত্ৰীয়ে পঢ়া এৰি বাহিৰত এনেয়ে ঘূৰি ফুৰিবলগীয়া হয়।

[ঘ] আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰাবাস এটি আছে যদিও তাত আসনৰ সংখ্যা তেনেই কম। তদুপৰি ই এতিয়ালৈকে পূৰ্ণপৰ্যায়ৰ ছাত্ৰাবাসত পৰিণত

হোৱা নাই। স্হায়ী ছাত্ৰীনিবাসৰ প্ৰয়োজনীয়তা ৰবকৈ উপলব্ধি কৰা হৈছে। স্হায়ী আৰু উপযুক্ত ছাত্ৰী নিবাস নথকাৰ বাবে দূৰৰ পৰা অহা ছাত্ৰীসকলে ভাৰা ঘৰত থাকিবলগীয়া হৈছে। ইয়াতকৈও পৰিতাপৰ কথা আৰু থাকিব নোৱাৰে।

উপৰোক্ত অভাৱ সমূহ যাতে অনতিপলমে পূৰণ হয় তাৰ বাবে মই মহাবিদ্যালয় কৰ্তৃপক্ষৰ শুচৰত অনুৰোধ জনালোঁ।

**ছাত্ৰ একতা সভাৰ সংবিধানঃ—**

চাওঁতে চাওঁতে আমাৰ মহাবিদ্যালয়খনে আঠ বছৰ বয়সত পদাৰ্পণ কৰিছেহি। কিন্তু আমাৰ ছাত্ৰ একতা সভাৰ এখন স্হায়ী লিখিত সংবিধান নাছিল। যাৰ ফলত মই কাৰ্যভাৰ হাতত লৈয়ে বহুত অসুবিধাৰ সন্মুখীন হব লগা হৈছিলোঁ। সেয়ে কাৰ্যভাৰ হাতত লৈয়ে এখন লিখিত সংবিধান উলিয়াওঁ। × × ×

---

**আন্তঃ মহাবিদ্যালয় তৰ্কপ্ৰতিযোগিতাঃ—**

অসম চৰকাৰৰ সমবায় সমিতিৰ সৌজন্যত ইংৰাজী ১০-১২-৭৮ তাৰিখত আমাৰ মহাবিদ্যালয়ত "সমবায় দেশৰ অৰ্থনৈতিক মুক্তিৰ একমাত্ৰ পথ" শীৰ্ষক এখনি তৰ্ক-প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাত দক্ষিণ পশ্চিম কামৰূপ আৰু গোৱালপাৰাৰ কেইবাখনো মহাবিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী প্ৰতিযোগিয়ে যোগদান কৰে। অসমৰ জননেতা আৰু প্ৰখ্যাত অধিবক্তা শ্ৰীযুত গৌৰীশঙ্কৰ ভট্টাচাৰ্য দেৱে উক্ত অনুষ্ঠানত অধ্যক্ষৰ আসন শুৱনি কৰে। এই প্ৰতিযোগীতাত আমাৰ মহাবিদ্যালয়ৰ স্নাতক ২য় বাৰ্ষিকৰ ছাত্ৰ মঃ আব্দুছ ছামাদে ১ম স্থান অধিকাৰ কৰি মহাবিদ্যালয়লৈ যি সন্মান কঢ়িয়াই আনিলে তাৰবাবে তেখেতলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

**স্নাতক মহলাত নতুন বিষয়.—**

১৯৭৮-৭৯ চনত আমাৰ মহাবিদ্যালয়ৰ স্নাতক মহলাত অঙ্ক, ভূগোল আৰু আৰবী এই তিনিটা বিষয় নতুনকৈ দিয়া হয়। তদুপৰি চলিত শিক্ষা বছৰৰ পৰা আমাৰ মহাবিদ্যালয়ত অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞানত সন্মানৰ (Honours) পাঠ্যক্ৰম প্ৰৱৰ্তন হোৱাত দুখীয়া আৰু আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ অশেষ উপকাৰ সাধন হয়। উক্ত ব্যৱস্থা সমূহৰ বাবে আমাৰ ছাত্ৰ একতা সভাৰ হৈ মই সংশ্লিষ্ট মহলৰ শলাগ লৈছোঁ।

**শুভেচ্ছাঃ—**

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ১৯৭৮ চনৰ স্নাতক মহলাৰ শেষ পৰীক্ষাত ছাইফউদ্দিন আহমেদে ডিষ্টিংশন লাভ কৰি আমাৰ মহাবিদ্যালয়লৈ যি গৌৰৱ কঢ়িয়াই আনিলে তাৰ বাবে তেওঁলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

শোক তৰ্পনঃ—

আমাৰ মহাবিদ্যালয়ৰ ২য় বাৰ্ষিক স্নাতক মহলাৰ ছাত্ৰী ৰেবা পাঠক, সোনতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অঙ্ক শিক্ষক কলিমউদ্দিন আহমেদ আৰু কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা অসমৰ সুসাহিত্যিক তাৰিণী ভট্টাচাৰ্যৰ মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰোঁ।

কৃতজ্ঞতা:—

আমাৰ মহাবিদ্যালয়ৰ দৰে অভাৱ-অভিযোগেৰে ভাৰক্ৰান্ত এখন চালুকীয়া প্ৰতিষ্ঠানৰ মুখ্যপাত্ৰ হিচাবে সাধাৰণ সম্পাদকৰ গধুৰ আৰু দায়িত্বপূৰ্ণ ভাৰখন কঢ়িয়াই নিয়াত মোক সৰ্বতোপ্ৰকাৰে সহায়-সহযোগ আগবঢ়োৱাসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। পৰম শ্ৰদ্ধাভাজন অধ্যক্ষ ও ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱে তথা অধ্যাপক-অধ্যাপিকা মণ্ডলীয়ে মোক সততে দিয়া সজ উপদেশ আৰু দিহা-পৰামৰ্শৰ বাবে তেখেত-সকললৈ ভক্তিপূৰ্ণ কৃতজ্ঞতা নিবেদিলোঁ। কাৰ্য-সম্পাদনাত সহ সম্পাদক আব্দুল কৰিম আহমেদ আৰু উপ-সভাপতি শ্ৰীভুপেন দাসৰ পৰা পোৱা সহায়-সহযোগিতাৰ কথা কৃতজ্ঞতাৰে সুঁৱৰিছোঁ। ছাত্ৰ একতা সভাৰ সম্পাদক–সম্পাদিকা মণ্ডলী তথা বিষয়-ববীয়াসকলৰ শলাগ লোৱাৰ লগতে মহাবিদ্যালয়ৰ আন আন ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী-লৈকো মোৰ প্ৰীতিভৰা কৃতজ্ঞতা যাচিছোঁ।

বছৰটোৰ বিভিন্ন কামত সক্ৰিয়ভাৱে সহায়-সহযোগ আগবঢ়োৱা বন্ধুবৰ সৰ্বশ্ৰী নিজাম, গোপী-নাথ, দিলদাৰ, স্বাহ নেওৱাজ, বন্দেচ, কন্দৰ্প, সান্ত্বনা, প্ৰতিভা, মাজিদা, মঞ্জুলা, মীৰা পাঠক, মিনাৰাণী, আঃ মজিদ, মুজ্জামিল, মুক্তাৰ আৰু মহানন্দ মেধিলৈ মোৰ মৰম ও কৃতজ্ঞতা যাচিছোঁ।

বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকল ! মই বি, পি, চি, মহা-বিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ দৰে গুৰু-দায়িত্ব-পূৰ্ণ পদটি সুকলমে আৰু নিয়াৰিকৈ চলাই নিব পাৰিম বুলি ভাবিয়েই আপোনালোকে মোক এই কাৰ্যভাৰ অৰ্পণ কৰিছিল। কিন্তু এই তাকৰীয়া সময় ছোৱাত মোৰ দায়িত্ব পালনত মই কিমান দূৰ সফল হ'ব পাৰিছোঁ, আপোনালোকৰ বিচাৰ্য। আপোনালোকৰ ৰায়ে মোৰ ভবিষ্যত জীৱনৰ দিশ নিৰ্ণয়ক হ'ব। সদৌ শেষত এই প্ৰতিবেদনৰ জৰিয়তে আপোনাসকললৈ সশ্ৰদ্ধ মৰম ও শুভেচ্ছা জনাই মোৰ প্ৰতিবেদন সামৰিলোঁ। ইতি—

বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ৰ
উজ্জ্বল ভৱিষ্যত কামনাৰে—

আলফাজউদ্দিন আহমেদ
সাধাৰণ সম্পাদক
বি, পি, চি, মহাবিদ্যালয়
ছাত্ৰ একতা সভা।
১৯৭৮-৭৯

★●★

# : সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন :

প্ৰতিবেদনৰ আৰম্ভনিতেই যি সকলে মোক ১৯৭৮-৭৯ চনৰ বাবে সাহিত্য বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচিত কৰি কৰ্তব্যৰ পথত আগবাঢ়ি যোৱাত সহায় আৰু সুবিধা দিলে, তেওঁলোকলৈ আন্তৰিক শুভেচ্ছা জনাইছোঁ। মই নিজে নেজানোঁ কৰ্তব্য পথত কিমান দূৰ সফল হব পাৰিছোঁ, — সেইটো আপোনালোকৰ বিচাৰ্যৰ বিষয়। অৱশ্যে সাধ্যানুসাৰে মোৰ দায়িত্ব সহজভাবে আৰু পৰিপাটিকৈ চলাই যাবলৈ চেষ্টাৰ অকণো ত্ৰুটি কৰা নাই।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰ পৰাই আলোচনী এখন উলিওৱাৰ সংকল্প আহি পৰিল। লগতে মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা "ফল্গু"ৰো সম্পাদনাৰ ভাৰ পৰিল এই অভাজনৰ ওপৰতে। তথাপি বুকুত সাহ বান্ধি আগুৱাই গলোঁ। যি কোনো কামৰ বিষয়ে বাহিৰৰ পৰা ভবাটো সহজ, কিন্তু কাৰ্যক্ষেত্ৰত যে কৰিব পৰা নেযায় তাক সম্পাদক হৈ ভালকৈয়ে উপলব্ধি কৰিব পাৰিছোঁ।

সাহিত্য বিভাগৰ ভিতৰত বিশেষকৈ "আলোচনা চক্ৰ" একোখন পাতিবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন নহলেও ভাল পৰিবেশ এটা লাগে অৱশ্যে সময়ৰো দৰকাৰ আৰু প্ৰয়োজন হয় ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয় আৰু সৰ্বাঙ্গীন সহায় সহযোগ আৰু সাহিত্যৰ প্ৰতি আন্তৰিকতা।

"মহাবিদ্যালয় সপ্তাহ" সমাৰোহত অন্যান্য বিভাগৰ লগতে সাহিত্য বিভাগৰ পৰাও বিভিন্ন প্ৰতিযোগীতাৰ আয়োজন কৰা হৈছিল। অসমীয়া, বঙলা, আৰবী, হিন্দী আৰু ইংৰাজী কবিতা আবৃত্তি; অসমীয়া আৰু ইংৰাজী উভয় মাধ্যমৰ স্বৰচিত গল্প, প্ৰবন্ধ, কবিতা আদি ৰচনা প্ৰতিযোগিতাৰ উপৰিও চিত্ৰাঙ্কণ প্ৰতিযোগিতাও পতা হৈছিল। উক্ত প্ৰতিযোগীতাবোৰত শ্ৰেষ্ঠস্থান লাভ কৰোতাজনেই হ'ল— আমাৰ প্ৰাক্তন সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদক আৰু যোৱা বছৰৰ শ্ৰেষ্ঠ সাহিত্য শিল্পী— শ্ৰীমহানন্দ মেধী। শ্ৰীমেধীৰ এই কৃতিত্বৰ বাবে তেখেতলৈ এই প্ৰতিবেদনৰ যোগেদি মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো আৰু তেখেতৰ সাহিত্যিক জীৱনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছোঁ।

এইখিনিতে শ্ৰদ্ধাৰে সুঁৱৰিছোঁ সেই সকলক যি সকলে মোৰ কাৰ্যকালৰ আৰম্ভনিৰে পৰাই সৰ্বতোপ্ৰকাৰৰ সহায়–সহযোগ আৰু দিহা-ভাৰযাৰে সহায় কৰিলে, যি সকলে নিজ স্বাৰ্থতকৈ সামূহিক স্বাৰ্থক অধিক সন্মান কৰে। সেই সকলেই হ'ল মোৰ পূজনীয় শিক্ষাগুৰু, বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক এম, এইচ, উল্লাহ ছাৰ, সভাপতি ও অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়াদেৱ, উপদেষ্টা-মণ্ডলী ক্ৰমে অধ্যাপক আৰ, কে, বৰা; বি, কে, মিশ্ৰ; অধ্যাপিকা কে, দাস বাইদেউৰ উপৰিও সৰ্বশ্ৰী অধ্যাপক এন, বি, দাস; এম, কলিতা; ডি, চি, দাস; বি, কে, দাস; ইউ, এন, দাস; এচ, আলি; অধ্যাপিকা এন, এন, বেগম; আৰু জে সিন্‌হা।

যাৰ অনুপ্ৰেৰণা, সৰ্বাঙ্গীণ সহায়-সহযোগ

পাই আহিছোঁ সম্পাদক হোৱাৰ দিনৰ পৰাই সেইজন — অতি সৰল, নির্ভীক আৰু কর্তব্য-পৰায়ণ ছাত্র-বন্ধুবৰ আব্দুছ ছামাদ মিঞাক শেষত মৰমেৰে সুঁৱৰিছোঁ । আৰু আছে যি সকলে নাম নিবিচাৰে বিচাৰে কাম । তেওঁলোক হ'ল মোৰ অতি মৰমৰ সর্বশ্ৰী ভবেন, কন্দর্প, মীর্জা, আকমল, আকবৰ, প্রতিভা, মাজিদা আৰু আন বহু বন্ধু-বান্ধবী যি সকলক মৰম জনাই সৰু কৰিব নোখোজে ।

সদৌ শেষত বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয় জ্যোতিৰ আলোকেৰে উজ্বলি উঠক — এই কামনাৰে সামৰণি মাৰিলোঁ । ধন্যবাদ ।

ৰুহুল আমিন
সম্পাদক
সাহিত্য বিভাগ

— x —

## ঃতৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদনঃ

প্ৰতিবেদনৰ বাট চ'ৰাতেই মই স্মৰিছোঁ সেই সকল বন্ধু-বান্ধবীৰ কথা, যি সকলে এই দায়িত্ব পালনত মোক বিশেষভাৱে সহায়-সহযোগ কৰিছে আৰু তেখেতসকললৈ মোৰ অনাবিল মৰম ও ধন্যবাদৰ শৰাই আগবঢ়াইছোঁ ।

মোৰ কার্যকালছোৱাত কিমানখিনি নিষ্ঠা সহকাৰে কৰ্তব্য পালন কৰিব পাৰিছোঁ সেয়া আপোনাসবৰ বিচার্য । মাথো আক্ষেপ এইখিনিয়ে— পৰিকল্পনাৰ সাম্ৰাজ্যখনক বাস্তৱ ৰূপ মই দিব নোৱাৰিলোঁ ।

বর্তমান যুগ যুক্তি তৰ্কৰ যুগ। কিবা কৰৈলৈ গ'লেই যুক্তিৰ প্ৰয়োজন হৈ পৰে । ফলস্বৰূপে তৰ্কৰ অৱতাৰণা কৰিবলগীয়া হয় । তৰ্ক আৰু যুক্তিৰ ফল মূলতত্ত্ব উদ্ভাৱন । গণতান্ত্ৰিক দেশৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ কাৰণে তৰ্ক শাখাটো বিশেষ লাগতিয়াল বুলি মই বিবেচনা কৰোঁ । সেয়ে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবীক ইয়াৰ প্ৰতি বিশেষ আগ্ৰহশীল হবলৈ মই সানুনয়ে আহ্বান জনাইছোঁ ।

মোৰ কার্যকালত একাধিকবাৰ তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল ।

আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাঃ—

অসম ৰাজ্যিক সমবায় সমিতিৰ আৰ্থিক অনুদানত আৰু আমাৰ মহাবিদ্যালয়ৰ "ইক'নমিক প্লেনিং ফ'ৰাম"ৰ উদ্যোগত ১০-১২-৭৮ তাৰিখত আমাৰ মহাবিদ্যালয়ত "সমবায়েই দেশৰ অর্থনৈতিক মুক্তিৰ একমাত্ৰ পথ" শীর্ষক এখনি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয় । উক্ত প্ৰতিযোগিতাত দক্ষিণ পশ্চিম কামৰূপ আৰু গোৱালপাৰাৰ কেইবাখনো মহাবিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে । উক্ত অনুষ্ঠানত অসমৰ জননেতা আৰু প্ৰখ্যাত অধিবক্তা শ্ৰীযুত গৌৰীশঙ্কৰ ভট্টাচার্য দেৱে অধ্যক্ষৰ আসন গ্ৰহণ কৰে আৰু অসমৰ মাননীয় কৃষি মন্ত্ৰী শ্ৰীযুত সোনেশ্বৰ বৰা দেৱে বিশিষ্ট দর্শক হিচাবে উপস্থিত থাকি অনুষ্ঠানটিৰ শোভা-

বৰ্দ্ধন কৰে । উক্ত প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ২য় বাৰ্ষিক স্নাতক মহলাৰ ছাত্ৰ মঃ আব্দুচ ছামাদে ১ম স্থান অধিকাৰ কৰি "সমবায়" শীৰ্ষক কিতাপ আৰু ঘোষিত নগদ টকাৰ পুৰস্কাৰ লাভ কৰাৰ কৃতিত্ব অৰ্জন কৰে ।

**আকস্মিক বক্তৃতা প্ৰতিযোগিতা।—**

ভাৰত চৰকাৰৰ ক্ষেত্ৰ প্ৰচাৰ গোটৰ (Field publicity unit) গুৱাহাটী শাখাৰ সৌজন্যত ইং ১৫-১২-৭৮ তাৰিখত আমাৰ মহাবিদ্যালয়ত এখনি আকৰ্ষণীয় আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয় । উক্ত অনুষ্ঠানত আমাৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক বসন্ত কুমাৰ মিশ্ৰ ছাৰে অধ্যক্ষৰ আসন অলঙ্কৃত কৰে ।

প্ৰতিযোগিতাৰ অন্তত আব্দুচ ছামাদ (২য় বাৰ্ষিক স্নাতক মহলা) দীপ্তৰেখা পাঠক (২য় বাৰ্ষিক স্নাতক মহলা) আৰু মীৰা কলিতাই (পি, ইউ, ২য় বাৰ্ষিক) ক্ৰমে ১ম, ২য় আৰু ৩য় স্থান অধিকাৰ কৰি ক্ষেত্ৰ প্ৰচাৰ বিষয়া শ্ৰীএচ, বি মজুমদাৰে আগবঢ়োৱা গ্ৰন্থ আকাৰৰ পুৰস্কাৰ লাভ কৰে ।

তদুপৰি ইংৰাজী ২-৩-৭৯ ইং তাৰিখত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত "জাতীয় প্ৰাপ্ত বয়স্ক শিক্ষা আঁচনি ধনৰ অপচয়হে মাথোন" এই শীৰ্ষক এখনি তৰ্ক প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। অধ্যক্ষ দেৱপ্ৰসাদ শইকীয়াদেৱে উক্ত অনুষ্ঠানত অধ্যক্ষৰ আসন গ্ৰহণ কৰে । উক্ত প্ৰতিযোগিতাত মাজিদা খাতুন (১ম বাৰ্ষিক পি ইউ), মীৰ্জা মান্নাফ (১ম বাৰ্ষিক পি ইউ) আৰু আলফাজউদ্দিন আহমেদে (১ম বাৰ্ষিক স্নাতক) ক্ৰমে ১ম, ২য় আৰু ৩য় স্থান অধিকাৰ কৰে ।

মহাবিদ্যালয় সপ্তাহ উপলক্ষে ইংৰাজী আৰু অসমীয়া উভয় ভাষাৰ তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, কুইজ' প্ৰতিযোগিতা পাতিছিলোঁ । ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ উক্ত অনুষ্ঠান সমূহৰ প্ৰতি যথেষ্ট আন্তৰিকতা দৃষ্টি গোচৰ হোৱাত মই নিজকে কৃতাৰ্থ মানিছোঁ ।

তৰ্ক শাখাৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীচক্ৰধৰ পেগু ছাৰে "মহাবিদ্যালয় সপ্তাহ সমাৰোহ"ৰ সময়ত অনুপস্থিত থকাত মই বিবুদ্ধিত পৰিছিলোঁ । মোক এই কামত সহায় কৰা বাবে অধ্যাপক এম, হবিবুল্লাহ ছাৰলৈ কৃতজ্ঞতা জনাইছোঁ। লগতে এম, দিলদাৰ ৰেজা; নিজাম উদ্দিন আহমেদ আলফাজ উদ্দিন আহমেদ, মাজিদা খাতুন, বন্দেচ আলি, মীৰ্জ্জা মান্নাফ, মহানন্দ মেধি, প্ৰতিভা বায়ন আৰু বহুতৰে কথা মানস কুঞ্জত অঙ্কিত কৰি ৰাখিছোঁ— যি সকলে মোক আশাতীত ও অপ্ৰত্যাশিত ভাবে সহায়-সহযোগ আৰু মৰম আগবঢ়াইছে । বিগত দিনবোৰত মোৰ অজানিত ও অলক্ষিতে হৈ যোৱা সমূহ ভুল ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি তৰ্ক আলোচনা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰিছোঁ ।

জয়তু বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়

ধন্যবাদেৰে

আকমল হুছেইন

সম্পাদক

তৰ্ক আৰু আলোচনা বিভাগ

# ঃ সঙ্গীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

মোক বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সঙ্গীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ দায়িত্ব ভাৰ দি ভালেই কৰিলে নে ভুলেই কৰিলে নাজানো আৰু এই দায়িত্ব লৈ মই কিমান দূৰ কৃতকাৰ্য হব পাৰিছোঁ সেই বিচাৰ কৰাৰ দায়িত্ব মোৰ নহয় — মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবী সকলৰহে । স্বীকাৰ কৰিছোঁ যে এই বিষয়ত নিজেই অপাৰগ । তথাপি "পক্ষী সব উড়য় যেন পখা অনুসাৰে"; গতিকে ময়ো মোৰ শক্তি অনুসাৰে যিখিনি কৰিছোঁ তাত যদি কিবা ভুল-ভ্ৰান্তি হৈছে তেনেহলে কৰজোৰে ক্ষমাহে মাগিছোঁ । মোৰ বিশ্বাস ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবী সকলে মোক ক্ষমা কৰিব নিশ্চয় । কিয়নো "মহন্তৰ ক্ষমাহে ভূষণ" । লগতে মোক এই বিভাগৰ গুৰুদায়িত্ব বহন কৰিবলৈ সুবিধা দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবীলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ ।

## উৎসৱ পালন

**সৰস্বতী পূজা:—**

অইন অইন বছৰৰ দৰে এইবেলিও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী ১-২-৭৯ তাৰিখে আই বীনাপানীৰ শ্ৰীচৰণকমলত এপাহি গন্ধপুষ্প অৰ্পনেৰে উৎসৱ মুখৰ পৰিবেশত পূজা উদ্‌যাপন কৰে । উল্লেখনীয় যে ব্যাসকুচীৰ জনাৰ্দন ওজা আৰু সঙ্গীবৃন্দই পূজা-মণ্ডপত ওজাপালি নৃত্য-গীত পৰিবেশন কৰি পূজা দৰ্শনাৰ্থীক আপ্যায়িত কৰে ।

**ফাতেহায়ে-দোৱাজ-দাহম: —**

বিগত বছৰ সমূহৰ দৰে এইবেলিও মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিশ্বনবী হজৰত মহম্মদৰ ( চাঃ ) পৱিত্ৰ জন্ম আৰু তিৰোধান তিথি 'ফাতেহায়ে দোৱাজ দাহম' উৎসৱটি এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত উদযাপন কৰে । এই উপলক্ষে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত দেৱপ্ৰসাদ শইকীয়া দেৱৰ সভাপতিত্বত ইংৰাজী ১১/২/৭৯ তাৰিখে অনুষ্ঠিত হোৱা মুকলি সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আৰবী বিভাগৰ মুৰব্বী অধ্যাপক জোনাব আবুল বাচাৰ আব্দুল মতিন চাহাব, হাজিৰাক সাহিত্যিক পেঞ্চনাৰ জোনাব চাদেৰ আলি চাহাব আৰু সোনতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক জোনাব আক্‌ছেদুৰ ৰহমান চাহাবে ক্ৰমে মূখ্য অতিথি, নিৰ্দিষ্ট বক্তা আৰু বিশিষ্ট অতিথি হিচাবে যোগদান কৰি তেওঁলোকৰ সাৰুৱা ভাষণেৰে ছাত্ৰ-ছাত্ৰীসকলক নবী জীৱনৰ আদৰ্শেৰে অনুপ্ৰানিত হৈ ভৱিষ্যত জীৱনক গঢ় দিবলৈ আহ্বান জনায় ।

**মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশ সম্পৰ্কে একাষাৰ—**

এটা অনুষ্ঠানৰ সাংস্কৃতিক দিশটোৰ উন্নতি কৰিবলৈ হলে বিভিন্ন কথাই আহি পৰে । আমাৰ মহাবিদ্যালয়ত নাই এখন মঞ্চ, নাই উপযুক্ত আহিলা পাতি আৰু নাই ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক প্ৰস্তুতি আৰু আগ্ৰহ । লগে লগে অপ্ৰিয় হ'লেও এটা সত্য কথা কব লাগিব যে ইয়াত পৰিবেশৰো অভাব । কৰ্তৃপক্ষক অনুৰোধ কৰোঁ যাতে সোনকালে আহিলা-পাতিৰ যোগান ধৰে । লগতে ছাত্ৰ-

ছাত্ৰী সকললৈ অনুৰোধ তেখেত সকলো যেন আগ্ৰহী হয়।

এইবেলি মহাবিদ্যালয় সপ্তাহ সমাৰোহৰ সাংস্কৃতিক অনুষ্ঠান ভাল নহ'ল। কাৰণ প্ৰতিযোগিৰ অভাৱ। ছাত্ৰ-ছাত্ৰীসকল যেন ভৱিষ্যতলৈ আগ্ৰহী হয় তাৰ বাবে অনুৰোধ জনালোঁ।

প্ৰতিবেদন দীঘলীয়া নকৰোঁ। শেষত বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক মানবেন্দ্ৰ কলিতা ছাৰকে প্ৰমুখ্য কৰি সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলে বিগত বছৰটোৰ বিভিন্ন কামত দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা আগবঢ়ালে তাৰ বাবে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। নমস্কাৰ।

শ্ৰীনীলমণি নাথ
সম্পাদক,
সঙ্গীত আৰু সাংস্কৃতিক বিভাগ

●✶●

## —ঃ গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ—

লিখনিৰ বুলনিতেই যি সকল সুহৃদে এই অকিঞ্চনক ১৯৭৮-৭৯ চনৰ বাবে গুৰু খেল বিভাগৰ গধুৰ দায়িত্ব অৰ্পন কৰি বুধি-ভাৰষা, দিহা-পৰামৰ্শ-দি নিয়াৰিকৈ চলাই নিয়াত অৰিহনা যোগালে তেখেতসকললৈ মোৰ অন্তৰ ভৰা শ্ৰদ্ধা আৰু মৰম আগবঢ়াইছোঁ। অৱশ্যে ইয়াত মোৰ কৃতকাৰ্যতা কিমানখিনি প্ৰকাশ পাইছে তাৰ বিচাৰ আপোনা-সকললৈ এৰিলো।

খেলা-ধুলা শিক্ষাৰ এক অপূৰণীয় অঙ্গ। ইয়াৰ অবিহনে শিক্ষাক অপূৰ্ণ হোৱা বুলিয়েই কব লাগিব। আজি খেলা-ধুলৰ জৰিয়তে বহুতো লোকে সমাজত খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। এইবোৰ কথা জনা সত্বেও আমাৰ মহা-বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ইয়াৰ প্ৰতি বিশেষ অমনোযোগিতাৰ কথা লক্ষ্য কৰি মই খেদ প্ৰকাশ কৰিবলৈ বাধ্য হৈছোঁ। তদুপৰি মই উদ্বেগ প্ৰকাশ কৰিছোঁ— এই বিষয়ত মহাবিদ্যালয় কৰ্তৃপক্ষৰ উদাসীন মনোভাৱ দেখি। এখন পূৰ্ণাংগ মহা-বিদ্যালয়ৰ ফুটবল খেলৰ বাবে এখন স্থায়ী খেল-পথাৰ নথকাটো কিমান দুখৰ কথা ভাবি চাওঁক। তদুপৰি খেলা-ধুলাৰ ইমানবোৰ অভাৱ থকাটো নিতান্ত অবাঞ্চনীয়।

উপযুক্ত হাতিয়াৰ নহলে যে মানুহে কোনো কামতে অনায়াসে সাফল্য লাভ কৰিব নোৱাৰে, এইষাৰ কথা বুজিবৰ বাবে চেষ্টা কৰিবলৈ মহাবিদ্যালয় কৰ্তৃপক্ষক মই অনুৰোধ জনালোঁ।

মোৰ এই দায়িত্ব ভাৰ সুকলমে চলাই নিয়াত সৰ্বতোপ্ৰকাৰে সহায় আৰু সহানুভূতি জনোৱাৰ বাবে মই বিভাগীয় তত্বাৱধায়ক মাননীয় শ্ৰীযুত ভাৰত কলিতা দেৱ আৰু অধ্যাপক নিৰোদ বৰণ দাস, ৰজিত কুমাৰ দেৱা আৰু বসন্ত কুমাৰ মিশ্ৰ ছাৰলৈ মোৰ অকপট শ্ৰদ্ধা জনাইছোঁ, লগতে ছাত্ৰ বন্ধু সৰ্বশ্ৰী কন্দৰ্প, দিলদাৰ, আব্দুল গনি, শেৱালি, শান্তনা, নিজাম আৰু সহঃ সাধাৰণ সম্পাদক

আব্দুল কৰিম আহমেদক মোৰ ভাল পোৱা যাচি মৰমেৰে সুঁৱৰিছোঁ ।

সদৌ শেষত মোৰ অজানিত ভুল-ত্রুটিৰ বাবে সমূহ অধ্যাপক-অধ্যাপিকা আৰু বন্ধু-বান্ধৱীৰ পৰা মাৰ্জ্জনা বিচাৰি মোৰ ক্ষুদ্র প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—
আব্দুছ ছালাম
সম্পাদক, গুৰুখেল বিভাগ ।

— × —

## —ঃ লঘূ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ—

জয় জয়তে বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ লঘূ খেল বিভাগৰ সম্পাদক হিচাবে মোক বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবীক সেৱা কৰাৰ সুযোগ দিয়াৰ বাবে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি হিয়াভৰা স্নেহ যাচিলোঁ ।

প্ৰতি বছৰে আমাৰ মহাবিদ্যালয়ত বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰা হয়। এইবাৰো ইংৰাজী ১৯৭৮-৭৯ চনত চাৰিদিনীয়াকৈ এই উৎসৱটি পালন কৰা হয় । লঘূ খেল-ধেমালি প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা অতি তাকৰ হোৱাটো মন কৰিবলগীয়া। আশা ৰাখিছোঁ পিছৰ বছৰ সমূহত এই বিভাগৰ প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা বহু সংখ্যক প্ৰতিযোগী ওলাব ।

মোৰ কাৰ্যকালছোৱাত মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ উপলক্ষে হোৱা লঘূ খেল-ধেমালি প্ৰতিযোগিতা নিচেই কম পৰিমানে অনুষ্ঠিত কৰিবলগীয়া হৈছিল । অৰ্থৰ অভাৱত এই বিভাগৰ সকলো খেল অনুষ্ঠিত কৰিব পৰা নগ'ল। লঘূ খেল বিভাগৰ সকলো খেল খেলিব পৰাকৈ সু-ব্যৱস্থা কৰিবলৈ মই মহাবিদ্যালয় কৰ্তৃপক্ষক সানুনয়ে অনুৰোধ জনালোঁ ।

এইবাৰৰ মহাবিদ্যালয় সপ্তাহত বিশেষ অসুবিধাৰ বাবে মোৰ এই বিভাগৰ গুৰু দায়িত্ব প্ৰিয়বন্ধু কন্দৰ্প কলিতাক অৰ্পন কৰা হৈছিল আৰু এই দায়িত্ব সুচাৰু ৰূপে পালন কৰি উৎসৱটি পাৰ কৰি দিয়াৰ বাবে মই তেওঁলৈ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ ।

প্ৰতিবেদনৰ শেষত বিভিন্ন দিশত দিহা-পৰামৰ্শ দি মোক দায়িত্ব পালনত সহায় কৰা বাবে বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীসুনীল দত্ত ছাৰকে প্ৰমূখ্য কৰি সমূহ অধ্যাপক-অধ্যাপিকাবৃন্দলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিলোঁ ।

তদুপৰি অন্যান্য দিশত সহায়-সহযোগ আগবঢ়োৱাৰ বাবে সৰ্বশ্ৰী তীৰ্থ, ভবেন, দামোদৰ, অমিয় আৰু অৰুণ আদি বন্ধু-বান্ধৱীসকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ ।

পুনৰ মহাবিদ্যালয়ৰ লঘূ খেল-ধেমালি বিভাগৰ লগতে এই মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ ক্ষুদ্ৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ । ধন্যবাদ।

শ্ৰীমনোৰঞ্জন কলিতা
সম্পাদক, লঘূ খেল বিভাগ

● ★ ●

# সম্পাদকীয় প্ৰতিবেদন— 'সমাজ সেৱা বিভাগ'

বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ্লৈ ১৯৭৮-৭৯ চনৰ বাবে সমাজ সেৱা বিভাগৰ সম্পাদক হচাবে মোক মনোনিত কৰি ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলে মোৰ প্ৰতি যি মৰম দেখুৱালে তাৰ বাবে তেখেতসকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ ।

সমাজ সেৱা বিষয়টো আমাৰ এটা অত্যাৱশ্যকীয় বিষয় । ই শিক্ষাৰে এটি প্ৰধান অঙ্গ বুলি ক'ব পাৰি । অকল কিতাপৰ জ্ঞানে আমাৰ মানসিক আৰু শাৰীৰিক উৎকৰ্ষৰ বিকাশ সাধন কৰিব নোৱাৰে । সমাজ সেৱাৰ জৰিয়তে আমি যি শাৰীৰিক শ্ৰম কৰো, তাৰ ফলত আমাৰ শৰীৰৰ উৎকৰ্ষ্য সাধনৰ লগে লগে শ্ৰমৰ মৰ্যদা বাঢ়ে আৰু সমাজৰো উন্নতি হয় । সমাজ সেৱাৰ সৰুসুৰা কামবোৰৰ প্ৰতি গুৰুত্ব নিদিয়া বাবে আমাৰ দেশৰ বহুতো ধন বিদেশলৈ গৈ আছে । "কোনো দেশৰ মানুহে অৰ্থনৈতিক উন্নতি বিচাৰিলে প্ৰথমে সমাজৰ অতি নিকৃষ্ট কামবোৰলৈ চকু দিব লাগিব" ।

সম্পাদক হিচাবে মই যিখিনি কাম কৰিব লাগিছিল, সেইখিনি সম্পূৰ্ণ হ'ল নে নহ'ল সেই বিষয়ে মোৰ সন্দেহ । আন হাতে 'সমাজ সেৱা' বিভাগৰ সকলো ধৰণৰ সামগ্ৰীৰ অভাৱ মহাবিদ্যালয়ে এতিয়াও} পূৰণ কৰিব পৰা নাই । সেয়ে 'সমাজ সেৱা' বিভাগৰ লাগতিয়াল সকলো সামগ্ৰী যাতে অনতি পলমে যোগান ধৰে তাৰ বাবে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক কাতৰ ভাবে অনুৰোধ জনালোঁ । যি কি নহওক সাধাৰণ ভাবে যি কেইবাৰ মই 'সমাজ সেৱা'ৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক আহ্বান কৰিছিলোঁ তাত মই তেওঁলোকৰ পূৰ্ণ সহযোগ পাইছিলোঁ আৰু আশা ৰাখিছোঁ ভৱিষ্যতেও তেওঁলোকৰ সহযোগত আমাৰ মহাবিদ্যালয়ৰ 'সমাজ সেৱা' বিভাগৰ বহুল উন্নতি সাধন হ'ব । 'জাতীয় সেৱা আঁচনি'ৰ যোগেদি যোৱা ২৭/১২/৭৮ ইং তাৰিখে কালুবাৰীত এখন এদিনীয়া 'সমাজ সেৱা শিবিৰ' পতা হয়; আৰু ইয়াত চৰকাৰী পথৰ পৰা দক্ষিণলৈ ১ কিঃ মিঃ দূৰত্বৰ এটি নতুন পথ নিৰ্মান কৰা হয় । ইয়াৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'জাতীয় সমাজ সেৱা' আঁচনিৰ জৰিয়তে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত ইং ৭-২-৭৯ তাৰিখৰ ১১-২-৭৯ লৈ ৫ দিনীয়া শিবিৰ পতা হয় । এই শিবিৰতো আমাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা যোগদান কৰো ।

অইন অইন বছৰৰ দৰে এইবাৰো আমাৰ মহাবিদ্যালয়ত ইং ২৩-১২-৭৮ তাৰিখৰ পৰা ২৬-১২-৭৮ তাৰিখলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন কৰা হয় । এই 'মহাবিদ্যালয় সপ্তাহ'ত সমাজ সেৱা বিভাগৰ ফালৰ পৰাও প্ৰতিযোগিতাৰ আয়োজন কৰা হয় । উক্ত প্ৰতিযোগিতাত সৰ্ব্বমুঠ ৪০ ( চল্লিশ ) জন ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰে আৰু তেওঁলোকৰ ভিতৰত প্ৰাক-বিশ্ববিদ্যালয় ২য় বাৰ্ষিকৰ ছাত্ৰ শ্ৰীদামোদৰ কলিতাই প্ৰথম স্থান অধিকাৰ কৰে । তাৰ বাবে মই তেখেতলৈ অভিনন্দন জ্ঞাপন কৰিছোঁ ।

সদৌ শেষত মোৰ কাৰ্যকালছোৱাত বিভিন্ন দিশত সহায়-সহযোগিতা আগবঢ়োৱা ছাত্ৰ বন্ধু

সৰ্বশ্ৰী দামোদৰ, শৰৎ, হবিবুৰ আদিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আগবঢ়ালোঁ। বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত উৎপলানন্দ দাস ছাৰ আৰু মহাবিদ্যালয়ৰ 'জাতীয় সমাজ সেৱা' আঁচনিৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ দাস ছাৰে মোলৈ পৰামৰ্শ আগবঢ়াই যি সহায় কৰিলে তাৰ বাবে তেখেতসকললৈ মোৰ কৃতজ্ঞতা আগবঢ়ালোঁ। মাননীয় অধ্যক্ষ মহোদয়ে মোৰ এই কালছোৱাত মোৰ প্ৰতি যি মৰম আৰু সহানুভূতি দেখুৱালে তাৰ বাবে মই তেখেতৰ শ্ৰীচৰণ যুগললৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিলোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ইতি ——

শ্ৰীৰোহিনী কুমাৰ দাস
সম্পাদক,
সমাজ সেৱা বিভাগ

---

## —ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভনিতে বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ৰ ১৯৭৮-৭৯ চনৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাবে মোক নিয়োজিত কৰি বি, পি, চলিহা মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ সেৱাৰ বাবে এখনিমান সুযোগ দিয়াৰ বাবে মই সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই বিভাগীয় কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিচতেই ইংৰাজী ২৩-১২-৭৯ তাৰিখৰ পৰা আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ চাৰিদিনীয়া কাৰ্যক্ৰমনিকাৰে উদ্‌যাপিত হয়। কিন্তু দুখেৰে জনাওঁ যে লঘু খেল বিভাগত প্ৰয়োজনীয় অধিক খেলৰ সামগ্ৰী নথকা হেতু, কেৰাম, ডাবা, চাইনিচ চেকাৰ ইত্যাদি ছাত্ৰ জিৰণি কোঠাৰ তৰফৰ পৰা আয়োজন কৰিবলগীয়া খেলবোৰ লঘু খেল বিভাগৰ দ্বাৰা পৰিচালি হয়। তদুপৰি আমাৰ ছাত্ৰ জিৰণি কোঠাৰ অৱস্থা অতি শোচনীয় বুলি কলেও অধিক কোৱা নহয়।

ছাত্ৰ জিৰণি কোঠাৰ অসুবিধা সমূহ মই মহাবিদ্যালয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ যত্ন কৰিছিলো; কিন্তু কাৰ্যকৰী নোহোৱা বাবে মই বৰ দুঃখিত। এই অসুবিধা সমূহৰ সোনকালে অৱসান ঘটিলে মই নিশ্চয় সুখী হম। তাৰ কাৰণে পৰৱৰ্তী সম্পাদক সকলৰ প্ৰতি মোৰ এটি অনুৰোধ তেওঁলোকে যেন ইয়াৰ প্ৰতি কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰে।

মোৰ কাৰ্যকালত সকলো প্ৰকাৰে দিহা-পৰামৰ্শ আগবঢ়োৱা বাবে বি, পি, চি, মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত দেৱ প্ৰসাদ শইকীয়া আৰু ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীদেবেশ চন্দ্ৰ দাস দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা থাকিল। তদুপৰি ছাত্ৰ-ছাত্ৰী সকলৰ পৰা পোৱা দিহা-পৰামৰ্শ আৰু নিঃস্বাৰ্থ ভাবে সহায়-সহযোগ আগবঢ়োৱা বাবে বন্ধুবৰ কন্দৰ্প, নীলমণি, মনোৰঞ্জন আদিলৈ মোৰ আন্তৰিক মৰম থাকিল।

সদৌ শেষত মোৰ অজানিত ভুল-ত্ৰুটিৰ বাবে বি, পি, চলিহা মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছোঁ। বি, পি, চলিহা মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনাৰে——।

ধন্যবাদ
শ্ৰীভবেন দাস
সম্পাদক, ছাত্ৰ জিৰণি কোঠা

— x —

# —ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন—

জয় জয়ন্ত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাবে মই সকলোলৈকে আন্তৰিক শুভেচ্ছা যাচি মোৰ বছৰেকীয়া প্ৰতিবেদন লিখিবলৈ আৰম্ভ কৰিলোঁ।

সম্পাদিকা হিচাবে গুৰু দায়িত্ব লৈ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ দিশটোৰ উন্নতি সাধিম বুলি কল্পনা কৰিছিলো। কিন্তু মোৰ কল্পনাক আশা কৰা মতে কাৰ্যত ৰূপায়িত কৰিব নোৱাৰিলো।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাটো ছাত্ৰীৰ সংখ্যানুপাতে তেনেই সৰু। আৰু ই শ্ৰেণী বহা কোঠাৰ ওচৰত হোৱা বাবে বহুত অসুবিধাৰ সৃষ্টি কৰিছে। সেয়ে ইয়াৰ স্থানান্তৰৰ বাবে মই মহাবিদ্যালয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

ছাত্ৰীৰ খেলা-ধূলাৰ সামগ্ৰী একমাত্ৰ কেৰম। আন কোনো সামগ্ৰী নোহোৱাত বহুত সময়ত ছাত্ৰীসকলৰ পৰা বহুতো কথা শুনিবলগীয়া হয়। কথা শুনাত মোৰ কোনো বেজাৰ নাই, কিন্তু খেল-ধেমালিৰ অভাৱ পূৰণ কৰিব নোৱাৰাৰ বাবে মোৰ আক্ষেপ থাকিল।

আমাৰ মহাবিদ্যালয়ত ছাত্ৰৰ বাবে স্থায়ী জিৰণি কোঠা নথকাৰ কাৰণে কিছুসংখ্যক ছাত্ৰই ছাত্ৰী জিৰণি কোঠাত সোমাই জিৰণি কোঠাৰ অধিকাংশ দখল কৰি থকাটো মই বছৰৰ আৰম্ভণিৰে পৰা লক্ষ্য কৰিছিলোঁ, যিটো দৃষ্টিকটুৰেই নহয় অসাংবিধানিকো।

আমাৰ ছাত্ৰী জিৰণি কোঠাত কোনো প্ৰকাৰৰ বাতৰি কাকত আৰু আলোচনী আদিৰ ব্যৱস্থা নাই। যাৰ বাবে পঢ়ুৱৈ ছাত্ৰীসকলৰ পৰা বহুত কথা শুনিবলগীয়া হয়। এইবোৰ সকলো অভাৱ যাতে অনতিপলমে সমাধান হয় তাৰ বাবে অধ্যক্ষ মহোদয়ৰ ওচৰত মোৰ অনুৰোধ ৰ'ল।

মোৰ কাৰ্যকালত ছাত্ৰী জিৰণি কোঠাৰ ভাৰপ্ৰাপ্ত অধ্যাপিকা নুৰণনাহাৰ বেগম বাইদেৱে দিয়া দিহা-পৰামৰ্শ সমূহৰ বাবে মই তেখেতলৈ কৃতজ্ঞতাৰ শৰাই যাচিছোঁ। মোৰ কাৰ্যকালত সহায় কৰা ছাত্ৰী-বান্ধৱী বিশেষকৈ হিমানী, মাজদা, সান্ত্বনা, হৰিভা, মঞ্জুলা, মীনাৰাণী, আদিলৈ এই সুযোগতে শলাগ লৈছোঁ।

সদৌ শেষত আমাৰ জিৰণি কোঠাটোৰ সৰ্বাংগীণ উন্নতিৰ কামনাৰে মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—

—বিজুস্মিতা দাস

সম্পাদিকা,

ছাত্ৰী জিৰণি কোঠা

# প্ৰশ্নোত্তৰ প্ৰসংগ

আলোচনী বিভাগৰ সম্পাদক শ্ৰীৰুহুল আমিনৰ কেইটামান

প্ৰশ্নৰ সম্পৰ্কত কলেজৰ অধ্যক্ষৰ উত্তৰ :—

প্ৰশ্ন নং (১) মাননীয় অধ্যক্ষ মহোদয়ে অনুগ্ৰহ কৰি জনাবনেকি যে তেখেতে কি উদ্দেশ্যেৰে আমাৰ এই নগৰবেৰাৰ দৰে অনুন্নত ঠাইৰ মহাবিদ্যালয় এখনৰ গুৰুভাৰ বহন কৰিবলৈ আগবাঢ়ি আহিছে ?

উত্তৰ :— যি ঠাইত যি সমাজে এখন মহাবিদ্যালয় জন্ম দিয়াৰ কথা চিন্তা কৰিব পাৰে আৰু কাৰ্যকৰী ব্যৱস্থা গ্ৰহণেৰে সফল ৰূপ দিব পাৰে তেনে এখন ঠাইক মই কেতিয়াও অনুন্নত বুলি কব নোখোজো । সকলো ক্ষেত্ৰতে অকল অৰ্থনীতিৰেই মানদণ্ড জুখিব নোৱাৰি । শিক্ষা-সংস্কৃতি গ্ৰহণ আৰু বৰ্দ্ধনৰ ক্ষেত্ৰত ইয়াৰ ৰাইজ বহুত সচেতন আৰু সজাগ । ইয়াৰ প্ৰমাণ একালৰ পাণ্ডববৰ্জ্জিত বুলি খ্যাতি থকা এই অঞ্চলটো ৰাস্তাঘাট অফিছ আদিৰ দ্বাৰা বিকশিত কৰি তুলিবৰ বাবে কৰা ৰাইজৰ অবিৰাম আৰু আশাসুধীয়া প্ৰচেষ্টা দেখি আহিছো । যাহওক এতিয়া আচল প্ৰশ্নলৈ আহোঁ । এই প্ৰশ্নটো মই নিজেই নিজকে কেবাবাৰো সুধি চাইছো আৰু এটা নিৰপেক্ষ উত্তৰৰ সন্ধান কৰিছো । কি উদ্দেশ্যেৰে অধ্যক্ষৰ নিচিনা পদলৈ আহিছো বুলি সুধিলে সাধাৰনভাৱে কেবাটাও কথা মনলৈ আহে— আৰ্থিক, সামাজিক ৰাজ-নৈতিক ইত্যাদি । কিয়নো কলেজ এখনৰ এনে একোটা পদবীয়ে আটাইকেয়োটা সুযোগেই আনিব পাৰে । কিন্তু মোৰ ক্ষেত্ৰত শেষৰটো উদ্দেশ্য একেবাৰেই শূণ্য । ৰাজনীতি মানে মই এটা নিৰ্দিষ্ট সীমাৰেখাৰ মাজতহে বুজি পাওঁ— যে ৫ বছৰৰ মূৰত নিৰ্বাচন আহিলে ভোট দাতা হিচাপে এজন উপযুক্ত প্ৰাৰ্থীক ভোট দিব লাগে । গতিকে পদবীৰ সুযোগ লৈ ৰাজ-নৈতিক ভাৱে Exploit কৰি কিবা এটা কৰিম সেয়া মোৰ বাবে সম্পূৰ্ণই অৰ্থহীন । আৰ্থিক ক্ষেত্ৰতো একেই । এখন নতুন প্ৰাইভেট কলেজলৈ অহা মানে দুখ-কণ্টক স্বীকাৰ কৰি লৈ চলি গৈ থকা । নতুন এখন কলেজৰ দায়িত্ব লোৱা মানে কিছুমান সপোন বুকুত বান্ধি বহুত আন্ধাৰ-ক্ষণিক পোহৰ অৱস্থাৰ মাজেৰে গৈ থকা সম্পূৰ্ণ সূৰ্যোদয়ক লক্ষ্য কৰি । গতিকে অধ্যক্ষ হৈ আৰ্থিকভাৱে যে লাভবান হ'ম, এদিন হাতীত উঠি পানীৰাম হৈ

ঘৰলৈ যাম, বাটৰ মানুহে ঘূৰি ঘূৰি চাব'— এই দুৰাশা কেতিয়াও কৰা নাই। শেষত নিজে সম্পূৰ্ণ সামাজিক হব পাৰিছোনে নাই কব নোৱাৰো কিন্তু হবলৈ যত্ন কৰিছো। স্থানীয় সমাজৰ প্ৰয়োজনীয় কামত এজন অংশীদাৰ হিচাপে নিজকে বিলাই দিবলৈ যত্ন কৰিছো। কৰ্মক্ষেত্ৰ য'তেই নহওক, তাৰ সুখ-দুখৰ লগতে মই নিজক মিলাব বিচাৰো। সৰু-ডাঙৰ সকলো কামেই সমানেই গুৰুত্বপূৰ্ণ। নিজৰ আন্তৰিকতা আৰু নিষ্ঠাইহে সাৰ। অৱশ্যে এটা যদি পদবী থাকে আৰু সেই পদবী যদি উচ্চ ধৰণৰ হয় তেতিয়া কাম কৰাৰ সুযোগ সমানেই বিস্তৃত আৰু বিশাল হয়। এই ক্ষেত্ৰতো মই মোৰ দায়িত্বৰ প্ৰতি সচেতন। [ আৰু এটা কথা- মানুহে কাম কৰিলেহে বাস্তৱ জ্ঞানৰ অধিকাৰী হব পাৰে। মই গৌৰৱেৰে কব খুজো মোৰ প্ৰতি শিক্ষাৰ আৰম্ভ হৈছেহে মাথোন। কলেজৰ কামত মই এনে কেইজনমান নিৰলস অবিৰাম নিষ্ঠাভাৱে চিন্তা কৰা আৰু কাম কৰা কেইজনমান সহযোগী পাইছো তাৰ কাৰণে মই নিজে ভাগ্যবান বুলি ভাবো আৰু অকপটে স্বীকাৰ কৰো যে তেওঁলোকৰ পৰাও মোৰ শিকিব লগা হৈছে। ] পুণৰ আচল কথালৈ আহোঁ। অধ্যক্ষ পদত যোগদান কৰাৰ বাবে মই আহ্বান পাইছিলো আৰু কেবাজনো বিশিষ্ট লোকৰ মুখে এই কলেজৰ আৰম্ভণ বা প্ৰস্তুতি কাৰ্যৰ কথা শুনি মই অনুপ্ৰাণিত হৈছিলো— বোধ হৈছিলো ইয়াৰ ৰাইজৰ একতা মনোভাৱৰ কথা শুনি আৰু পাচত ইয়াৰ প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰি। মই ইয়াৰ আগতে শিৱসাগৰ মহকুমাৰ আমগুৰি কলেজত উপাধ্যক্ষ হিচাপে আছিলো। সেই কলেজৰো জন্মযন্ত্ৰণা আৰু শৈশৱৰ কষ্টৰ লগত মই বাৰুকৈয়ে জড়িত আছিলো। তাত আৰ্থিক অনাটনৰ বাবে ধান সংগ্ৰহ কৰা, লটাৰী পতা, বৰঙণি আদায় কৰা, হুচৰী গোৱা, প্ৰদৰ্শনী ফুটবল খেলাপতা, শ্ব' পতা ইত্যাদি কষ্ট কৰাৰ অভিজ্ঞতা আছে। অৱশ্যে এইবিলাক কাম কৰি এটা ব্যাখ্যাহীন আনন্দ অনুভূতিও লাভ কৰিছিলো। কিন্তু এইবিলাক কামৰ লগত বেচিকৈ জড়িত হব লগাত উক্ত কলেজৰ academic বিষয়ত বৰ বেছি মন দিব পৰা নাছিলো। সেয়ে নগৰবেৰাৰ প্ৰস্তুতি পৰ্বৰ বিশেষকৈ আৰ্থিক দিশত মই একেবাৰেই ভাবিব নালাগিব এনে বুলি জনোৱাত মই পৰম প্ৰত্যয়েৰে এই অধ্যক্ষ পদৰ গুৰুভাৰ বহন কৰিবলৈ আহিছিলো আৰু এই ভাবিয়েই যে মই একান্ত মনে শিক্ষাগত দিশটোত চকু দিব পাৰিম। দ্বিতীয়তে মোৰ দেশৰ যিকোনো ঠাইৰ প্ৰতি মোৰ কৰ্তব্য আছে। নগৰবেৰা মোৰ দেশৰে এটা অঞ্চল। দেশৰ ভিতৰৰ মাটি মোৰ বাবে প্ৰবাস নহয়— প্ৰভাসহে। তদুপৰি

নগৰবেৰা নামটোতেই অলপ বুৰঞ্জীৰ গোন্ধ থকা যেন লাগে। নিজে এজন বুৰঞ্জীৰ ছাত্ৰ বুলিয়েই নেকি এই নামটোৱেও মোক আকৰ্ষণ কৰিছিল। লগতে ভাবিছিলো অসমৰ হৃদপিণ্ড স্বৰূপ গুৱাহাটীখন নগৰবেৰাৰ কাষতেই সেয়ে প্ৰধানতঃ এইকেটা কাৰণতেই মই নগৰবেৰা কলেজলৈ অধ্যক্ষ হিচাপে আহিবলৈ ঠিৰাং কৰিছিলো।

সবাৰোপৰি মই-মনে প্ৰাণে বিশ্বাস কৰো কবিগুৰুৰ সেই কথা ফাকি—
'যদি চিনি, যদি জানিবাৰে পাই, ধূলাৰেও মানি আপনা
ছোটো বড়ো হীন সবাৰ মাঝাৰে কৰি চিত্তেৰ স্থাপনা।

প্ৰশ্ন নং ২:- কলেজখনৰ উন্নতিৰ পথত আগবঢ়াই নিবলৈ ছাত্ৰ-ছাত্ৰী সকলৰ কেনেধৰণৰ সহায়ৰ প্ৰয়োজন হব পাৰে আমাক জনাবনে ?

উত্তৰ:- ছাত্ৰ-ছাত্ৰীয়েই হল এখন কলেজৰ প্ৰাণ। ছাত্ৰ-ছাত্ৰীৰ অবিহনে এখন কলেজৰ কথা জানো কল্পনা কৰিব পাৰি। ই হব পুষ্পবৃন্তহীন এডাল লঠঙা গছ। কলেজখন যদি এপাহ ফুল,ছাত্ৰ-ছাত্ৰীবিলাক তাৰ পাহি। কলেজখন যদি এবাহ মৌ, ছাত্ৰ ছাত্ৰীবিলাক একো একোটা মৌ মাখি। কলেজ এখন সুন্দৰ কৰে ছাত্ৰ–ছাত্ৰী সকলৰ অধ্যায়নশীল স্বভাব, নম্ৰ ব্যৱহাৰ আৰু সুচৰিত্ৰই। কলেজখন সুন্দৰ নকৰে ইয়াৰ অট্টালিকা সমূহে। আজিও বিশ্বভাৰতী, অক্সফৰ্ড বা কেম্ব্ৰিজে পৃথিবীৰ সকলোকে আকৰ্ষণ কৰে- তাৰ কাৰণ একেটাই। এইবিলাক গুণ আৰোপিত হব নোৱাৰে। ছাত্ৰ-ছাত্ৰীয়ে নিজেইহে এইগুণৰ অধিকাৰী হব লাগিব – শিক্ষক সকল মাথো গাইডহে ( Guide ). কলেজ এখনৰ সাফল্য নিৰ্ভৰ কৰে প্ৰধানতঃ ছাত্ৰ-ছাত্ৰী সকলৰ academic achievements ৰ ওপৰত। ইয়াৰ অন্যথাই কলেজখন হব মাথো এক প্ৰমোদ গৃহহে আৰু শিক্ষক সকলৰ ভাগ্য হব পৰক্ৰান্ত নাবিকৰ দৰে। গতিকে ছাত্ৰ সকলে তেওঁলোকৰ বিশেষকৈ লিখা পঢ়াৰ কৰ্তব্য ঠিকমতে কৰিলেই আমাক প্ৰকৃত সহযোগ আগবঢ়োৱা হ'ব।

প্ৰশ্ন নং ৩:- আজি কালি চৰকাৰৰ কিছুমান প্ৰচাৰ সূচী দেখা যায় 'আমি আটায়ে ভাৰতীয়'- আদি বিভিন্ন ভাষাত লিখা আছে। কথাটো কিয় লিখা হ'ল ? নে আমি ভাৰতীয় নাগৰিক নহয় বুলি কিবা সন্দেহ আছে—এই বিষয়ে আপুনি কি কিয় !

উত্তৰ:— বুৰঞ্জী পঢ়া ছাত্ৰমানেই জানে যে ভাৰতবৰ্ষ কোনোদিনে এটা জাতি নাছিল। ৰাজনৈতিক উদ্দেশ্যত মহাত্মাগান্ধীৰ নেতৃত্বত সমগ্ৰ ভাৰতে এক হৈ থিয় দিছিল বিদেশীৰ বিৰুদ্ধে। সকলো ভাৰতবাসীক ভাষা ধৰ্ম্ম নিৰ্বিশেষে এটা জাতি হিচাপে গঢ়ি তুলিবলৈ মহাত্মা গান্ধী আৰু অন্যান্য বিশিষ্ট ব্যক্তি সকলে আপ্ৰাণ চেষ্টা কৰিছিল ইয়ো সত্য। ভাৰতত এক নবজাগৰণৰ সূচনা হৈছিল। কবিগুৰু ৰবি ঠাকুৰে'উদাৰছন্দে পৰমানন্দে বন্দন কৰি তাৰে' ভাৰততীৰ্থ ৰচনা কৰিছিল। গণ আন্দোলনৰ যোগেদি ভাৰতৰ ইমুৰৰ পৰা সিমুৰলৈ আমি এক ভাৰতীয়-এটা জাতি, এটা উদ্দেশ্য এনে ধৰণৰ এটা প্ৰক্ৰিয়াৰ আৰু প্ৰস্তুতিৰে আগবাঢ়িছিল। কিন্তু বিদেশী বৃটিছে এই ভাৰতীয়ত্ব মনোভাব গাকৰি উঠিলে তেওঁলোকৰ ঔপনিবেশিক সাম্ৰাজ্যবাদৰ নিহিত উদ্দেশ্য সিদ্ধি নহব আৰু ভাৰতবৰ্ষক কেনেকৈ চিৰকাল দুৰ্বল কৰি ৰাখিব পাৰি তাৰ বাবে Divide and Rule এই নীতিত ভাৰতবৰ্ষ শাসন কৰিবলৈ ধৰিলে। ভাৰতীয় বুলি চিনাকি দিয়াৰ আগেয়ে— কোন কি ধৰ্মৰ, জাতিৰ, ভাষাৰ বা গোষ্ঠীৰ এই কথা আহি পৰিল।

ভাৰতবৰ্ষ স্বাধীন হ'ল । পূৰ্বৰ অখণ্ড ভাৰত দ্বিখণ্ডিত হল— ভাৰত আৰু পাকিস্থান । আজিও ভাৰতৰ অতন্দ্ৰ প্ৰহৰী স্বৰূপ হিমালয়ৰ বুকুৰ পৰা কাল নিৰবধি সিন্ধু, গঙ্গা, ব্ৰহ্মপুত্ৰ নৈৰ বুকুৰেদি বহু পানী সাগৰলৈ বৈ আছে নিৰবিছিন্নভাবে । একে হিমালয়, একে সাগৰমুখী নৈ আৰু একে পানী । কিন্তু কালৰ কুটিল পাকত ভাগ ভাগ হ'ল ভাৰতৰ মানুহ আৰু ভাৰতৰ মানুহৰ মানসিকতা । আজি আমি স্বাধীনতা পোৱা প্ৰায় ৩৭ বছৰ হ'ল । আমি প্ৰজাতন্ত্ৰ গঠন কৰিলো । কেন্দ্ৰীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ গঠন হ'ল । আমি নিজে নিজৰ দ্বাৰা শাসিত হোৱা ব্যৱস্থা কৰিলো । অতদিনে অত্যাচাৰ আৰু নিপীড়নত পিষ্ট হৈ উশাহ নিশাহ লব নোৱাৰাকৈ থকা আমিবোৰে জীয়াই থকাৰ, মানুহৰূপে জীয়াই থকাৰ আশা পালো । নগৰে চহৰে বহুত স্কুল, কলেজ, বিশ্ববিদ্যালয় গঢ়ি উঠিল । কৃষি-বিপ্লৱ, শিল্প বিপ্লৱ, সেউজ বিপ্লৱ, বগা বিপ্লৱ আদি বহুতো হ'ল । পৰিসংখ্যা বাঢ়িল । সংহতিৰ নামাৱলী লৈ সংস্কৃত বিনিময় হ'ল । বহুত প্ৰস্তাৱ লোৱা হল, আলোচনা - চক্ৰ, অধ্যয়ন-চক্ৰ অনুষ্ঠিত হ'ল— যে আমি এটা মহান ভাৰতীয় জাতি গঢ়ি তুলিব লাগে, কিন্তু বিভিন্ন গোষ্ঠী স্বাৰ্থৰ কবলত পৰি আমিবোৰ হিন্দী, অনাহিন্দী, হিন্দু-মুচলমান, সংখ্যালঘু, সংখ্যাগুৰু আদি হৈয়ে ৰলো । ফল স্বৰূপে স্বাধীনতা আন্দোলনৰ যোগেদি আমি একতাৰ পথত যিকণ আগবাঢ়ি ছিলো তাত ভাঙোনে দেখা দিলে । সৰ্বভাৰতীয় উন্নয়নৰ নামত কোনো ৰাজ্যৰ অধিকতৰ সুযোগ লাভ, কোনো ৰাজ্য এতিয়াও প্ৰাকস্বাধীনতা কালৰ দৰে অনুন্নত হৈয়েই থাকিল । ইত্যাদি কাৰণতে স্বাধীনতাৰ পাচত পাঁচোতাকৈ পঞ্চ বাৰ্ষিক পৰিকল্পনা পাৰ হৈ যোৱাৰ পাচতো ভাৰতৰ সংহতি দুৰ্বল হৈ পৰা যেন দেখা গৈছে । সেয়ে আজিও সংহতিৰ নামত আমাৰ সভা সমিতিৰ অন্ত পৰা নাই । সাম্প্ৰদায়িক মনোভাব, ধৰ্মীয় গোড়ামী, উগ্ৰভাষাপ্ৰেম আদি ভাবে বৰং বেছি গা কৰি উঠা যেন অনুমান হয় । অস্পৃশ্যতা গণতন্ত্ৰৰ এটা ডাঙৰ কলংক আৰু সি আজিও ভাৰতত জীয়াই আছে । ভাৰতীয় মহিষী সকলে 'বসুধৈৱ কুটুম্বকম্' বুলি যি বাণী প্ৰচাৰিত কৰি এক ঐতিহ্য পৰম্পৰা ৰচনা কৰিছিল তাক আজিও সোঁৱৰাই দিবৰ বাবে বাটৰ দাতিয়ে দাতিয়ে মহাপুৰুষৰ বাণী লিপিবদ্ধ কৰা ফলক আঁৰি দিয়াৰ ব্যৱস্থা কৰা হৈছে । গণতন্ত্ৰৰ মূল বস্তু সহিষ্ণুতা । য'ত সহিষ্ণুতা নাই তাত সংহতিও নাই । গতিকে যেতিয়ালৈ মানুহৰ প্ৰতি মানুহৰ সমত্ববোধ ফুটি নুঠিব, দৰিদ্ৰতাৰ সকলো কাৰণ অৰ্থনীতি শক্তিশালী নহব, গোড়ামী বুৰ্জোৱা ভাব বিলাকৰ পৰা মুক্ত হৈ এখন উন্নত শ্ৰেণীহীন সমাজৰ ৰচনা নহব, ঠেক মনোভাবৰ সলনি এটা প্ৰগতিশীল মানসিকতা গঢ়ি নুঠিব, তেতিয়ালৈকে প্ৰাচীন কবি, ঋষি সকলৰ আপ্তবাক্য সমূহ বাটৰ কাষত আঁৰি, স্মৰণ কৰাই, সভা-সমিতিত প্ৰস্তাৱ লৈ সংহতি ৰক্ষা কৰিবলৈ যোৱাটো অবাস্তৱ ।

ছাঁটো দেখি বাঘ বুলি ভবা দুৰ্বল মানসিকতাৰহে চিন । বিভিন্ন জাতি উপজাতি-ভাষা-ধৰ্মৰে ভৰি থকা সমগ্ৰ ভাৰতৰ নাগৰিকক লৈ এক মানসিকতাৰ এটা জাতি— ভাৰতীয় জাতি হিচাপে গঢ়ি তুলিবলৈ প্ৰাচীৰ অঁৰাটো বিভিন্ন প্ৰচেষ্টাৰে এটা সামান্য প্ৰচেষ্টা মাথোন ।

